পাঠ ১

# আমাৰ দেশ

K8V2R7

*ভাৰত আমাৰ দেশ। অসম ইয়াৰ উত্তৰ-পূব দিশত অৱস্থিত। অসম আমাৰ জন্মভূমি। নিজৰ দেশ তথা জন্মভূমি সকলোৰে আপোন আৰু আদৰৰ। নিজৰ দেশ আৰু জন্মভূমিক আমি সকলোৱে ধুনীয়া আৰু গৌৰৱৰ ঠাই বুলি অনুভৱ কৰোঁ। অতীজৰপৰা আমাৰ দেশখন সাহিত্য-সংস্কৃতি, দেৱ-দেৱতা, ঋষি-মুনি আৰু গুণী-জ্ঞানী লোকৰ বাবে বিশ্বত পৰিচিত। ইয়াৰ প্ৰাকৃতিক শোভা, ভৌগোলিক বৈচিত্ৰ্য আদিয়ে আমাৰ দেশ তথা জন্মভূমিক কেনেদৰে মনোমোহা কৰি তুলিছে কবিতাটিৰ জৰিয়তে সেই কথা প্ৰকাশ পাইছে।*

## পঢ়া আৰু আবৃত্তি কৰা —



আমাৰ দেশৰ মুকুট মূৰৰ
হিমালয় গিৰিৰাজ,
ছয় ঋতু আহি আলফুল কৰি
পিন্ধায় অপূৰ্ব্ব সাজ।
পাটকায়ে মেলে ক'লা চুলিটাৰি
অৰুণ উদয় তাত—
লুইতে পখালি চৰণ দুখনি
দিয়ে ৰিহাখনি গাত।

শুকুলা পাটৰ ৰিহা-মেখেলাই
জেউতি চৰায় গাৰ,
কুলু কুলু কৰি আহে জান-জুৰি
লই সাতেশৰী* হাৰ।
শোভিছে বুকত খাছীয়া পৰ্ব্বত
বইছে অমৃতধাৰা—
আৰু কত গিৰি আছে শোভা কৰি
আঁচলত নাচে তৰা।

** সাতেশৰী শব্দৰদ্বাৰা কবিয়ে সাতসৰীক বুজাইছে।*

আমাৰ দেশৰ　　ৰূপ মনোহৰ
তাৰ যে উপমা নাই,
অসমা সুষমা　　মুনি-মনোৰমা
আমাৰ চেনেহী আই।
নানা গুণ-গান　　সুমধুৰ নাম
পুৰাণত ভাৰতত*,
দেৱভূমি বুলি　　আমাৰ দেশেই
জিলিকিছে জগতত।
শুদ্ধ মনে-চিত্তে　　ৰূপে-ৰসে-গীতে
ধনে-ধানে-পুষ্পেভৰা,
স্বৰ্গতো অধিক　　আমাৰ দেশেই
সৃষ্টি-পাতনিৰে পৰা।
নুগুচে হেঁপাহ　　চাওঁ চকু ভৰি
ভুৱনমোহিনী বেশ,
অসম অসম　　সোণৰ অসম
জননী আমাৰ দেশ।



— অতুলচন্দ্ৰ হাজৰিকা

* *ভাৰতত শব্দই, মহাভাৰতৰ কথা বুজাইছে।*

**উৎস ঃ**সূৰ্য্য হাজৰিকা সম্পাদিত 'সাহিত্যাচাৰ্য্য অতুলচন্দ্ৰ হাজৰিকা শিশু সাহিত্য সম্ভাৰ (দ্বিতীয় খণ্ড)', প্ৰথম প্ৰকাশ, ২০০৭, এছ. এইছ. এডুকেশ্বনেল ট্ৰাষ্ট, গুৱাহাটী-৭৮১০০৫, পৃষ্ঠা নং- ৭৫৮-৭৫৯



**কবি পৰিচয় ঃ** অতুলচন্দ্ৰ হাজৰিকা (১৯০৩-১৯৮৬ খ্ৰীষ্টাব্দ) এগৰাকী কবি, নাট্যকাৰ, গদ্য লেখক আৰু শিশু সাহিত্যিক। তেওঁ ১৯৫৯ খ্ৰীষ্টাব্দৰ অসম সাহিত্য সভাৰ সপ্তবিংশতিতম অধিবেশনৰ সভাপতিৰ আসন অলংকৃত কৰিছিল। তেওঁ ১৯৬৯ খ্ৰীষ্টাব্দত 'মঞ্চলেখা' গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল। অসম সাহিত্য সভাই তেওঁক ১৯৮২ খ্ৰীষ্টাব্দত 'সাহিত্যাচাৰ্য' উপাধিৰে সন্মানিত কৰিছিল। তেওঁৰ সাহিত্য কীৰ্তিসমূহৰ ভিতৰত— টিকেন্দ্ৰজিৎ, নন্দ দুলাল, নৰকাসুৰ আদি নাটক; মাণিকীমধুৰী, ৰুণুক-জুনুক, ফেহুঁজালি আদি কবিতাপুথি; এণ্ডাৰছনৰ সাধু, উছৱৰ ভোগজৰা, উছৱৰ ৰংচৰা আদি গ্ৰন্থ উল্লেখযোগ্য। এইজনা সাহিত্যিক ১৯৭১ খ্ৰীষ্টাব্দত ভাৰত চৰকাৰৰ তৰফৰপৰা 'পদ্মশ্ৰী' সন্মানেৰে বিভূষিত হৈছিল।

## ক্ৰিয়া- কলাপ

### পাঠভিত্তিক

১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই সঠিক ○ বৃত্তটো পূৰ কৰা —

● কবিতাটোত আমাৰ দেশৰ 'মূৰৰ মুকুট' বুলি কাৰ কথা কৈছে?

(ক) লুইতৰ (গ) হিমালয়ৰ
(খ) দেৱভূমিৰ (ঘ) পাটকাইৰ

(ক) (খ) (গ) (ঘ)

● কবিয়ে আমাৰ দেশক দেৱভূমিৰ লগত কিয় তুলনা কৰিছে ?

(ক) হিমালয় পৰ্বত আমাৰ দেশৰ শিৰত মুকুট হিচাপে থকাৰ বাবে।
(খ) আমাৰ দেশখন ধনে-ধানে, ৰূপে-ৰসে-গীতে ভৰি থকাৰ বাবে।
(গ) পুৰাণ, মহাভাৰতত আমাৰ দেশখনক দেৱভূমিৰূপে বৰ্ণনা কৰাৰ বাবে।
(ঘ) আমাৰ দেশখন পাহাৰ-পৰ্বত, নদ-নদী আদিৰে ভৰি থকাৰ বাবে।

(ক) (খ) (গ) (ঘ)

২। তুমি ওপৰৰ দ্বিতীয় প্ৰশ্নৰ উত্তৰটো কিয় শুদ্ধ বুলি বাছি ল'লা? সহপাঠীৰ লগত আলোচনা কৰি কোৱা।

৩। তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ লিখা।

(ক) কবিয়ে কোন ঠাইত অৰুণ উদয় হয় বুলি উল্লেখ কৰিছে?
(খ) কবিয়ে অমৃতধাৰা ক'ত বৈছে বুলি কৈছে?
(গ) কিহে অসমী আইৰ গাৰ জেউতি চৰায়?
(ঘ) দেৱভূমি বুলি কবিয়ে কোনখন ঠাইৰ কথা কৈছে?
(ঙ) কবিয়ে অসমী আয়ে কিহৰ সাতসৰী পিন্ধা বুলি কৈছে ?

৪। কবিয়ে আমাৰ দেশখনক কি কি কাৰণত স্বৰ্গতকৈও অধিক বুলি কৈছে—আলোচনা কৰি বহলাই লিখা।

৫। কবিতাফাকিৰপৰা তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ লিখা।

"পাটকায়ে মেলে ক'লা চুলিটাৰি
অৰুণ উদয় তাত—
লুইতে পখালি চৰণ দুখনি
দিয়ে ৰিহাখনি গাত।"

(ক) 'ক'লা চুলিটাৰি' কোনে মেলে বুলি কৈছে?
(খ) লুইতে কাৰ চৰণ দুখনি পখালি দিয়ে বুলি কৈছে?
(গ) 'ৰিহাখনি' বুলি কিহৰ কথা কৈছে?

৬। কবিতাটিৰ ভাবৰ লগত সংগতি ৰাখি 'ক' অংশৰ সৈতে 'খ' অংশ আঁচ টানি মিলোৱা—

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| আৰু কত গিৰি আছে শোভা কৰি আঁচলত নাচে তৰা। | বেদ, পুৰাণ, ৰামায়ণ, মহাভাৰত আদি প্ৰাচীন গ্ৰন্থসমূহত আমাৰ দেশখন দেৱতাই নিৰ্মাণ কৰিছিল বুলি উল্লেখ আছে। সেয়ে ই দেৱভূমি। প্ৰাচীন সভ্যতা হিচাপে আমাৰ দেশখন বিশ্বৰ বুকুত জিলিকি আছে। |
| অসমা সুষমা মুনি মনোৰমা আমাৰ চেনেহী আই। | পৰ্বত-পাহাৰ আদি দেশমাতৃৰ অলংকাৰ স্বৰূপ। ইয়াত প্ৰবাহিত হৈ থকা নৈ-নিজৰাসমূহক মাতৃৰ চাদৰৰ আঁচলৰ লগত তুলনাকৰিবপাৰি।ইয়াত জোন-বেলি-তৰাই তিৰ্‌বিৰণি তুলি অপূৰ্ব শোভাৰ সৃষ্টি কৰে। |
| দেৱভূমি বুলি আমাৰ দেশেই জিলিকিছে জগতত। | পৰ্বত-পাহাৰ, নদ-নদীৰে সমৃদ্ধ অসম এখন মনোৰম ঠাই। জ্ঞানীলোকসকলৰ বিভিন্ন অৱদানেৰে অসম মাতৃ সমৃদ্ধ হৈ আছে। |

৭। 'আমাৰ দেশ' কবিতাটিত দেশমাতৃৰ সৌন্দৰ্য বৃদ্ধিত তলত দিয়া উপাদানসমূহে কেনেদৰে অৰিহণা যোগাইছে তাৰ এখন তালিকা প্ৰস্তুত কৰা—

উদাহৰণ—

| গিৰিৰাজ হিমালয়ে | মূৰৰ মুকুট হৈ জেউতি চৰাইছে। |
|---|---|
| ছয় ঋতুৱে | |
| পাটকাই পৰ্বতে | |
| লুইতে | |
| জান-জুৰিয়ে | |
| পৰ্বত-পাহাৰে | |

## ভাষা-অধ্যয়ন

৮। তলত দিয়া শব্দবোৰৰ লগত ছন্দৰ মিল থকা শব্দৰে খালী ঘৰবোৰ পূৰ কৰা—

| | | | | |
|---|---|---|---|---|
| বেশ | → | কেশ | দেশ | |
| ভৰা | → | তৰা | | |
| হাৰ | → | | | |
| গাত | → | | | |

৯। শব্দৰ খেল খেলোঁ আহা—

(ক) পদ্যটোত এনেকুৱা এটি ছয় আখৰীয়া শব্দ আছে, যিটোৰ—

- প্ৰথম আখৰ তিনিটা মিলি পৃথিৱী বুজায়।
- শেষৰ তিনিটা মিলি সুন্দৰী বুজায়।
- তৃতীয় আৰু ষষ্ঠ আখৰ মিলি মাখন বুজায়। পাঠটিৰপৰা শব্দটো বিচাৰি উলিয়াই লিখা।

| | | | | | |
|---|---|---|---|---|---|
| | | | | | |

এতিয়া শব্দটোৰ প্ৰথম আখৰটোৰপৰা উ-কাৰ আঁতৰাই দিলে—

- প্ৰথম আৰু দ্বিতীয় আখৰ মিলি জগৎ বুজোৱা শব্দটো হ'ব—
- প্ৰথম, দ্বিতীয় আৰু তৃতীয় আখৰ মিলি ঘৰ বুজোৱা শব্দটো হ'ব—
- প্ৰথম আৰু শেষৰ আখৰ মিলি ভগ্নী বুজোৱা শব্দটো হ'ব—

১০। কবিতাটিত থকা যুৰীয়া শব্দবোৰ বিচাৰি উলিয়াই লিখা।

**উদাহৰণ** — ৰিহা-মেখেলা

জানো আহা—

**তলৰ কবিতাফাকিলৈ মন কৰা—**

**শুকুলা** পাটৰ ৰিহা-মেখেলাই
**জেউতি** চৰায় গাৰ,

ইয়াত **শুকুলা** শব্দটোৰ একে অৰ্থ (সমাৰ্থক) বুজোৱা শব্দবোৰ হৈছে— বগা, শুভ্ৰ, শ্বেত আদি। ঠিক তেনেদৰে **জেউতি** শব্দটোৰ একে অৰ্থ বুজোৱা শব্দবোৰ হৈছে—পোহৰ, দীপ্তি, জ্যোতি আদি।

১১। শিক্ষকৰ সহায় লৈ অথবা অভিধান, সমাৰ্থক শব্দকোষ আদি ব্যৱহাৰ কৰি তলৰ শব্দবোৰৰ সমাৰ্থক শব্দ লিখা।

অৰুণ ____________ ____________ ____________

গিৰি ____________ ____________ ____________

জননী ____________ ____________ ____________

ভৱন ____________ ____________ ____________

সাজ ____________ ____________ ____________

১২। বাক্য ৰচনা কৰা—

অপূৰ্ব ________________________________________________

উদয় ________________________________________________

মনোহৰ ________________________________________________

জেউতি ________________________________________________

চেনেহী ________________________________________________

আলফুল ________________________________________________

১৩। কবিতাটোত ওচৰা-ওচৰিকৈ থকা বিশেষণ আৰু বিশেষ্য পদবোৰ বিচাৰি উলিয়াই তলৰ তালিকাত ভৰোৱা—

**উদাহৰণ —**

| বিশেষণ | বিশেষ্য |
|---|---|
| অপূৰ্ব | সাজ |
| __________ | __________ |
| __________ | __________ |
| __________ | __________ |
| __________ | __________ |
| __________ | __________ |
| __________ | __________ |

১৪। 'সাজ' শব্দ প্ৰয়োগ কৰি বিভিন্ন অৰ্থ প্ৰকাশক বাক্য ৰচনা কৰা—

সাজ (পোচাক) ঃ ________________________________________________

সাজ (বাচন) ঃ ________________________________________________

সাজ (নিৰ্মাণ কৰ্ ) ঃ ________________________________________________

১৫। পদ্যটোত পোৱা স্ত্ৰীলিংগ বুজোৱা ‘অসমা’ শব্দটোৰ আৰ্হিত আন শব্দ গঠন কৰোঁ আহা—

উদাহৰণ —

| পুংলিংগ | স্ত্ৰীলিংগ |
|---|---|
| অসম | অসমা |
| সৰল | |
| অচল | |
| বৃদ্ধ | |
| সুষম | |

জানো আহা—

কবিয়ে কবিতাটোত ‘অপূৰ্ব্ব’ শব্দটোৰ ব্যৱহাৰ কৰিছে। ব্যাকৰণৰ সূত্ৰমতে ‘ৰ’ৰ লগত যুক্ত হ’লে ব্যঞ্জন বৰ্ণটো দ্বিত্ব হয়। বৰ্তমান সময়ত ভাষাৰ সৰলীকৰণৰ উদ্দেশ্য আগত ৰাখি এই দ্বিত্ব বৰ্জন কৰা হৈছে।

উদাহৰণ —

| পূৰ্ব প্ৰচলিত ৰূপ | | সৰলীকৃত ৰূপ |
|---|---|---|
| অপূৰ্ব্ব | — | অপূৰ্ব |
| কৰ্ম্ম | — | কৰ্ম |

১৬। তলত দিয়া শব্দকেইটাৰ সৰলীকৃত ৰূপটো লিখা।

দুৰ্ব্বল —

কৰ্দ্দম —

কীৰ্ত্তন —

অৰ্জ্জুন —

পৰ্ব্বত —

শৰ্ম্মা —



## জ্ঞান-সম্প্ৰসাৰণ

জানো আহা—

কবিতাটিত প্ৰকাশ পোৱা অনুসৰি অসমৰ ভৌগোলিক অৱস্থিতিৰ লগত পৰিচয় হওঁ আহা—

**বৰ্তমান অসমৰ ভৌগোলিক চিত্ৰ**




☞ *মানচিত্ৰখন স্কেলত নাই।*

১৭। ভৌগোলিক চিত্ৰখনত অসমী আইৰ মুকুট, চুলিটাৰি আৰু চৰণ বুজোৱা অংশবোৰ চিনাক্ত কৰা।

*বিঃদ্ৰঃ— কবিয়ে কবিতাটিত* অবিভক্ত অসমৰ চিত্ৰ প্ৰকাশ কৰিছে।

শিক্ষকে অসমৰ মানচিত্ৰ দেখুৱাই দিশসমূহৰ লগত পৰিচয় কৰাব।

১৮। তোমালোকে কবিতাটোত সাতেশৰী (সাতসৰী) নামৰ অলংকাৰবিধৰ নাম পাইছা। এতিয়া তলত দিয়া শব্দজালৰপৰা আন কেইবিধমান অসমীয়া অলংকাৰৰ নাম বাছি উলিয়াই ছবিসমূহৰ উপযুক্ত স্থানত লিখা।

| | | | | |
|---|---|---|---|---|
| আ | ঙ | ঠি | কে | জো |
| গা | ম | খা | ৰু | ন |
| ক | নূ | পু | ৰ | বি |
| পা | ঢো | ল | বি | ৰি |
| লী | ডু | গ | ডু | গী |




১৯। কবিয়ে অসমৰ মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য বৰ্ণনাৰ মাধ্যমেৰে মাতৃভূমিৰ প্ৰতি ভালপোৱা ভাব প্ৰকাশ কৰিছে। তোমাৰ ওপজা ঠাইখনৰ কোনবোৰ দিশে তোমাৰ মনত ঠাইখনৰ প্ৰতি ভালপোৱাৰ ভাব জগাই তোলে লিখা।

২০। লাচিত বৰফুকন, কনকলতা বৰুৱা, কুশল কোঁৱৰ, মণিৰাম দেৱান আদি ব্যক্তিসকলে অসমক ভালপোৱাৰ নিদৰ্শন দেখুৱাই গৈছে। তেওঁলোকৰ দেশপ্ৰেমৰ বিষয়ে দলত বা শিক্ষকৰ লগত আলোচনা কৰি আৰু ইণ্টাৰনেটৰপৰা তথ্য সংগ্ৰহ কৰি লিখা।

২১। তলত দিয়া গীতটি গাওঁ আহা—

জীৱনে মৰণে মই
চিৰদিন অসমীয়া
অসমীয়া দেহে-প্ৰাণে মই
জীয়াই থাকোঁতে
মই অসমৰে অসমীয়া
মৰিলেও বৰি ল'ম
অসমৰ অমিয়া মৰণ।
অসমৰ হকে যুঁজি
অসমৰ হকে মৰোঁ
ধৰ্ম মোৰ জাতি মোৰ
অসমীয়া প্ৰাণৰ আপোন।
অসমীয়া ভাষা মোৰ,
কথা মোৰ, গীত মোৰ
অসম প্ৰকৃতিয়ে ৰচা
চিনি পাম বুজি পাম
অমৰণ সৰগতো
মোৰ এই ভাষা অসমীয়া।



**কথা**- চৈয়দ আব্দুল মালিক
**কণ্ঠ** - সংগীতা বৰঠাকুৰ
**সুৰ** - ভবেন বৰঠাকুৰ

## প্ৰকল্প

২২। অসমৰ কেইগৰাকীমান বীৰ-বীৰাংগনাৰ নাম আৰু ফটো সংগ্ৰহ কৰি এটি এলবাম প্ৰস্তুত কৰা। সেই ব্যক্তিসকলৰ চমু পৰিচয় লিখা।

২৩। দেশপ্ৰেমমূলক কবিতা আৰু গীত সংগ্ৰহ কৰি এখন হাতে লিখা সংকলন প্ৰস্তুত কৰা।

| অৰ্হতা | উপ- অৰ্হতা | ক্ৰিয়া-কলাপৰ নম্বৰ | নিজাববীয়াকৈ পাৰিছে | শিক্ষকৰ সহায়ত পাৰিছে | নিদানমূলক শিক্ষাৰ পাছত পাৰিছে |
|---|---|---|---|---|---|
| C 1.1 | ■ পাঠটোৰ মূলবিন্দুসমূহ চিনাক্ত কৰি ক'ব আৰু লিখিব পাৰিব।<br>■ পাঠৰ আধাৰত অসমৰ ভৌগোলিক চিত্ৰ চাই মূল বিন্দুসমূহ চিনাক্ত কৰিব পাৰিব। | ১, ২, ৩, ৪, ৫ ৬, ৭<br>১৭ | | | |
| C 1.5 | ■ প্ৰকল্পৰ বাবে ফটো এলবাম আৰু হাতেলিখা কবিতা, গীত আদিৰ সংকলন প্ৰস্তুত কৰিব পাৰিব। | ২২,২৩ | | | |
| C 2.1 | ■ যুৰীয়া শব্দ চিনাক্ত কৰিব পাৰিব।<br>■ সমাৰ্থক শব্দ চিনাক্ত কৰি লিখিব পাৰিব। | ১০<br>১১<br>১২ | | | |
| C 2.2 | ■ বাক্য ৰচনা কৰি লিখিব পাৰিব।<br>■ বিশেষ্য আৰু বিশেষণ পদ চিনাক্ত কৰি লিখিব পাৰিব। | ১৩ | | | |
| C 2.3 | ■ একে বানানৰ ভিন ভিন অৰ্থ বুজোৱা শব্দ বাক্যত প্ৰয়োগ কৰিব পাৰিব।<br>■ লিংগ পৰিবৰ্তন কৰিব পাৰিব।<br>■ লিখনৰ জৰিয়তে ওপজা ঠাইখনৰ প্ৰতি ভালপোৱা ভাব প্ৰকাশ কৰিব পাৰিব<br>■ অসমৰ সাংস্কৃতিক ঐতিহ্য সম্পৰ্কে জানি গীতৰ জৰিয়তে প্ৰকাশ কৰিব পাৰিব।<br>■ বীৰ-বীৰাংগনাসকলৰ দেশপ্ৰেমৰ বিষয়ে লিখিব পাৰিব। | ১৪<br>১৫<br>১৯<br>২১<br>২০<br>১৬ | | | |
| C-3.1 | ■ শব্দৰ সৰলীকৃত ৰূপ লিখিব পাৰিব।<br>■ শব্দৰ লগত জড়িত সাঁথৰ ভাঙিব পাৰিব। | ৯ | | | |
| C-5.3 | ■ শব্দজালৰপৰা অসমীয়া অলংকাৰসমূহৰ নাম বাছি উলিয়াব পাৰিব। | ১৮ | | | |

পাঠ ২

# শহা আৰু সিংহ

*বলতকৈ বুদ্ধি সদায় শ্ৰেষ্ঠ। বুদ্ধি থাকিলে যিকোনো বাধা-বিঘিনি অনায়াসে অতিক্ৰম কৰিব পাৰি। বিপদৰপৰা হাত সাৰিবলৈ বুদ্ধিয়েই হ'ল প্ৰধান উপায়। এই সাধুটো পঢ়ি শহাটোৱে কেনেকৈ বুদ্ধিৰে শক্তিশালী সিংহটোৰ হাতৰপৰা অৰণ্যৰ সকলো জীৱ-জন্তুৰ প্ৰাণ ৰক্ষা কৰিছিল সেই কথা জানিব পাৰিবা।*



পঢ়া —

বহু দিনৰ আগৰ কথা। এখন অৰণ্যত মন্দমতি নামেৰে এটা সিংহ আছিল। সি প্ৰতিদিনে অনাহকতে অৰণ্যৰ জীৱ-জন্তুবোৰ বধ কৰিছিল। সেইবোৰৰ ভিতৰত দুই এটাহে ভক্ষণ কৰিছিল। সেয়ে বনৰ জীৱ-জন্তুবোৰে এদিন এখন মেল পাতিলে। সেই মেলত সিহঁতে সিংহটোৰ হাতৰপৰা কেনেকৈ ৰক্ষা পাব পাৰি সেই বিষয়ে আলচ কৰিলে। আলোচনাৰ সিদ্ধান্ত অনুসৰি সকলো জীৱ-জন্তু সিংহটোৰ ওচৰলৈ গ'ল। সিহঁতে সিংহক হাতযোৰ কৰি ক'লে— "মহাৰাজ, আপুনি যদি প্ৰতিদিনে জধে-মধে অৰণ্যৰ জন্তুবোৰ বধ কৰি থাকে, তেনেহ'লে অতি কম দিনৰ ভিতৰতে অৰণ্যত জীৱ-জন্তু নোহোৱা হৈ যাব। তেতিয়া আপুনি কাক লৈ ৰাজত্ব কৰিব? সেয়ে আমি প্ৰতিদিনে একোটাকৈ জন্তু আপোনাৰ ক্ষুধা নিবাৰণৰ বাবে পাল পাতি পঠিয়াই থাকিম বুলি থিৰাং কৰিছোঁ। এনে কৰিলে আপুনি চিকাৰ ধৰিবলৈ একো কষ্ট কৰিব নালাগে আৰু অনায়াসে খাই-বই থাকিব পাৰিব।" সিহঁতৰ কথা শুনি

ৰজা মন্দমতিয়ে ভাবি-চিন্তি গহীনাই ক'লে— "বাৰু, তহঁতৰ প্ৰস্তাৱত মই সন্মতি দিলোঁ। কিন্তু, তহঁতে এদিনৰ বাবেও যদি জন্তু পঠিওৱা বন্ধ কৰ, তেনেহ'লে তাৰ পিছদিনাখনেই মই তহঁতক সবংশে নাশ কৰিম।" জীৱ-জন্তুবোৰেও সিংহৰ কথাত মান্তি হৈ গুচি গ'ল।

কথামতে সিহঁতে প্ৰতিদিনে একোটাকৈ জন্তু পশুৰাজৰ ওচৰলৈ পঠিয়াই থাকিল। এদিন এটা শহাৰ পাল পৰিল। দুখ মনেৰে শহাটোৱে লাহে-ধীৰে সিংহটোৰ ওচৰলৈ ৰাওনা হ'ল। সি মন্দমতিৰপৰা কেনেকৈ হাত সাৰিব পাৰি তাৰে উপায় ভাবি ভাবি গৈ থাকিল। এনেদৰে গৈ থাকোঁতে শহাটোৱে এটা কুঁৱাৰ ওচৰ পালেগৈ। কুঁৱাটো ফট্‌ফটীয়া পানীৰে ভৰি আছিল। সি তাত জুমি চাই তাৰ প্ৰতিবিম্বটো দেখা পালে। হঠাৎ তাৰ মনত এটা বুদ্ধি খেলালে।



ইতিমধ্যে বেলিয়ে ভাটি দিছে। ইফালে ভোকত অস্থিৰ হৈ সিংহই খঙত তৰ্জন-গৰ্জন কৰি অৰণ্য কঁপাই তুলিলে। বহু বেলিৰ মূৰত শহাটোক দেখাৰ লগে লগে সিংহটোৱে খঙেৰে সুধিলে— "তোৰ কিয় ইমান পলম হ'ল? ভোকত মোৰ পেটে কাঁও কাঁও শব্দ কৰিছে। আজি মই তহঁতক সবংশে নাশ কৰিম।"

শহাটোৱে ভয়তে ইনাই-বিনাই ক'লে— "সৰু জীৱ এটাৰে মহাৰাজৰ ভোক নপলাব বুলি ভাবিছিলোঁ। সেয়ে আমি পাঁচটা শহা একেলগে আপোনাৰ ওচৰলৈ আহি আছিলোঁ। বাটতে আন এটা সিংহই আমাক বাট ভেটি ধৰি সুধিলে— 'তহঁত ক'লৈ যাব?' তেতিয়া আমি ভয়ে ভয়ে কৈছিলোঁ— মহাৰাজৰ ভোজনাৰ্থে আজি আমাৰ পাল পৰিছে। গতিকে

আমি তেওঁৰ ওচৰলৈ গৈ আছোঁ। তেতিয়া সেই সিংহটোৱে তৰ্জন-গৰ্জন কৰি কৈছিল— ‘এই বনৰ ময়েই ৰজা। তইঁতৰ অন্য ৰজা আকৌ ক’ৰপৰা ওলাল? এতিয়াই তাক মোৰ ওচৰলৈ মাতি আন। মই তাৰ লগত যুঁজি চাম। যদি সি মোতকৈ বলী হয়; তেন্তে সিয়েই তইঁতৰ ৰজা হ’ব।’ তেতিয়া আমি আমাৰ ৰজাক মাতি আনোগৈ বুলি কোৱাত সিংহটোৱে খঙেৰে কৈছিল— ‘সেই কথা হ’ব নোৱাৰে। তইঁতে ছল কৰি মোৰপৰা সাৰি যাব নোৱাৰ। তইঁতৰ পাঁচটাৰ চাৰিটা মোৰ ওচৰত বন্ধকত থাক। এটাই গৈ তাক মোৰ ওচৰত হাজিৰ কৰহি।’ গতিকে মহাৰাজ, এতিয়া আপুনিয়েই ইয়াৰ এটা বিহিত ব্যৱস্থা লওক।”

শহাটোৰ কথাখিনি শুনাৰ লগে লগে মন্দমতিয়ে কেশৰ ফুলাই গল্‌গলীয়া মাতেৰে ক’লে— “কি! তাৰ ইমান সাহ্! এতিয়াই মোক তাৰ ওচৰলৈ লৈ ব’ল। আজি মোৰ হাতৰপৰা সি কোনোমতেই নিস্তাৰ নাপাব।”

শহাটোৱে মন্দমতিক কুঁৱাটোৰ ওচৰলৈ লৈ গ’ল। কুঁৱাটোৰ কাষ পাই শহাটোৱে ক’লে— “মহাৰাজ, আপোনাক দেখি সি এই কুঁৱাটোতে লুকাইছে।” শহাৰ কথা শেষ নৌহওঁতেই মন্দমতিয়ে খঙত একো নাই হৈ কুঁৱাটোত জুমি চালে। কুঁৱাৰ পানীত সি নিজৰ ছাঁটোকে সেই সিংহটো বুলি ভাবি গৰজি উঠিল। সিংহৰ সেই গৰ্জন কুঁৱাৰ ভিতৰৰপৰা প্ৰতিধ্বনিত হৈ ওলাই আহিল। লগে লগে মন্দমতিয়ে কুঁৱাৰ ভিতৰত থকা সিংহটোক ধৰোঁ বুলি কুঁৱাটোত জাঁপ দিলে।



*(‘শহা আৰু সিংহ’ নামৰ সাধুটো ‘পঞ্চতন্ত্ৰ’ৰ আধাৰত ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ প্ৰস্তুত কৰা হৈছে।)*

**জানি থওঁ আহা—**

পঞ্চতন্ত্ৰৰ সাধুবোৰৰ ৰচক হৈছে সংস্কৃত পণ্ডিত বিষ্ণু শৰ্মা। পঞ্চতন্ত্ৰ গ্ৰন্থখনে পাঁচটা অধ্যায়ত পাঁচটা বিষয় সামৰি লৈছে। এই অধ্যায়সমূহক তন্ত্ৰ বুলি জনা যায়। এই তন্ত্ৰকেইখন হ'ল— মিত্ৰভেদ, মিত্ৰ-সংপ্ৰাপ্তি, কাকোলূকীয়, লব্ধপ্ৰণাশ আৰু অপৰীক্ষিতকাৰিকা। পঞ্চতন্ত্ৰ গ্ৰন্থখন মূলতঃ সকলো বয়সৰ পাঠকক ব্যাৱহাৰিক জ্ঞান দিবলৈ ৰচনা কৰা এখন নীতিশাস্ত্ৰ। ইয়াৰ অধিকাংশ চৰিত্ৰই পশু-পক্ষী।

## ক্ৰিয়া- কলাপ

### পাঠভিত্তিক

১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই সঠিক ○ বৃত্তটো পূৰ কৰা—

- জীৱ-জন্তুবোৰে অৰণ্যৰপৰা সিহঁত নোহোৱা হৈ যাব বুলি কিয় ভয় কৰিছিল?

(ক) অৰণ্যখনত মন্দমতি নামৰ সিংহটো থকাৰ বাবে

(খ) মন্দমতিয়ে জধে-মধে জন্তুবোৰ বধ কৰাৰ বাবে

(গ) সিংহটোৱে শহাটোৰ বংশ নাশ কৰিম বুলি কোৱাৰ বাবে

(ঘ) হাবিখনলৈ অন্য এটা সিংহ অহা বুলি ভবাৰ বাবে

ক খ গ ঘ

- মন্দমতিয়ে কুঁৱাটোৰ ভিতৰলৈ কিয় জাঁপ দিছিল?

(ক) কুঁৱাটো ফট্‌ফটীয়া পানীৰে ভৰি থকাৰ বাবে

(খ) কুঁৱাটোৰ ভিতৰত আন চাৰিটা শহা থকা বুলি ভবাৰ বাবে

(গ) ভোকত মন্দমতিৰ পেটে কাঁও-কাঁও কৰাৰ বাবে

(ঘ) কুঁৱাটোৰ ভিতৰত অন্য এটা সিংহ থকা বুলি ভবাৰ বাবে

ক খ গ ঘ

২। তুমি ওপৰৰ উত্তৰকেইটা কিয় শুদ্ধ বুলি বাছি ল'লা? সহপাঠীৰ লগত আলোচনা কৰি কোৱা।

৩। 'শহা আৰু সিংহ' সাধুটো কোৱা।

৪। তলত দিয়া শব্দবোৰৰ অৰ্থ আঁচ টানি মিলাওঁ আহা—

| শব্দ | অৰ্থ |
|---|---|
| ক্ষুধা | বাধাকৰণ, গুচোৱা কাৰ্য |
| নিবাৰণ | সিংহৰ ডিঙিৰ দীঘল নোম |
| প্ৰতিবিম্ব | অইনৰ ওচৰত কোনো বস্তু থৈ ধাৰ লোৱা কাৰ্য |
| হাজিৰ | ৰক্ষা, উদ্ধাৰ |
| বন্ধক | ভোক |
| কেশৰ | ছাঁ, আৰ্চী বা পানীত ওলোৱা মানুহ বা বস্তুৰ আকৃতি |
| নিস্তাৰ | উপস্থিত |

৫। তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ কোৱা আৰু লিখা।

(ক) অৰণ্যৰ জীৱ-জন্তুবোৰ কোনে জধে-মধে বধ কৰিছিল?

(খ) শহাটোৱে মন্দমতিৰ ওচৰলৈ মুঠ পাঁচটা শহা অহা বুলি কৈছিল। দৰাচলতে কেইটা শহা আহিছিল?

(গ) কুঁৱাৰ পানীত প্ৰতিবিম্বটো দেখি মন্দমতিয়ে কি কৰিছিল?

৬। তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ দলত আলোচনা কৰি উত্তৰ লিখা।

(ক) অৰণ্যৰ জীৱ-জন্তুবোৰে আলোচনা কৰি কি সিদ্ধান্ত লৈছিল? সেইমতে কাম কৰিলে তেওঁলোকৰ কি লাভ হ'ব বুলি ভাবিছিল?

(খ) কুঁৱাৰ পানীত শহাটোৱে তাৰ প্ৰতিবিম্বটো দেখি কি বুদ্ধি পাঙিছিল?

(গ) সিংহক পতিয়ন নিয়াবলৈ ভয়তে শহাই ইনাই-বিনাই কি কথা কৈছিল?

(ঘ) কুঁৱাটোৰ ভিতৰত সঁচাকৈয়ে আন এটা সিংহ লুকাই আছিলনে? যদি নাছিল, মন্দমতিয়ে কিয় কুঁৱাটোত জাপ মাৰিছিল?

৭। কোনে, কাক আৰু কিয় কৈছিল লিখা।

(ক) "এনে কৰিলে আপুনি চিকাৰ ধৰিবলৈ একো কষ্ট কৰিব নালাগে আৰু অনায়াসে খাই-বই থাকিব পাৰিব।"

(খ) "কি! তাৰ ইমান সাহ্! এতিয়াই মোক তাৰ ওচৰলৈ লৈ ব'ল। আজি মোৰ হাতৰপৰা সি কোনোমতেই নিস্তাৰ নাপাব।"

## ভাষা-অধ্যয়ন

৮। বিপৰীত অৰ্থ বুজোৱা শব্দবোৰ পাঠৰপৰা বিচাৰি উলিয়াই লিখা।

| | | | |
|---|---|---|---|
| নিৰ্বলী | | বৰ্জন | |
| সুখ | | প্ৰজা | |
| স্থিৰ | | অসন্মত | |
| দূৰ | | চঞ্চল | |

৯। বাক্য ৰচনা কৰা—

**ৰাজত্ব** ঃ ____________________

**প্ৰস্তাৱ** ঃ ____________________

**প্ৰতিবিম্ব** ঃ ____________________

**প্ৰতিধ্বনি** ঃ ____________________

**অনায়াসে** ঃ ____________________

জানো আহা—

**(ক) ভোকত মোৰ পেটে কাঁও কাঁও শব্দ কৰিছে।**

— ইয়াত 'কাঁও কাঁও' হ'ল ভোকত পেটত সৃষ্টি হোৱা শব্দৰ অনুকৰণত কোৱা শব্দ। এনেদৰে, জীৱ-জন্তু, চৰাই-চিৰিকতি, গাড়ী-মটৰ আদিৰ শব্দৰ অনুকৰণত সৃষ্টি হোৱা শব্দবোৰেই হ'ল **অনুকাৰ শব্দ**। যেনে— কাউৰীৰ কা কা, কুকুৰৰ ভৌ ভৌ, মেঘৰ গিৰ্‌গিৰ্‌, ঘড়ীৰ টিক্‌টিক্‌ আদি।

এইবাৰ তোমালোকে তলৰ বাক্যটোলৈ মন কৰাচোন—

**(খ) শহাটোৱে ভয়তে ইনাই-বিনাই ক'লে— "সৰু জীৱ এটাৰে মহাৰাজৰ ভোক নপলাব বুলি ভাবিছিলোঁ।"**

— ইয়াত 'ইনাই-বিনাই' শব্দটোৰ মূল অৰ্থপূৰ্ণ শব্দটো হৈছে বিনাই। ইনাই শব্দটোৰ নিজা কোনো অৰ্থ নাই। ই অৰ্থহীন শব্দ। বিনাই শব্দটোৰ ধ্বনিৰ অনুকৰণতহে ইনাই শব্দটোৰ সৃষ্টি হৈছে। এই অৰ্থহীন শব্দবোৰ মূল শব্দৰ আগত বা পাছত বহিব পাৰে। মূল শব্দৰ অৰ্থৰ জোৰ বঢ়াবলৈ তাৰ লগত কেতিয়াবা শব্দটোৰ সৈতে অৰ্থহীন শব্দ ব্যৱহাৰ হয়। এইবোৰেই **অনুৰূপ শব্দ**। যেনে— ঘৰ-চৰ, মাছ-তাছ, ইনাই-বিনাই আদি।

## ১০। দলত আলোচনা কৰি ফুলপাহৰ পাহিবোৰত থকা শব্দ ব্যৱহাৰ কৰি তলৰ দফাটো সম্পূর্ণ কৰা—

জুমণিহঁতৰ ঘৰৰ কাষেৰে এটি নিজৰা ____________ কৈ বৈ গৈছে। ফুলনিখনত ফুলবোৰ ____________ কৈ ফুলি আছে। ফুলবোৰত ভোমোৰাই ____________ কৈ উৰি ফুৰিছে। নিয়ৰৰ টোপালবোৰ ____________ কৈ সৰিছে। ____________ কৈ বতাহ বলিছে। গোলাপৰ পুলিটো ____________ কৈ বাঢ়ি আহিছে। তাকে দেখি জুমণিয়ে____________ কৈ হাঁহিছে।




## ১১। দুজনীয়া দলত বিভক্ত হৈ উদাহৰণ চাই অন্ত্যমিল থকা আন আন শব্দ গঠন কৰা—

| | | | |
|---|---|---|---|
| গল্‌গলীয়া → | সল্‌সলীয়া → | চল্‌চলীয়া → | মল্‌মলীয়া |
| টিক্‌টিকীয়া → | → | → | |
| জক্‌মক্‌ → | → | → | |
| টিক্‌টিক্‌ → | → | → | |

## ১২। তলত দিয়া দফাটোৰ উপযুক্ত স্থানত যতি-চিহ্ন ব্যৱহাৰ কৰা —

শহাটোৰ কথাখিনি শুনাৰ লগে লগে মন্দমতিয়ে কেশৰ ফুলাই গল্‌গলীয়া মাতেৰে ক'লে কি তাৰ ইমান সাহ্ এতিয়াই মোক তাৰ ওচৰলৈ লৈ ব'ল আজি মোৰ হাতৰপৰা সি কোনোমতেই নিস্তাৰ নাপাব

১৩। **তোমালোকে পাঠটোত জীৱ-জন্তু, লাহে-ধীৰে আদি যুৰীয়া শব্দবোৰ পাইছা। এনেধৰণৰ শব্দ আমি দৈনন্দিন জীৱনত প্ৰায়ে ব্যৱহাৰ কৰোঁ। দলত ভাগ হৈ তালিকাত দিয়া ধৰণৰ বিভিন্ন যুৰীয়া শব্দ লিখা।**

| | | |
|---|---|---|
| জা-জলপান | জধে-মধে | জীৱন-মৰণ |
| বা-বাতৰি | লাহে-ধীৰে | তৰ্জন-গৰ্জন |
| | | |
| | | |
| | | |
| | | |

## জ্ঞান-সম্প্ৰসাৰণ

১৪। শহাটোৰ মনত খেলোৱা বুদ্ধিটো সঠিক আছিলনে? দলত আলোচনা কৰি নিজৰ মতামত প্ৰকাশ কৰা।

১৫। সাধুটোত শহাটোৱে বুদ্ধিৰে অৰণ্যৰ জীৱ-জন্তুবোৰৰ প্ৰাণ ৰক্ষা কৰিলে। তোমাৰ অঞ্চলত যদি এটা গঁড় বা হাতী হঠাৎ আহি ওলায়, তেতিয়া তুমি কি কৰিবা? ভাবি কোৱা আৰু লিখা।

১৬। শহাটোৱে কৌশলেৰে মন্দমতিৰপৰা নিজৰ লগতে অৰণ্যৰ জীৱ-জন্তুবোৰক ৰক্ষা কৰিলে। শহাটোৱে অৱলম্বন কৰা এই কৌশলৰ লগত তুমি সহমত হয়নে? সপক্ষে আৰু বিপক্ষে যুক্তি দিয়া।

১৭। **দলত ভাগ হৈ প্ৰতিটো দলে তলত দিয়া শব্দসমূহৰপৰা অতি কমেও পাঁচটাকৈ শব্দ ব্যৱহাৰ কৰি একোটাকৈ দফা লিখা।**

| | | | |
|---|---|---|---|
| টংটং | পৰিপাটি | টিক্‌টিকীয়া | জক্‌মক্ |
| খপ্‌জ প্ | মিচিক্-মাচাক্ | গলগলীয়া | ৰজন্‌জনা |

১৮। আগৰ শ্ৰেণীত পাই অহা নাটিকাৰ আৰ্হিত ‘শহা আৰু সিংহ’ সাধুটো নাট্যৰূপত লিখা।

## প্ৰকল্প

১৯। আগৰ ১৮ নম্বৰ প্ৰশ্ন অনুসৰি প্ৰস্তুত কৰা নাটিকাখন অভিনয় কৰি ভিডিঅ' ৰেকৰ্ডিং কৰা।

২০। তোমাৰ আটাইতকৈ ভাল লগা যিকোনো এটা সাধু কথাৰ বিষয়ে তলত দিয়া ধৰণে কোৱা আৰু লিখা।

(ক) সাধুটোৰ নাম
(খ) কোনখন সাধুকথাৰ পুথিৰ অন্তৰ্গত
(গ) লেখক/সংকলকৰ নাম
(ঘ) সাধুটোৰ কাহিনী
(ঙ) সাধুটো ভাল লগাৰ কাৰণ
(চ) সাধুটোৰপৰা কি শিকিলা

| অৰ্হতা | উপ- অৰ্হতা | ক্ৰিয়া-কলাপৰ নম্বৰ | নিজাববীয়াকৈ পাৰিছে | শিক্ষকৰ সহায়ত পাৰিছে | নিদানমূলক শিক্ষাৰ পাছত পাৰিছে |
|---|---|---|---|---|---|
| C 1.1 | ▪ পাঠটোৰ মূলবিন্দুসমূহ চিনাক্ত কৰি ক'ব আৰু লিখিব পাৰিব। | ১, ২, ৩, ৪, ৫ ৬, ৭ | | | |
| C 1.5 | ▪ শ্ৰোতা দৰ্শকৰ বাবে দৃশ্য শ্ৰাব্য সমল প্ৰস্তুত কৰিব পাৰিব | ১৯ | | | |
| C 2.1 | ▪ অনুকাৰ আৰু অনুৰূপ শব্দ সম্পৰ্কে জানি প্ৰয়োগ কৰিব পাৰিব অন্ত্যমিল মিলাব পাৰিব। | ১০, ১১ | | | |
| | ▪ দৈনন্দিন জীৱনত ব্যৱহৃত যুৰীয়া শব্দবোৰ লিখিব পাৰিব | ১৩ | | | |
| C 2.3 | ▪ কথন আৰু লিখনৰ জৰিয়তে জটিল চিন্তন (critical thinking) কৰি মত প্ৰকাশ কৰিব পাৰিব। | ১৪, ১৫, ১৬ | | | |
| C-3.1 | ▪ বিপৰীত অৰ্থ প্ৰকাশক শব্দ চিনাক্ত কৰিব পাৰিব | ৮ | | | |
| | ▪ বাক্য ৰচনা কৰিব পাৰিব। | ৯ | | | |
| | ▪ লিখনত যথাস্থানত যতি চিহ্ন প্ৰয়োগ কৰিব পাৰিব। | ১২ | | | |
| C-3.2 | ▪ উপযুক্ত শৈলী আৰু ভাষা ব্যৱহাৰ কৰি দফা লিখিব পাৰিব। | ১৭ | | | |
| | ▪ উপযুক্ত শৈলী আৰু ভাষা ব্যৱহাৰ কৰি নাটিকা লিখিব পাৰিব। | ১৮ | | | |
| C-4.1 | ▪ সাধু কথা পঢ়ি পৰ্যালোচনা কৰিব পাৰিব। | ২০ | | | |

শিক্ষকে ছাত্ৰ-ছাত্ৰীৰদ্বাৰা নাটিকাখনৰ অভিনয় কৰাব আৰু ভিডিঅ' ৰেকৰ্ডিং কৰাত সহায় কৰিব।

পাঠ ৩

# পুথি অধ্যয়ন

*পুথি অধ্যয়ন এটা সু-অভ্যাস। এই অভ্যাসে এজন মানুহক বৌদ্ধিক আৰু মানসিক দিশত শক্তিশালী কৰি তোলে। জীৱনত উন্নতি কৰিবলৈ প্ৰয়োজন হোৱা গুণৰাজি পুথি অধ্যয়নৰ যোগেদি লাভ কৰিব পাৰি। এই পাঠটিত পুথি অধ্যয়নৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা কৰা হৈছে।*



পঢ়া —

পুথি অধ্যয়ন বিদ্যা উপাৰ্জনৰ এটা ঘাই উপায়। পুথি নপঢ়াকৈ কোনেও ক'তো বিদ্যা লাভ কৰিব নোৱাৰে। পুথিৰ বিদ্যা থুপাই থোৱা ধনৰ নিচিনা। আনে থুপাই থোৱা ধন হাতত পৰিলে ধন আৰ্জনৰ দুখ-কষ্ট ভোগ নকৰাকৈ ধনৰ ফল ভোগ কৰিব পাৰি। সেইদৰে আনে থুপাই থোৱা বিদ্যা হাতত পৰিলে বিদ্যা আৰ্জনৰ দুখ-কষ্ট ভোগ নকৰাকৈ বিদ্যাৰ ফল ভোগ কৰিব পাৰি। প্ৰত্যেক পুথি একোজন মানুহৰ থুপাই থোৱা বিদ্যাৰ ভঁৰাল। লিখকে বহুত পুৰুষাৰ্থ কৰি সেই ভঁৰাল বান্ধি থয়, আমি কেৱল পুথিখন পঢ়িয়েই তেওঁৰ আৰ্জিত আটাইখিনি বিদ্যা লাভ কৰিব পাৰোঁ। আনৰ আৰ্জিত বিদ্যা এইদৰে সঞ্চয় নকৰাহেঁতেন, পুৰুষে সকলো কথা নতুনকৈ শিকিবলগীয়া হোৱাহেঁতেন মানুহে কেতিয়াও ইমানখিনি উদ্‌গতি কৰিব নোৱাৰিলেহেঁতেন। ভাপৰ বল আৰু বিজুলীৰ বল পোন প্ৰথমে উলিয়াওঁতে বহুত চিন্তা, বহুত সময় আৰু বহুত ধন খৰচ হৈছিল। কিন্তু এতিয়া পুথি পঢ়িয়েই মানুহে তাক ভালকৈ শিকি ল'ব পাৰে।

এইদৰে পুথিৰপৰা আনৰ সঞ্চিত বিদ্যা লাভ কৰি, সেই বিদ্যাৰ আলমত মানুহে নতুন বিদ্যা আৰ্জিবলৈ পাৰ্গত হয়। বিদ্যা আৰ্জনৰ প্ৰণালী প্ৰায় ধন আৰ্জনৰ প্ৰণালীৰ নিচিনা। মূলধন নহ'লে ধন আৰ্জিবলৈ টান, সেইদৰে মূল বিদ্যা নহ'লেও বিদ্যা আৰ্জিবলৈ টান। আকৌ যাৰ



মূলধন সৰহ, সি সৰহকৈ ধন আৰ্জিব পাৰে; সেইদৰে যাৰ মূল বিদ্যা সৰহ, সি সৰহকৈ বিদ্যা আৰ্জিব পাৰে। আচল কথা চমুকৈ ক'ব লাগিলে, পঢ়নৰপৰা মানুহৰ মনত বিদ্যাৰ পাতনি থাপিত হয়, সেই পাতনি যাৰ শকত সি বিদ্যা ব্যৱসায়ত উদ্‌গতি কৰিব পাৰে, যাৰ দুৰ্বল সি নোৱাৰে।

পঢ়নৰপৰা দূৰৈৰ মাণিক হাততে পোৱা যায়। আন আন দেশত থকা পণ্ডিতবিলাকেৰে সৈতে সাক্ষাৎ হোৱা বহুত খৰচ আৰু পৰিশ্ৰমৰ কথা আৰু সাক্ষাৎ হ'ব পাৰিলেও, তেওঁলোকৰ মুখৰপৰা বিদ্যা-শিক্ষা কৰা সকলোৰে পক্ষে সহজ নহয়। কিন্তু পুথিৰপৰা সকলো দেশৰ পণ্ডিতবিলাকৰ সজ উপদেশ ঘৰত বহিয়েই পোৱা যায়। সেইদৰে আমি পৰলোকগামী পণ্ডিতবিলাকৰো বিদ্যা-বুদ্ধি তেওঁলোকৰ ৰচিত পুথি পাঠ কৰি অপ্ৰয়াসে লাভ কৰিব পাৰোঁ।

সংসাৰত উদ্‌গতি কৰিবলৈ মানুহক মনৰ একাগ্ৰতা লাগে, পঢ়নৰপৰা সেই একাগ্ৰতা জন্মে। চঞ্চল মন থিৰ কৰিবলৈ আৰু ভোটা বুদ্ধি চোকা কৰিবলৈ পঢ়নৰ নিচিনা গুণকাৰী উপায় নাই। কোনো এখন পুথি পঢ়ি তাৰ ভাব বুজি ল'ব লাগিলে, মনপুতি পঢ়িব লাগে। ওপৰে ওপৰে চেলেংপেতেংকৈ পঢ়িলে আচল ভাব উদ্ধাৰ কৰিব নোৱাৰি। সেইদেখি পঢ়িবৰ




সময়ত মনটোক আন সকলো কথাৰপৰা এৰুৱাই আনি এটা কথাত লগাব লাগে। যি সদায় এইদৰে মনক এটা কথাত লগাই ৰাখে, তাৰ চঞ্চলতা অনুক্ৰমে কমি যায় আৰু কালত গৈ সি এটা বিষয়ত একাণপতীয়া হৈ লাগিব পাৰে।

পুথি পঢ়াৰ আৰু এটা বহুমূলীয়া গুণ আছে। সৎসংগৰপৰা যে মানুহৰ সৎ স্বভাৱ ওপজে, এই কথা লোক নিৰন্তৰে স্বীকাৰ কৰে। যিবিলাক মানুহৰ লগত সদায় উঠা-বহা কৰা যায়, আমাৰ স্বভাৱ চৰিত্ৰ সেইবিলাক মানুহৰ স্বভাৱ-চৰিত্ৰৰ গঢ় লয়। মানুহ ভাল সংগত থাকিলে ভাল হয় আৰু বেয়া সংগত থাকিলে বেয়া হয়। মানুহৰ সংগৰ নিচিনা পুথিৰ সংগয়ো আমাৰ স্বভাৱ-চৰিত্ৰৰ ওপৰত কাৰ্য কৰে। প্ৰত্যেক পুথিয়েই ৰচোঁতাজনৰ স্বভাৱ-চৰিত্ৰৰ ছাঁৰ নিচিনা। পুথি পাঠ কৰিলে সেই পুথিৰ লিখকৰ লগত আলাপ কৰা যেন হয় আৰু সদায় একে পুথিকে পঢ়িলে তেওঁৰ সংগত থকা যেন গুণ ধৰে। এতেকে ভাল পুথি পঢ়িলে ভাল সংগত থকা যেন আৰু বেয়া পুথি পঢ়িলে বেয়া সংগত থকা যেন ফল হয়।

— সত্যনাথ বৰা

**লেখকৰ পৰিচয় ঃ** সত্যনাথ বৰা (১৮৬০-১৯২৫ খ্ৰীষ্টাব্দ) অসমীয়া সাহিত্য জগতত এগৰাকী বৈয়াকৰণিক আৰু প্ৰবন্ধকাৰ হিচাপে পৰিচিত। তেওঁৰ কেইখনমান উল্লেখযোগ্য প্ৰবন্ধ সংকলন হ'ল— সাৰথি, চিন্তাকলি, আকাশ ৰহস্য, সাহিত্য বিচাৰ আদি। তেওঁ গীতাৱলী আৰু কামৰূপীয়া লোকগীত নামৰ দুখন গীতৰ পুথিও প্ৰকাশ কৰিছিল। 'বহল ব্যাকৰণ'ৰ প্ৰণেতা হিচাপে সত্যনাথ বৰাৰ নাম অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত সদায় জিলিকি থাকিব।



**উৎস ঃ** সত্যনাথ বৰাৰ 'সাৰথি', তৃতীয় সংস্কৰণ, ২০১১, বনলতা, ডিব্ৰুগড়-১, পৃষ্ঠা নং— ৬-৮

## ক্ৰিয়া- কলাপ

### পাঠভিত্তিক

**১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই সঠিক ○ বৃত্তটো পূৰ কৰা—**

- বিদ্যা উপাৰ্জনৰ ঘাই উপায় কি?

(ক) সৎ স্বভাৱ (খ) পুথি অধ্যয়ন

(গ) চঞ্চল মন (ঘ) সৎসংগ

(ক) (খ) (গ) (ঘ)

- সংসাৰত উদ্‌গতি কৰিবলৈ কি লাগে?

(ক) ভোটা বুদ্ধি (খ) চেলেংপেতেং স্বভাৱ

(গ) চঞ্চল মন (ঘ) মনৰ একাগ্ৰতা

(ক) (খ) (গ) (ঘ)

২। তলত দিয়া শব্দজালখনত কিছুমান শব্দ দিয়া হৈছে। সেই শব্দবোৰৰ অৰ্থ তলত দিয়া আছে। অৰ্থ অনুযায়ী সেই শব্দবোৰ চিনাক্ত কৰি গোল চিন দিয়া আৰু খালী বাকচত লিখা। প্ৰয়োজন হ'লে অভিধান নাইবা শিক্ষকৰ সহায় ল'বা।

| | | | | | |
|---|---|---|---|---|---|
| নি | এ | পু | ৰু | ষা | ৰ্থ |
| এ | কা | ণ | প | তী | য়া |
| অ | গ্ৰ | ক | শ | ভো | য় |
| নু | তা | উ | দ্ | গ | তি |
| ক্ৰ | স | মা | ণি | ক | প্ৰ |
| ম | ঞ্চ | ব | তু | ৰু | ণা |
| ঈ | য় | লা | বি | জু | লী |

(১) সুখ বা দুখ পোৱা কাৰ্য — ভোগ

(২) উন্নত অৱস্থা

(৩) যত্ন

(৪) সাঁচি ৰখা কাৰ্য

(৫) বিদ্যুৎ

(৬) এবিধ বহুমূলীয়া মণি বা বাখৰ

(৭) কোনো বিষয়ত আগ্ৰহেৰে লগা

(৮) আন কোনোফালে মন নিদিয়াকৈ একান্তভাৱে লাগি থকা

(৯) ক্ৰমান্বয়

(১০) প্ৰক্ৰিয়া, বিধি

৩। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ কোৱা আৰু লিখা।

(ক) দূৰৈৰ মাণিক কেনেকৈ হাততে পাব পাৰি?

(খ) পুথি এখনৰ আচল ভাব কেনেদৰে উদ্ধাৰ কৰিব পাৰি?

(গ) পুথিৰ বিদ্যাক কিহৰ লগত তুলনা কৰিছে?

(ঘ) পৰলোকগামী পণ্ডিতসকলৰ বিদ্যা-বুদ্ধি কেনেদৰে লাভ কৰিব পাৰি?

৪। আৰ্হিটোত দেখুৱাৰ দৰে তলৰ বাক্যকেইশাৰীৰ ভাব বহলাই লিখা।

আৰ্হি ঃ

**'পঢ়নৰপৰা দূৰৈৰ মাণিক হাতে পোৱা যায়।'**

মাণিক হৈছে সোণ, ৰূপ, হীৰাৰ দৰে এবিধ বহুমূলীয়া বস্তু। ইয়াক আমি সততে লাভ কৰিব নোৱাৰোঁ। পাঠটিত মাণিক বুলি দেশ-বিদেশৰ পণ্ডিতসকলৰ মূল্যবান লেখাসমূহক কোৱা হৈছে। আন আন দেশৰ পণ্ডিতসকলৰ জ্ঞান-গৰিমাৰ কথাবোৰ আমি তেওঁলোকৰ পুথিবোৰৰপৰাই জানিব পাৰোঁ। পুথি পঢ়াৰ অভ্যাস গঢ়ি তুলিলে দূৰলৈ যোৱাৰ প্ৰয়োজন নাথাকে। আনহাতে খৰচ আৰু পৰিশ্ৰমো নহয়। ঘৰত থাকিয়েই তেওঁলোকৰ জ্ঞান-গৰ্ভ কথাবোৰ জানিব পাৰোঁ। সেইবাবে দূৰৈৰ মাণিক সদৃশ জ্ঞানসমূহ পঢ়নৰপৰা হাতে পোৱা যায় বুলি বাক্যশাৰীৰ জৰিয়তে বুজোৱা হৈছে।

(ক) পুথিৰ বিদ্যা থুপাই থোৱা ধনৰ নিচিনা।

(খ) বিদ্যা আৰ্জনৰ প্ৰণালী প্ৰায় ধন আৰ্জনৰ প্ৰণালীৰ নিচিনা।

(গ) সৎসংগৰপৰা মানুহৰ সৎ স্বভাৱ জন্মে।

৫। "ভাল পুথি পঢ়িলে ভাল সংগত থকা যেন আৰু বেয়া পুথি পঢ়িলে বেয়া সংগত থকা যেন ফল হয়।"— পাঠটোৰ আধাৰত কথাষাৰ বহলাই লিখা।

## ভাষা-অধ্যয়ন

জানো আহা—

তোমালোকে পাঠটোত পোৱা উপদেশ, পৰিশ্ৰম, অপমান, পৰাজয়— এই শব্দবোৰত মূল শব্দটোৰ আগত কিছুমান শব্দাংশ যোগ হৈ আছে। সেইবোৰ ভাঙি চাওঁ আহা—

| | |
|---|---|
| উপদেশ = **উপ** + দেশ | পৰিশ্ৰম = **পৰি** + শ্ৰম |
| অপমান = **অপ** + মান | পৰাজয় = **পৰা** + জয় |

**উপ, পৰি, অপ, পৰা**— এই অব্যয়কেইটা যোগ হৈ ক্ৰমে **দেশ, শ্ৰম, মান** আৰু **জয়** শব্দৰ অৰ্থ সলনি কৰিছে। এনেদৰে শব্দৰ আগত বহি অৰ্থ সলনি কৰা অব্যয়বোৰেই **উপসৰ্গ**।

সংস্কৃতৰপৰা অসমীয়ালৈ অহা মুঠ ২০ টা উপসৰ্গ হ'ল— প্ৰ, পৰা, অপ, সম্, নি, অৱ, অনু, নিৰ্, দুৰ্, বি, অধি, সু, উৎ, পৰি, অভি, অতি, প্ৰতি, অপি, উপ, আ। এইকেইটাৰ উপৰি অসমীয়া ভাষাত অ, কা, আও, বে, বদ্ আদি আন কিছুমান উপসৰ্গও ব্যৱহাৰ হয়।

৬। উদাহৰণৰ দৰে তলত দিয়া শব্দকেইটা ভাঙি লিখা।

উপকূল ⇒ উপ + কূল
বেদখল ⇒
সুনাম ⇒
বিখ্যাত ⇒
আওবাট ⇒

৭। তলত দিয়া শব্দবোৰেৰে একোটাকৈ বাক্য ৰচনা কৰা—

**থুপাই** ঃ ______________________

**পাৰ্গত** ঃ ______________________

**একাগ্ৰতা** ঃ ______________________

**পুৰুষাৰ্থ** ঃ ______________________

**স্বভাৱ** ঃ ______________________

## জ্ঞান-সম্প্ৰসাৰণ

আমাৰ বিভিন্ন ভাল অভ্যাসবোৰৰ ভিতৰত পুথি অধ্যয়ন অন্যতম। পুথি অধ্যয়নৰ অভ্যাস গঢ়ি তুলিবলৈ আমি পুথিভঁৰালৰ সহায় ল'ব পাৰোঁ। পুথিভঁৰালত অধ্যয়নৰ বাবে বহুতো পুথি থুপাই থোৱা থাকে। তোমালোকৰ বিদ্যালয়তো নিশ্চয় পুথিভঁৰাল আছে। ইয়াৰ উপৰি বিভিন্নধৰণৰ ৰাজহুৱা আৰু চৰকাৰী পুথিভঁৰালো আছে। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ লগে লগে শেহতীয়াকৈ ডিজিটেল লাইব্ৰেৰীৰো প্ৰচলন হৈছে। এইবোৰত বিভিন্ন পুথি ই-বুক আকাৰত থাকে। আমি ডিজিটেল লাইব্ৰেৰীৰপৰা মোবাইল, কম্পিউটাৰ আদিৰ জৰিয়তে ঘৰতেই বহি পুথিসমূহ পঢ়িব পাৰোঁ। তদুপৰি কিছুমান কিতাপ শুনিব পৰাকৈ ডিজিটেল মাধ্যমত শ্ৰাব্য ৰূপত থাকে। বিভিন্ন ধৰণৰ এপ্‌বোৰৰ যোগেদি এইবোৰ লাভ কৰিব পাৰি। এইবোৰক 'অডিঅ' বুক' বুলি কোৱা হয়। তোমালোকে পুথি অধ্যয়ন কৰিবলৈ এনে সুবিধাসমূহ গ্ৰহণ কৰিব পাৰিবা।

ডিজিটেল মাধ্যমত উপলব্ধ কেইটামান পুথিভঁৰালৰ ৱেবছাইটৰ লিংক তলত দিয়া হৈছে— https://ndl.iitkgp.ac.in
https://www.gutenberg.org

৮। তুমি বিদ্যালয়ৰ পুথিভঁৰালত থকা কি কি কিতাপ পঢ়িছা তাৰ এখন তালিকা প্ৰস্তুত কৰা।

**৯। তুমি প্ৰস্তুত কৰা গ্ৰন্থৰ তালিকাখনৰপৰা তোমাৰ ভাল লগা গ্ৰন্থখনৰ বিষয়ে লিখা আৰু শ্ৰেণীত পঢ়ি শুনোৱা —**

- গ্ৰন্থৰ নাম ঃ
- লেখক/সংকলকৰ নাম ঃ
- গ্ৰন্থখন ভাল লগাৰ কাৰণ ঃ
- গ্ৰন্থখনৰপৰা শিকিবলগীয়া ঃ

**১০। প'ষ্টাৰখন পঢ়া আৰু প্ৰশ্নকেইটাৰ উত্তৰ দিয়া —**




(ক) অসম গ্ৰন্থমেলাখন কেতিয়াৰপৰা আৰম্ভ হ'ব?

(খ) গ্ৰন্থমেলাখন ক'ত অনুষ্ঠিত হ'ব?

(গ) গ্ৰন্থমেলাখন কেইবজাৰপৰা কেইবজালৈ খোলা থাকিব?

(ঘ) গ্ৰন্থমেলাখনত কিমান শতাংশ ৰেহাই দিছে?

(ঙ) গ্ৰন্থমেলাখনত কিমানখন বিপণীয়ে অংশ গ্ৰহণ কৰিব?

# প্ৰকল্প

**১১। পাঠ্যপুথিৰ বাহিৰে তোমালোকৰ ঘৰত আন কি কি পুথি আছে—**

(ক) পুথিসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

(খ) সেই পুথিবোৰ তুমি বা ঘৰৰ আন সদস্যই কেনেদৰে সংগ্ৰহ কৰিছা লিখা।

(গ) তোমালোকে আনৰপৰা বা পুথিভঁৰালৰপৰা আনি পঢ়া কিতাপৰ নাম লিখা।

১২। আগৰ ১০ নম্বৰ প্ৰশ্নত থকা প'ষ্টাৰখনৰ আৰ্হিত আন এটা বিষয় লৈ এখন প'ষ্টাৰ প্ৰস্তুত কৰা।

| অৰ্হতা | উপ-অৰ্হতা | ক্ৰিয়া-কলাপৰ নম্বৰ | নিজাববীয়াকৈ পাৰিছে | শিক্ষকৰ সহায়ত পাৰিছে | নিদানমূলক শিক্ষাৰ পাছত পাৰিছে |
|---|---|---|---|---|---|
| C 1.1 | ■ পাঠটোৰ মূল বিন্দুসমূহ চিনাক্ত কৰি ক'ব আৰু লিখিব পাৰিব। | ১, ৩, ৫ | | | |
| C 1.5 | ■ প'ষ্টাৰ প্ৰস্তুত কৰিব পাৰিব | ১২ | | | |
| C 2.2 | ■ প্ৰবচন কেইফাকি বুজি ভাব বহলাই লিখিব পাৰিব। | ৪ | | | |
| C 2.3 | ■ বিভিন্ন উপসৰ্গযুক্ত শব্দ ভাঙি দেখুৱাব পাৰিব। | ৬ | | | |
| | ■ নতুন শব্দৰ অৰ্থ বুজি বাক্যত প্ৰয়োগ কৰিব পাৰিব। | ৭ | | | |
| C-4.1 | ■ পুথিভঁৰালৰ গ্ৰন্থ পঢ়ি পৰ্যালোচনা কৰিব পাৰিব। | ৯ | | | |
| C-4.2 | ■ প্ৰকল্প কৰোঁতে পুথিভঁৰাল ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিব পাৰিব। | ৮, ১১ | | | |
| C-5.3 | ■ শব্দজালৰপৰা অৰ্থযুক্ত শব্দ বিচাৰি উলিয়াব পাৰিব। | ২ | | | |

পাঠ ৪

# ৰোওঁগৈ ব'লা গছৰ পুলি

*গোটেই পৃথিৱীখনেই আমাৰ ঘৰ। এই পৃথিৱীৰ মাটি, পানী, বায়ু, গছ-গছনি, জীৱ-জন্তু আদি আমাৰ পৰিয়ালৰ অংগ। পৰিয়ালটোৰ সকলো সদস্যৰ সুখ-শান্তিৰ বাবে আমি আমাৰ চৌপাশৰ পৰিৱেশ সুন্দৰকৈ ৰাখিবই লাগিব। পৰিৱেশ ৰক্ষাৰ বাবে গছপুলি ৰোপণ হ'ল অন্যতম উপায়। গছে জীৱকুলক আশ্ৰয়, খাদ্য আদিকে ধৰি বিভিন্ন প্ৰকাৰে সহায় কৰে। পাঠটিত গছপুলি ৰোৱাটো এক উৎসৱ হিচাপে প্ৰতিপন্ন কৰিবলৈ প্ৰয়াস কৰা হৈছে।*

পঢ়া —

*(ঘোষকে ক'ব— মাননীয় ৰাইজ, আজিৰপৰা বন মহোৎসৱ আৰম্ভ হৈছে। আমাৰ চুবুৰিৰ মইনাহঁতে বন মহোৎসৱ কেনেকৈ পালন কৰিবলৈ ওলাইছে এয়া চাওকচোন)*

**প্ৰথম দৃশ্য**

(পঢ়া কোঠাৰ টেবুলত মননে গুণ্‌গুণকৈ গান এটা গাই ছবি আঁকি আছে। তেনেতে তাৰ লগতে ষষ্ঠ শ্ৰেণীত পঢ়া সুমনা আৰু ৰিতুপন সোমাই আহিব।)



**মনন** ঃ ৰং আহে পাখি মেলি
ৰং আহে পাখি মেলি
ওলালে সৌ নতুন বেলি
আহা সবে ৰং মেলালৈ যাওঁ।
(সুমনা আৰু ৰিতুপন সোমাই আহে)

**সুমনা** ঃ বাঃ মনন, ছবিও আঁকিছা, গানো গাইছা। একদম বেলেগ আৰু দেই।

**মনন** ঃ বহা সুমনা, ৰিতুপন বহা (সুমনাহঁত চকীত বহিব)।

**ৰিতুপন** ঃ কি আঁকিছা মনন? *(ছবিখনলৈ ডিঙি মেলি চাই)* এজোপা গছ, দুফালে দুটা ডাল। ফেৰেঙণিৰ ওপৰ অংশত দেখোন এখন মানুহৰ মুখ। চকু, নাক, ওঁঠ; ওপৰত জোপোহা হৈ থকা পাতখিনি চুলিৰ নিচিনা লাগিছে।

**সুমনা** ঃ *(ছবিখনলৈ চাই থাকি)* ইয়ে ভাই, ডাল দুটাও দুখন হাত যেন লাগিছে। এটা ডালত ফল, ইটো ডালত ফুল।

**মনন** ঃ আজিৰপৰা বন মহোৎসৱ সপ্তাহ আৰম্ভ হ'লেই নহয়। এই ছবিখন মই প্ৰদৰ্শনীত দিম। ভাবি চোৱাচোন, চাবলৈ গ'লে গছবিলাক আমাৰ মৰমিয়াল আপোন মানুহৰ নিচিনা নহয়নে বাৰু? ফুল দিয়ে, ফল দিয়ে, শীতল ছাঁ দিয়ে। মই ছবিখনত সেই ভাবটোকে ফুটাই তুলিব খুজিছোঁ। ওপৰত গছজোপাৰ ফালে উৰি অহা এজাক চৰাই দিম, তলৰ ছাঁত এজন মানুহ বহি থাকিব।

**ৰিতুপন** ঃ ছবিখন বেলেগ ভাল লাগিছে দেই।

**সুমনা** ঃ আমাৰ আকাশীয়ে কি সাজিছে জানা? সৰু গছৰ মূঢ়া এটাত লাগি থকা গা-গছ ডোখৰত ৰং দিছে, চকু-মুখ আঁকি মানুহৰ নিচিনা কৰিছে। ওপৰৰ কটা অংশটো ৰঙা, যেন সেইবোৰ তেজহে। চকুৰ তলত গছজোপা কাঁটোতে বৈ আহি গোট মৰা আঠাৰ টোপালবিলাকতো ৰঙচুৰা ৰং দিছে।



**মনন** ঃ অঁ, অঁ, আকাশীয়ে মোক কৈছিল। কাটি পেলোৱা গছজোপাৰ যেন সেয়া বুকু ফাটি তেজহে বৈ আহিছে।

**ৰিতুপন** ঃ সঁচাকৈয়ে গছৰ জীৱ আছে যেন লাগি যায়, নহয়? আমাৰ দেশৰ বিজ্ঞানী এজনে কৈছিল যে, গছৰ প্ৰাণ আছে।

**সুমনা** ঃ ওঁ, ছাৰ জগদীশচন্দ্ৰ বসুৱে কৈছিল।

**মনন** ঃ শনিবাৰে জিলা পুথিভঁৰালত বন মহোৎসৱ সপ্তাহৰ সামৰণী সভা হ'ব। আমাক স্কুলৰ বৰ্ণালী বাইদেৱে তালৈ লৈ যাব।

**ৰিতুপন** ঃ মইতো যামেই। আমাৰ মানুকণহঁতে, মানে 'ক' শ্ৰেণীৰ ল'ৰা-ছোৱালীবিলাকে নাচি নাচি গান এটা গাবগৈ নহয়।

**সুমনা** ঃ (মাদলৰ সুৰত) ধম্ ধমা ধম্, ধম্ ধমাধম্, ধম্ ধমাধম্ ধম্। (*সুমনা আৰু ৰিতুপনে সুৰ লগাই গাব*)

**ৰিতুপন + সুমনা** ঃ ফুলো দিব, ফলো দিব, আৰু দিব ছাঁ।
বেয়া বতাহ শোধন কৰি, জুৰ পেলাব গা।
ধম্ ধমাধম্, ধম্ ধমাধম্, ধম্ ধমাধম্ ধম্।

**ৰিতুপন** ঃ মোৰ জানা, প্ৰতিযোগিতালৈ ৰচনাখন লিখি পঠোৱা হোৱাই নাই। আজি দিব লাগিবই নহয়।

**সুমনা** ঃ মই কালিয়েই শেষ কৰি বৰ্ণালী বাইদেউৰ হাতত দি আহিলোঁ।

**মনন** ঃ ৰিতুপন, তুমি আগবেলাত ৰচনাখন শেষ কৰি বাইদেউৰ হাতত দি আহা। তাৰ পাছত আমি আমাৰ চুবুৰিটোতো বন মহোৎসৱ পাতোঁ। আজি আবেলি পৰত গৈ আমাৰ খেল-পথাৰখনৰ চাৰিও দাঁতিতে গছপুলি কিছুমান ৰুই দিওঁগৈ।

**ৰিতুপন** ঃ বৰ ভাল কথা হ'ব। আমি গছতলে গছতলে বিচাৰিলে বহুতো গছপুলি পাম। আমলখি, শিলিখা, তেঁতেলী, বগৰী, কাঞ্চনফুলৰ পুলি।

**সুমনা** ঃ কিন্তু পুলিবোৰ যে গৰু-ছাগলীয়ে খাই পেলাব!

**ৰিতুপন** ঃ ক্লাবৰ নবীনদা, দীপদা, বাবুল দাদাহঁতে জেওৰা দি বেৰি দিব। তেওঁলোকক আমি গৈ ক'লেই হ'ল।

**মনন** ঃ ঠিক আছে, আমি তিনিমান বজাত গৈ সেন্দূৰী আমজোপাৰ তলতে গোট খাম। মানুকণ, ৰিম্‌জিম্, আকাশী—সিহঁতকো ক'বা। মগ-বাল্টি লৈ আহিব। ৰোৱা পুলিবিলাকত পানী দিব লাগিব।

**সুমনা** ঃ চবকে হাতে হাতে কোৰ, খন্তি, হাতোৰা লৈ আহিবলৈ ক'ম, নহয় জানো?

**মনন** ঃ অ' ক'বা। চোৱা ৰিতুপন, তোমালোকৰ ঘৰত যে শুকান গোবৰ গুড়ি কৰি থোৱা আছে, তাৰে এমোনা লৈ আহিবা।

**ৰিতুপন** ঃ আমি এতিয়া তেনে যাওঁ হে।

**সুমনা** ঃ সেন্দূৰী আমৰ তলত লগ পাম। (*দুয়ো যায়গৈ*)

## দ্বিতীয় দৃশ্য

*(হাতত বাস্কেট বেগ এটাত গছপুলি লৈ চায়েৰা, লগত মনাইশ্ৰী আৰু বুধুৰা মঞ্চলৈ সোমাই আহে। ঠাইখন মননহঁতৰ পদূলি)*

**চায়েৰা** ঃ অ' মনন। ওলাইছা নেকি?
*(হাতত খন্তি এখন লৈ মনন ওলাই আহিব)*

**মনন** ঃ চায়েৰা, তোমালোকক কোনে খবৰ দিলে?

**বুধুৰা** ঃ চোৰাচোন মনন, মালতী পেহীয়ে এয়া বিলাতী মধুৰিৰ পুলি কেইটামান দি পঠাইছে।

**মনাইশ্ৰী** ঃ ৰঘু খুৰাই সাৰ আৰু দৰব দি ধুনীয়াকৈ পুলিবোৰ বান্ধি বান্ধি দিছে, গাঁত খানি ৰুলেই হ'ব।

**মনন** ঃ সৌৱা সুমনা, ৰিতুপন, ৰূপক, আকাশী, আকাশ ভাইটি, মানুকণ— গোটেইমখা আহিছে। *(হাতে হাতে গছৰ পুলি লৈ হাঁহি-মাতি কথা পাতি ল'ৰা-ছোৱালীমখাৰ প্ৰৱেশ)*

**ৰিতুপন** ঃ তোমালোক কেতিয়াবাৰেপৰা বৈ আছা নেকি? আমি আহি থাকোঁতে বাটতে মাণিক বৰদেউতাৰ ঠেলা গাড়ীখনৰ সৈতে 'ৰামদয়াল ককা'ক পালোঁ। তাতে কোৰ-কটাৰী, গোবৰৰ মোনা, মগ, বাল্টি গোটেইবিলাক তুলি দিলোঁ। ককাই একদম খেলপথাৰত থৈ আহিবগৈ। মাণিক বৰদেউতাই কথাটো শুনি খুব ভাল পাইছে।

**ৰূপক** ঃ বৰদেউতাই আমাক গৈ সহায়ো কৰি দিব বোলে।

**সুমনা** ঃ কাম হৈ যোৱাৰ পাছত পৱন খুৰাই আমাক বুট-নাৰিকল খুৱাব। জগত খুৰাৰ খুৰীয়ে আকৌ পকাকল এথোকা পঠাই দিব।

**মানুকণ** ঃ বা-আ, বা-আ,
বুট-নাৰিকল
আৰু পকাকল
কেনে মজা
বেঙেনা ভজা। *(মানু ভণ্টীয়ে স্ফূৰ্তিতে এপাক ঘূৰি দিয়ে)*

**মনন** ঃ আমি এতিয়া খেল-পথাৰলৈকে যাওঁ ব'লা। চুকুমণি, লক্ষী, মনুবাহঁত আহি নাপালেহি দেখোন!

**ৰিতুপন** ঃ তেওঁলোক বাহিৰে বাহিৰেই খেল-পথাৰলৈ গৈছে।

**সুমনা** ঃ তেনে ভালেই হ'ল। আহা আমি শাৰী পাতি সমদল কৰি যাওঁ।
*(সকলোৱে শাৰী পাতি থিয় হয়)*

**চায়েৰা ঃ** বৰ মজা লাগিছে দেই।
গান-তান এটাও গাই যাব
পৰা হ'লে!

**ৰিতুপন ঃ** মই লগাই দিম,
তোমালোকে গাবা।
*(ৰিতুপনে গান লগায়।
সকলোৱে গাই গাই ওলাই
যাব)*
যাওঁ ওলাই সকলোটি
ৰোওঁগৈ ব'লা গছৰপুলি
ধৰণীখন সেউজীয়া
বোলেৰে বোলাওঁ।
ফুল ফুলক গছে গছে
গুটি লাগক বিধে বিধে
ৰঙে-ৰসে ফুলে-ফলে পৃথিৱী সজাওঁ।



*(ল'ৰা-ছোৱালীবিলাক ওলাই যোৱাৰ পিছত পট পৰিব।)*

— কেশদা মহন্ত

**উৎস ঃ** ড° নৱ কুমাৰ চমুৱা সম্পাদিত, '**শিশুৰ মৌ-কোঁহ** কেশদা মহন্তৰ শিশু সাহিত্য সমগ্ৰ', প্ৰথম সংস্কৰণ, জুন, ২০২১, বাপচন্দ্ৰ মহন্ত-কেশদা মহন্ত ট্ৰাষ্ট, যোৰহাট, পৃষ্ঠা নং- ৪২০-৪২৩

*(নাটিকাখন পাঠ্যপুথিৰ প্ৰস্তুতৰ নীতি আৰু পাঠৰ শিকন ফলাফলৰ প্ৰতি লক্ষ্য ৰাখি সামান্য সালসলনি কৰা হৈছে।)*



**নাট্যকাৰৰ পৰিচয় ঃ** কেশদা মহন্ত (১৯৩৯-২০১৮ খ্ৰীষ্টাব্দ) এগৰাকী গৱেষক, সমালোচক আৰু শিশু সাহিত্যিক। তেওঁ ৰচনা কৰা কেইখনমান শিশু উপযোগী গ্ৰন্থ হ'ল— মহাভাৰতৰ সাধু দুটামান কওঁ, ৰঘুবংশৰ কথা, ৰামায়ণৰ সাধু দুটামান কওঁ, মৌ-কোঁহৰ কৰ্মী প্ৰজা, সেউজী ধৰণী ধুনীয়া আদি। তেওঁ 'জগদ্ধাত্ৰী-হৰমোহন দাস সাহিত্য বঁটা', অসম সাহিত্য সভাৰ 'বাসন্তী বৰদলৈ সোঁৱৰণী বঁটা' আৰু 'দুৰ্গাধৰ বৰকটকী সোঁৱৰণী বঁটা' আদিৰে সন্মানিত হয়। ইয়াৰ উপৰি তেওঁ 'অসমীয়া ৰামায়ণী সাহিত্য ঃ কথাবস্তুৰ আঁতিগুৰি' গ্ৰন্থৰ বাবে ২০১০ খ্ৰীষ্টাব্দত 'সাহিত্য অকাডেমি বঁটা' লাভ কৰে।

## ক্ৰিয়া-কলাপ

### পাঠভিত্তিক

**১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই সঠিক ○ বৃত্তটো পূৰ কৰা—**

● নাটিকাখনৰ প্ৰথম দৃশ্যত গুণ্‌গুণ্‌কৈ গীত গাই কোনে ছবি আঁকি আছিল?

(ক) সুমনাই　　(গ) মননে
(খ) ৰিতুপনে　　(ঘ) আকাশীয়ে

(ক) (খ) (গ) (ঘ)

● সুমনাই সকলোকে হাতে হাতে কোৰ, খন্তি, হাতোৰা লৈ আহিবলৈ কিয় কৈছিল?

(ক) গছৰ পুলিত পানী দিবৰ বাবে
(খ) শুকান গোবৰ গুড়ি কৰিবৰ বাবে
(গ) গছৰ পুলি ৰুবৰ বাবে
(ঘ) গছৰ পুলিবোৰ জেওৰাৰে বেৰিবৰ বাবে

(ক) (খ) (গ) (ঘ)

২। তুমি ওপৰৰ দ্বিতীয় প্ৰশ্নৰ উত্তৰটো কিয় শুদ্ধ বুলি বাছি ল'লা? সহপাঠীৰ লগত আলোচনা কৰি কোৱা।

**৩। তলত দিয়া শব্দবোৰৰ অৰ্থ অভিধান চাই লিখা।**

ফেৰেঙণি, প্ৰদৰ্শনী, জোপোহা, বন মহোৎসৱ, শীতল, খন্তি

৪। পাঠটোৰ দ্বিতীয় ছবিখনত কাহিনীটোৰ কোনটো অংশ প্ৰকাশ পাইছে আলোচনা কৰি তলত দিয়া বাকচত লিখা।

৫। তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ কোৱা আৰু লিখা।

(ক) মননে ছবিখন কিয় আঁকিছিল?

(খ) গছে আমাক কি কি দিয়ে বুলি মননে কৈছে?

(গ) আকাশীয়ে গছৰ মূঢ়াটোৰ গা-গছ আৰু আঠাৰ টোপালত দিয়া ৰঙা ৰংটোৰে কি সূচাইছে?

(ঘ) বন মহোৎসৱ সপ্তাহৰ সামৰণী সভাখন ক'ত অনুষ্ঠিত হ'ব?

(ঙ) পৱন খুৰাই মননহঁতক কি খুৱাব বুলি কৈছিল?

(চ) 'যাওঁ আহা সকলোটি'— শীৰ্ষক গানটো কোনে গাবলৈ আৰম্ভ কৰিছিল?

৬। তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ আলোচনা কৰি কোৱা আৰু লিখা।

(ক) মননে ছবিখনৰ জৰিয়তে কি ভাব ফুটাই তুলিব বিচাৰিছে?

(খ) সুমনাই গছৰ পুলিবোৰ ৰোৱাৰ পাছত সেইবোৰৰ কি হ'ব বুলি শংকা কৰিছে? তাইৰ এই শংকা কোনে, কেনেদৰে দূৰ হ'ব বুলি কৈছে?

(গ) মননহঁতে গছৰ পুলি ৰোৱাৰ পৰিকল্পনা কেনেদৰে কৰিছিল?

৭। কোনে, কাক আৰু কি প্ৰসংগত কৈছিল লিখা।

(ক) "আমাৰ মানুকণহঁতে, মানে 'ক' শ্ৰেণীৰ ল'ৰা-ছোৱালীবিলাকে নাচি নাচি গান এটা গাবগৈ নহয়।"

(খ) "তোমালোকৰ ঘৰত যে শুকান গোবৰ গুড়ি কৰি থোৱা আছে, তাৰে এমোনা লৈ আহিবা।"

৮। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা—

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| মালতী পেহীয়ে | খুব ভাল পাইছে। |
| জোপোহা হৈ থকা পাতখিনি | পকা কল এথোকা পঠাই দিব। |
| ঘোষকে ক'ব | চুলিৰ নিচিনা লাগিছে। |
| মাণিক বৰদেউতাই কথাটো শুনি | মাননীয় ৰাইজ, আজিৰপৰা বন মহোৎসৱ আৰম্ভ হৈছে। |
| জগত খুৰাৰ খুৰীয়ে | বিলাতী মধুৰিৰ পুলি কেইটামান দি পঠাইছে। |

৯। নাটিকাখনত পোৱা ভাৰৱীয়াসকলৰ নামসমূহ বিচাৰি উলিয়াই এখন তালিকা প্ৰস্তুত কৰা।

## ভাষা-অধ্যয়ন

### জানো আহা—

★ সেন্দূৰী **আমজোপা** আমাৰ চুবুৰিৰ সোঁমাজত আছে।

★ আমাৰ **চুবুৰিটো** বৰ ধুনীয়া।

★ মাণিক বৰদেউতাৰ **ঠেলাগাড়ীখন** ৰামদয়ালে চলায়।

ছাত্ৰ-ছাত্ৰীসকল, ওপৰৰ বাক্যকেইটিলৈ মন কৰাচোন। প্ৰথম বাক্যটোত আম শব্দৰ লগত **জোপা**, সেইদৰে দ্বিতীয় বাক্যটোত চুবুৰি শব্দৰ লগত **টো** আৰু তৃতীয় বাক্যটোত থকা গাড়ী শব্দৰ লগত **খন** যোগ হৈছে।

ইয়াৰ উপৰি অসমীয়া ভাষাত **-জন, -জনী, -গৰাকী, -টা, -টি, -কণ, -কণি, -খিলা,-চটা, -ডাল, -ডালি, -খন, -খনি, -গছ, -গছি, -পাট, -পাটি** আদি নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ হয়।

১০। 'ক' অংশৰ শব্দবোৰৰ লগত 'খ' অংশত থকা নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰ লগ লগাই শব্দ লিখা।

| 'ক' অংশ | 'খ' অংশ | |
|---|---|---|
| ছবি | -টো | |
| আঁহত | -খন | ⇒ ছবিখন |
| পুখুৰী | -জোপা | |
| ছোৱালী | -চটা | |
| কাঠ | -জনী | |

১১। তলত দিয়া শব্দবোৰ পঢ়া আৰু কোনটো কি পদ চিনাক্ত কৰি তালিকাখন পূৰ কৰা—

মনন চকু তাই আৰু মই দিওঁ চুবুৰি

ধুনীয়া আহা সিহঁত ভাল যদি আমি জেওৰা

| বিশেষ্য | বিশেষণ | সৰ্বনাম | অব্যয় | ক্ৰিয়া |
|---|---|---|---|---|
| | | | | |

১২। বাক্য ৰচনা কৰা—

প্ৰদৰ্শনী, খেলপথাৰ, ধৰণী, পুথিভঁৰাল, গছপুলি

১৩। পাঠটোৰপৰা যুৰীয়া শব্দবোৰ বিচাৰি লিখা।

যেনে— চকু-মুখ

## জ্ঞান-সম্প্ৰসাৰণ

**জানি থওঁ আহা—**

ছাত্ৰ-ছাত্ৰীসকল, তোমালোকে নাটিকাখনৰ আৰম্ভণিতে থকা 'ঘোষক' শব্দটোলৈ মন কৰিছানে? যিকোনো এটা বিষয় আনৰ সন্মুখত পৰিৱেশন কৰাৰ আগতে সেই বিষয়ে কিছু আভাস দিয়া হয়। এই আভাস দিয়া বা আঁত ধৰা ব্যক্তিজনক 'ঘোষক' বুলি কোৱা হয়। সেইদৰে অংকীয়া ভাওনাতো সূত্ৰধাৰে ভাওনাৰ আৰম্ভণিতে আৰু মাজে মাজে দৃশ্যসমূহৰ চমু বিৱৰণ দাঙি ধৰে।

১৪। 'ৰোওঁগে ব'লা গছৰ পুলি' শীৰ্ষক নাটিকাখনি শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰী লগ হৈ অভিনয় কৰা।

১৫। নাটিকাখনত মানুকণে গোৱা গীতটিত বেঙেনাৰ সলনি বাদাম আৰু আলু শব্দ দুটা বহুৱাই গীতটি গাওঁ আহা—

| | | |
|---|---|---|
| বা—আ, বা—আ | বা—আ, বা—আ | বা—আ, বা—আ |
| বুট নাৰিকল | বুট নাৰিকল | বুট নাৰিকল |
| আৰু পকাকল | আৰু পকাকল | আৰু পকাকল |
| কেনে মজা | কেনে মজা | কেনে মজা |
| বেঙেনা ভজা। | ........... ভজা। | ........... ভজা। |

১৬। নাটিকাখনত ৰিতুপনে তলত দিয়া ধৰণে কোৱাৰ পাছত সুমনাহঁতে অন্য কেনেধৰণৰ সংলাপ ক'ব পাৰিলেহেঁতেন লিখা।

**ৰিতুপন** ঃ সঁচাকৈয়ে গছৰ জীৱ আছে যেন লাগি যায়, নহয়? আমাৰ দেশৰ বিজ্ঞানী এজনে কৈছিল যে, গছৰ প্ৰাণ আছে।

**সুমনা** ঃ ....................................................................................................

**মনন** ঃ ....................................................................................................

শিক্ষকে ছাত্ৰ-ছাত্ৰীক নাটখনি অভিনয় কৰিবলৈ শিকাই বাৰ্ষিক বঁটা বিতৰণী সভাৰ সাংস্কৃতিক অনুষ্ঠানত পৰিৱেশন কৰাৰ ব্যৱস্থা কৰিব।

১৭। বন মহোৎসৱ সম্পৰ্কে এটা দফা লিখা।

**তলত দিয়া কথাখিনি ভাবি চাওঁ আহা—**

তোমালোকে গছৰ পুলি ৰোৱাৰ উপকাৰিতা সম্পৰ্কে পাঠটোৰপৰা জানিলা। গছৰ উপকাৰিতাৰ সম্পৰ্কে মহাভাৰততো এনেদৰে উল্লেখ আছে—

"অৰাবপি উচিতং কাৰ্য্য-মাতিথ্যং গৃহমাগতে।
ছেতুমাগতে ছায়াং নোপসংহৰতে দ্ৰুমঃ।।"

(মহাভাৰতৰ শান্তি পৰ্ব, অধ্যায়-১৪৬, শ্লোক নং-৫)

[শত্ৰু হ'লেও ঘৰলৈ অহা অতিথিক যথাযথ সেৱা-শুশ্ৰূষা কৰা উচিত। কিয়নো, গছ কাটিবলৈ অহা লোকজনক গছে কেতিয়াও ছাঁ নিদিয়াকৈ নাথাকে।]



১৮। মাদলৰ চেৰে চেৰে ঝুমুইৰ গীতটি লগে ভাগে গাই নাচোঁ আহা—

চাহ গাছেৰ মাঝে মাঝে শিৰীষ গাছেৰ পুলি
তাৰ মাঝে আছে ৰে ভাই কাঁইচ কাটা আলি,
ৰে পানীৱালা, পানী পিলাতই গলি গলি।

এত বড় বাগানে ধৰাই দিল পাহী
চাইৰ' দিগে দেখিৰে গ' সুৰু সুৰু আলি,
হাই চানাৱালা, চানা বেচতই গলি গলি।

ত্ৰা না নাইৰে
নাইৰে গ'
ত্ৰানা নাইৰে নাই
ত্ৰা না নাইৰে
নাইৰে গ'
ত্ৰানা নাইৰে নাই।



সংগ্ৰাহক ঃ পাপৰি মুণ্ডা
খোৱাং, ডিব্ৰুগড়।

## প্ৰকল্প

১৯। তোমালোক প্ৰত্যেকে স্থানীয়ভাৱে পোৱা এজোপা গছৰ পুলি ৰুই প্ৰতিপালন কৰা। প্ৰতিমাহে পুলিটোৰ বৃদ্ধি লক্ষ্য কৰি টোকাবহীত লিখা।

২০। তোমাৰ বিদ্যালয় বা ঘৰত থকা গছ-গছনিবোৰৰ নাম লিখি আকৃতিগত মিল থকা একোটিকৈ পাত সংগ্ৰহ কৰি এখন বহীত আঠা লগাই বিদ্যালয়ত জমা দিবা।

প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক ঝুমুইৰ গীতটিত নাচিবলৈ শিকাব। প্ৰয়োজন সাপেক্ষে স্থানীয় অভিজ্ঞ শিল্পীৰ সহায় ল'ব। গীতটিৰ বাবে দৃশ্য-শ্ৰাব্য সঁজুলিৰ ব্যৱহাৰ কৰিব। বিদ্যালয়ৰ সভা-সমিতিত নৃত্যটি প্ৰদৰ্শন কৰোৱাৰ ব্যৱস্থা কৰিব।

| অৰ্হতা | উপ- অৰ্হতা | ক্ৰিয়া-কলাপৰ নম্বৰ | নিজাববীয়াকৈ পাৰিছে | শিক্ষকৰ সহায়ত পাৰিছে | নিদানমূলক শিক্ষাৰ পাছত পাৰিছে |
|---|---|---|---|---|---|
| C 1.1 | ■ পাঠটোৰ মূলবিন্দুসমূহ চিনাক্ত কৰি ক'ব আৰু লিখিব পৰা। | ১, ২, ৪, ৫, ৬, ৭, ৮, ৯<br>১৮ | | | |
| C 1.4 | ■ দফা লিখিব পাৰিব। | ১৪ | | | |
| | ■ অভিনয় কৰিব পাৰিব। | ১৯ | | | |
| C 1.5 | ■ গীত গাব আৰু নাচিব পাৰিব। | ২০, ২১ | | | |
| | ■ সংগৃহীত সমল ব্যৱহাৰ কৰি এলবাম প্ৰস্তুত কৰিব পাৰিব। | ১৩ | | | |
| C 2.1 | ■ যুৰীয়া শব্দ চিনাক্ত কৰিব পাৰিব। | ১৭ | | | |
| C-2.3 | ■ ছবি চাই মত প্ৰকাশ কৰিব পাৰিব। | ২০ | | | |
| | ■ নিজে কৰা পৰিৱেশ সজাগতামূলক কাৰ্যৰ পৰিৱৰ্তন অনুধাৱন কৰি লিখনৰ জৰিয়তে প্ৰকাশ কৰিব পাৰিব। | | | | |
| C-3.1 | ■ নতুন শব্দৰ অৰ্থ জানিবলৈ অভিধান ব্যৱহাৰ কৰিব পাৰিব। | ৩ | | | |
| | ■ নিৰ্দিষ্টতাবাচক প্ৰত্যয় কথন আৰু লিখনত প্ৰয়োগ কৰিব পাৰিব। | ১০ | | | |
| | ■ বাক্য ৰচনা কৰিব পাৰিব। | ১২ | | | |
| | ■ পদ শ্ৰেণীভুক্ত কৰিব পাৰিব। | ১১ | | | |
| C-5.3 | ■ উপযুক্ত ভাষা আৰু শৈলী ব্যৱহাৰ কৰি কবিতা আৰু নাটক লিখিব পাৰিব। | ১৫, ১৬ | | | |

পাঠ ৫

# ৰিম ঝিম ৰিম ঝিম বৰষুণ আহে

*খৰালি কালত বৰষুণৰ পৰিমাণ কম হয়। বৰষুণৰ অভাৱত গছ-গছনিবোৰ নিস্তেজ হৈ পৰে। কিন্তু বাৰিষা কালৰ বৰষুণৰ ফলত চৌপাশ সেউজীয়া আৰু সজীৱ হৈ পৰে। নৈ-বিল, খাল-ডোং আদি পানীৰে উপচি পৰে। কেতিয়াবা এই বৰষুণৰ পানী বাট-পথৰ লগতে ঘৰৰ চোতালতো ভৰি পৰে। কণ কণ ল'ৰা-ছোৱালীহঁতে কাগজৰ নাও সাজি এই পানীত ওমলে। কবিতাটোৰ জৰিয়তে কবিয়ে বৰ্ষাকালৰ মনোৰম সৌন্দৰ্যৰ মাজত শৈশৱৰ ধেমালিৰ ছবি এখন প্ৰকাশ কৰিছে।*

**পঢ়া আৰু আবৃত্তি কৰা —**

যেতিয়া পথাৰ থাকে
ৰ'দত শুকাই
গছৰ সেউজী পাত
থাকে দোঁ খাই
এটোপা দুটোপা কৰি
বৰষুণ আহে
গছ-লতা ঘাঁহ-বনে
মিচিকি হাঁহে।
ৰিম ঝিম ৰিম ঝিম
বৰষুণ আহে।



ইমান পানীৰ টোপ
নোৱাৰোঁ গণিব
ভাল পাওঁ ৰিম ঝিম
গীতহে শুনিব।
লগে লগে নাচি নাচি
পূবালী বতাহে
আমাৰ লগত যেন
পাতেহি কথাহে
ৰিম ঝিম ৰিম ঝিম
বৰষুণ আহে।
ডাৱৰে ওফোন্দ পাতে
বিজুলীয়ে হাঁহে
আকাশৰ চকুপানী
বৰষুণ আহে।

ইমান টোপালবোৰ
অকণি অকণি
নোৱাৰোঁ কৰিব শেষ
গণি গণি গণি
বৰষুণ আঁতৰিলে
বাজলে' ওলাওঁ
মেলি দিওঁ নিজৰাত
কাগজৰ নাও।



ঢৌৰে ঢৌৰে নাচি নাও
যায় লাহে লাহে
নীলা আকাশত যেন
জোনটি হে ভাহে
ৰিম ঝিম ৰিম ঝিম
বৰষুণ আহে।

— নৰকান্ত বৰুৱা

**উৎস ঃ** গগনচন্দ্ৰ অধিকাৰী সম্পাদিত 'নৰকান্ত বৰুৱা শিশু-সাহিত্য সমগ্ৰ (প্ৰথম খণ্ড)', অক্টোবৰ-২০০৩, অন্বেষা, গুৱাহাটী-৭৮১০০৩, পৃষ্ঠা—২৩৮



**কবি পৰিচয় ঃ** নৰকান্ত বৰুৱা (১৯২৬-২০০২ খ্ৰীষ্টাব্দ) এগৰাকী কবি, ঔপন্যাসিক আৰু শিশু-সাহিত্যিক। 'এখুদ ককাইদেউ' ছদ্মনামেৰে তেওঁ বহু শিশু-সাহিত্য ৰচনা কৰিছিল। শিয়ালী পালেগৈ ৰতনপুৰ, ভ-ত উ-কাৰে ভু, মাখনৰ কুকুৰা পোৱালী, মই টুনীয়ে টুনটুনালোঁ আদি তেখেতৰ কেইখনমান শিশু উপযোগী পুথি। এইজনা সাহিত্যিকে 'ককাদেউতাৰ হাড়' নামৰ উপন্যাসখনৰ বাবে 'সাহিত্য অকাডেমি বঁটা' লাভ কৰিছিল। তদুপৰি তেওঁ 'অসম প্ৰকাশন পৰিষদ বঁটা', 'অসম উপত্যকা বঁটা' আদিও লাভ কৰিছিল। ভাৰত চৰকাৰে তেওঁক 'পদ্মভূষণ' সন্মানেৰে বিভূষিত কৰিছিল। তেওঁ অসম সাহিত্য সভাৰ সভাপতিৰ আসনো অলংকৃত কৰিছিল।

## ক্ৰিয়া-কলাপ

### পাঠভিত্তিক

১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই সঠিক ○ বৃত্তটো পূৰ কৰা—

● ৰ'দত গছৰ সেউজী পাতবোৰ কিদৰে থাকে?

(ক) হাঁহি থাকে (গ) নাচি থাকে
(খ) দোঁ খাই থাকে (ঘ) ওফোন্দ পাতি থাকে

(ক) (খ) (গ) (ঘ)

● কবিয়ে কবিতাটোত কি গণিব নোৱৰাৰ কথা কৈছে?

(ক) পানীৰ টোপ (গ) সেউজী পাত
(খ) ঘাঁহ-বন (ঘ) পূবালী বতাহ

(ক) (খ) (গ) (ঘ)

২। শব্দ-অৰ্থ মিলাওঁ আহা—

| শব্দ | অৰ্থ |
|---|---|
| দোঁ খাই | বাহিৰলৈ |
| ওফোন্দ | ওপঙে |
| বাজলৈ' | বেঁকা হৈ মূৰ তল কৰি |
| ভাহে | ঠেহ |

৩। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ কোৱা আৰু লিখা।

(ক) কবিয়ে পথাৰ আৰু গছৰ সেউজী পাতবোৰ ৰ'দত কেনেদৰে থাকে বুলি কৈছে?
(খ) কবিয়ে পানীৰ টোপালবোৰ কিয় গণি শেষ কৰিব নোৱাৰোঁ বুলি কৈছে?
(গ) কবিয়ে কি গীত শুনি ভাল পায়?
(ঘ) কবিতাটোত কোনে কোনে হাঁহে, ওফোন্দ পাতে আৰু চকুপানী টোকে বুলি কৈছে?
(ঙ) কবিয়ে কাগজৰ নাও কেতিয়া আৰু ক'ত মেলি দিয়ে?
(চ) কবিয়ে কোনে, ক'ত আৰু কি হৈ ভাহে বুলি কৈছে?

৪। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ বাছি উলিয়াই শব্দজালত ঘেৰ দিয়া আৰু লিখা।

| | | | |
|---|---|---|---|
| গ | পূ | বা | লী |
| ছ | গ | ণি | ব |
| ৰ | আ | কা | শ |
| ব | ৰ | ষু | ণ |

(ক) কবিয়ে কি বতাহে নাচি নাচি কথা পাতেহি বুলি কৈছে?

(খ) কবিয়ে পানীৰ টোপ কি কৰিব নোৱাৰোঁ বুলি কৈছে?

(গ) কাৰ সেউজী পাত দোঁ খাই থাকে?

(ঘ) কবিয়ে ৰিম ঝিম ৰিম ঝিমকৈ কি অহাৰ কথা কৈছে?

৫। তলত দিয়া কবিতাৰ স্তৱককেইটা গদ্যৰূপত লিখা আৰু পঢ়া।

উদাহৰণ—

| পদ্যৰূপ | গদ্যৰূপ |
|---|---|
| এটোপা দুটোপা কৰি বৰষুণ আহে গছ-লতা ঘাঁহ-বনে মিচিকি হাঁহে। | যেতিয়া এটোপ দুটোপকৈ বৰষুণ পৰে, তেতিয়া গছ-লতা, ঘাঁহ-বনে মিচিকিয়াই হাঁহে। অৰ্থাৎ, বৰষুণৰ পানী পাই গছ-লতা, ঘাঁহ-বনবোৰ সজীৱ হৈ উঠে। |
| ইমান পানীৰ টোপ নোৱাৰোঁ গণিব ভাল পাওঁ ৰিম ঝিম গীতহে শুনিব। | |
| বৰষুণ আঁতৰিলে বাজলে' ওলাওঁ মেলি দিওঁ নিজৰাত কাগজৰ নাও। | |

৬। কবিতাটোৰপৰা অন্ত্যধ্বনি মিল থকা শব্দবোৰ মিলাই লিখা।

| | |
|---|---|
| শুকাই | কথাহে |
| আহে | গণি |
| গণিব | নাও |
| ৰতাহে | খাই |
| অকণি | শুনিব |
| ওলাওঁ | হাঁহে |

৭। কবিতাটিৰ মূলভাব কোৱা আৰু লিখা।

## ভাষা-অধ্যয়ন

৮। তলত দিয়া শব্দকেইটাৰ বিপৰীত অৰ্থ বুজোৱা শব্দবোৰ কবিতাটোৰপৰা বাছি উলিয়াই লিখা।

কান্দে — ডুবে — আৰম্ভ —

পাৰোঁ — জপাই — সোমাওঁ—

৯। বাক্য ৰচনা কৰা—

**পথাৰ** ঃ ____________________

**বৰষুণ** ঃ ____________________

**ডাৱৰ** ঃ ____________________

**নিজৰা** ঃ ____________________

**নাও** ঃ ____________________

জানো আহা—

'ৰিম ঝিম ৰিম ঝিম
বৰষুণ আহে'

কবিতাফাকিত 'ম' ধ্বনিটো বাৰে বাৰে উচ্চাৰিত হৈছে। এনেদৰে কোনো সাদৃশ্য থকা ব্যঞ্জন ধ্বনি পুনৰাবৃত্তি হ'লে তাক **অনুপ্ৰাস** অলংকাৰ বুলি কয়। শৰীৰত পিন্ধা অলংকাৰে মানুহৰ সৌন্দৰ্য বৃদ্ধি কৰাৰ নিচিনাকৈ সাহিত্যত ব্যৱহৃত এনেধৰণৰ অলংকাৰে গদ্য বা পদ্যক শুৱলা কৰি তোলে।

## ১০। পঢ়া আৰু লিখা।

(ক) তলত দিয়া পদ্যফাকিত বাৰে বাৰে উচ্চাৰিত হোৱা ধ্বনিটো লিখা।

বগাকৈ বগলী বহলাই বহিছে
বলুকাত বিয়লি বেলা,
বকুল বাগৰিছে ববচা বনতে
বুটলি বিলাওঁগৈ ব'লা।

(খ) তলত দিয়া পদ্যফাকিত পুনৰাবৃত্তি হোৱা ধ্বনিটো লিখা।

ইমান পানীৰ টোপ
নোৱাৰোঁ গণিব
ভালপাওঁ ৰিম ঝিম
গীতহে শুনিব।

(গ) শংকৰদেৱৰ পদফাকিত পুনৰাবৃত্তি হোৱা শব্দাংশটো লিখা।

হেন শুনি জাম্বৱন্ত।
ধাইলা মহা বলৱন্ত ।।

### জানো আহা—

যেতিয়া **পথাৰ** থাকে
ৰ'দত শুকাই

ইয়াত থকা **পথাৰ** শব্দটো বিশেষ্য পদ। ইয়াৰ বিশেষণ পদৰ ৰূপটো হ'ল **পথৰুৱা**।

## ১১। তলত দিয়া বিশেষ্য পদবোৰৰ বিশেষণ পদৰ ৰূপটো লিখা আৰু সেই শব্দৰ প্ৰয়োগেৰে বাক্য গঠন কৰি তলৰ তালিকাখন পূৰ কৰা—

| বিশেষ্য | বিশেষণ | বাক্য |
| --- | --- | --- |
| ঘৰ | ঘৰুৱা | ঘৰুৱা কাম-কাজবোৰ নিয়াৰিকৈ কৰিবা। |
| সাৰ | | |
| নিথৰ | | |
| ভাগৰ | | |
| জাবৰ | | |

## জ্ঞান-সম্প্ৰসাৰণ

১২। পঢ়া আৰু আবৃত্তি কৰা —

### বসন্ত



(১)

মালতী ফুলিল, সেউতী উঠিল,
কেতেকী গা-মুৰি দিলে;
সুৰীয়া কুলিয়ে গল কঁপাই গাই
বননিৰ বাতৰি দিলে।

(২)

বকুলে সিঁচিলে তৰা একোকণি
মদাৰে খেলিলে ফাঁকু,
যুতি ফুলজুপি নিশাহ এৰিলে
পদুমে মেলিলে চকু।





(৩)

থুৰিত কৰবীৰে সাঁচিলে মৌটুপি,
ভূমিয়ে মেলিলে চঁপা,
চৰাই হালধীয়া মৌ-মতলীয়া
উলটি কৰিলে কৃপা।

— লক্ষ্মীনাথ বেজবৰুৱা

**উৎস ঃ** ড° নগেন শইকীয়া সম্পাদিত ‘বেজবৰুৱা-ৰচনাৱলী (তৃতীয় খণ্ড)’, প্ৰকাশ—২০১০, বনলতা, গুৱাহাটী-১, পৃষ্ঠা— ৪৬

১৩। ওপৰৰ কবিতাকেইফাকিত উল্লেখ থকা চৰাই আৰু ফুলৰ নামবোৰ লিখা।

১৪। দলত ভাগ হৈ তলত দিয়া শব্দসমূহ ব্যৱহাৰ কৰি একোটাকৈ কবিতা লিখিবলৈ যত্ন কৰা—

| | | | |
|---|---|---|---|
| আকাশ | পাহাৰ | ফুল | মেঘ |
| নদী | গছ-গছনি | পখিলা | বৰষুণ |

১৫। কবিতাটোত থকা এখন ছবিত ল’ৰা-ছোৱালীবোৰে কাগজৰ নাও সাজি খেলি আছে। বৰষুণৰ বতৰত তোমালোকে কোনে কি কাম কৰি ভালপোৱা তাৰ এখন তালিকা প্ৰস্তুত কৰা—

| বৰষুণৰ বতৰত তুমি কৰি ভালপোৱা কামবোৰ |
| --- |
| |

১৬। দলত আলোচনা কৰি কোৱা।

(ক) ধুমুহা-বৰষুণ আহিলে তুমি কি কৰা?

(খ) শিল-বৰষুণ পৰিলে তোমাৰ কেনে লাগে?

(গ) বৰষুণ দিলে তোমাৰ চৌপাশৰ কি কি পৰিৱৰ্তন চকুত পৰে?

## প্ৰকল্প

১৭। ছবিকেইখন পৰ্যৱেক্ষণ কৰা আৰু তাত দেখুওৱা ধৰণে কামবোৰ কৰা—

ক। বৰষুণৰ পানী সৰু সৰু পাত্ৰত সংগ্ৰহ কৰা।



খ। তোমালোকে সংগ্ৰহ কৰা পানীখিনি এটা কাপেৰে জুখি ডাঙৰ পাত্ৰ এটাত থোৱা।



গ। সংগ্ৰহ কৰা পানীখিনি তোমালোকে ৰোৱা গছপুলিৰ গুৰিত দিবা আৰু পুলিটোৰ বৃদ্ধি সময়ে সময়ে পৰ্যৱেক্ষণ কৰিবা।



ঘ। এনেদৰে সংগ্ৰহ কৰা পানীখিনি ঢাকনি দি থ'বা আৰু আন কি কি কামত ব্যৱহাৰ কৰিবা লিখা।



১৮। পাঁচটা প্ৰকৃতি বিষয়ক কবিতা সংগ্ৰহ কৰা। সেই কবিতাৰ নাম আৰু কবি পৰিচয় দি এখন প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত কৰা আৰু সকলোৰে পঢ়িব পৰাকৈ শ্ৰেণীকোঠাৰ বেৰত আঁৰি থোৱা।

| অৰ্হতা | উপ- অৰ্হতা | ক্ৰিয়া-কলাপৰ নম্বৰ | নিজাববীয়াকৈ পাৰিছে | শিক্ষকৰ সহায়ত পাৰিছে | নিদানমূলক শিক্ষাৰ পাছত পাৰিছে |
|---|---|---|---|---|---|
| C 1.1 | ■ পাঠটোৰ মূল বিন্দুসমূহ চিনাক্ত কৰি ক'ব আৰু লিখিব পাৰিব। | ১, ৩, ৫, ১২, ১৩ | | | |
| C 1.5 | ■ কবিতাৰ মূলভাব ক'ব আৰু লিখিব পাৰিব। | ৭ | | | |
| | ■ প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত কৰিব পাৰিব। | ১৮ | | | |
| C 2.2 | ■ অনুপ্ৰাসৰ ধাৰণা বুজি চিনাক্ত কৰিব পাৰিব। | ১০ | | | |
| C 2.3 | ■ পৰিৱেশৰ লগত খাপ খোৱাকৈ কাম কৰিব পাৰিব আৰু সেই কামৰ বিষয়ে ক'ব আৰু লিখিব পাৰিব। | ১৫, ১৬, ১৭ | | | |
| C-3.1 | ■ নতুন শব্দৰ অৰ্থ বুজি প্ৰয়োগ কৰিব পাৰিব। | ২ | | | |
| | ■ বিপৰীত অৰ্থ প্ৰকাশক শব্দ চিনাক্ত কৰিব পাৰিব। | | | | |
| | ■ বাক্য ৰচনা কৰিব পাৰিব। | ৮ | | | |
| | ■ পদ পৰিৱৰ্তন কৰি বাক্যত প্ৰয়োগ কৰিব পাৰিব। | ৯ | | | |
| C-3.2 | ■ উপযুক্ত ভাষা আৰু শৈলী ব্যৱহাৰ কৰি কবিতা লিখিব পাৰিব। | ১১ | | | |
| C-4.2 | ■ প্ৰকল্প প্ৰস্তুত কৰোঁতে পুথিভঁৰাল ব্যৱহাৰ কৰিব পাৰিব। | ১৮ | | | |
| C-5.2 | ■ অন্ত্যধ্বনি মিল থকা শব্দ লিখিব পাৰিব। | ৬ | | | |
| C-5.3 | ■ শব্দজালৰপৰা উপযুক্ত শব্দ বিচাৰি উলিয়াই লিখিব পাৰিব। | ৪ | | | |

পাঠ ৬

V6C7A2

# বৈজ্ঞানিক মানসিকতা আৰু আমাৰ সমাজ

*বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জখলাৰে মানুহে উন্নতিৰ শিখৰত আৰোহণ কৰিছে। তাৰ পাছতো সমাজৰ সকলো মানুহৰ মাজত সেই অনুপাতে বৈজ্ঞানিক মানসিকতা গঢ় লৈ উঠা নাই। ইয়াৰ অন্তৰালত কিছুমান অন্ধবিশ্বাসে অহৰহ ক্ৰিয়া কৰি আছে। আমাৰ সমাজখনক এই অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰপৰা মুক্ত কৰা অতি প্ৰয়োজন। তাৰবাবে সমাজৰ প্ৰতিজন ব্যক্তিৰ একোটা বৈজ্ঞানিক মন থকাটো বাঞ্ছনীয়। মানুহৰ মাজত এই বৈজ্ঞানিক মানসিকতা কেনেধৰণেৰে গঢ় দিব পাৰি সেই বিষয়ে পাঠটিত আভাস দিয়া হৈছে।*

মানুহ স্বাভাৱিকতেই অনুসন্ধিৎসু। কিন্তু আমি সকলো সময়তে আমাৰ এই অনুসন্ধিৎসু মনটোক কামত নলগাওঁ। আমাৰ সমাজত পূৰ্বৰেপৰা বহুতো ৰীতি-নীতি 'পায়-নাপায়'ৰ ৰূপত চলি আহিছে। এই 'পায়-নাপায়'বোৰৰ বেছিভাগেই কেৱল অন্ধবিশ্বাস আৰু কু-সংস্কাৰ। অৱশ্যে, ইয়াৰ মাজত কিছুমান বৈজ্ঞানিক ভিত্তি থকা কথাও আছে। আনে কৈছে বাবেই গ্ৰহণ নকৰি আমি যদি আমাৰ অনুসন্ধিৎসু মনেৰে প্ৰতিটো কথা চালি-জাৰি চাই কিয় পায় অথবা কিয় নাপায় চিন্তা কৰিহে সিদ্ধান্ত লওঁ, তেতিয়া আমাৰ এটা বৈজ্ঞানিক মন থকাটো বুজাব। আমাৰ বৈজ্ঞানিক মনটোৱে শুদ্ধ বুলি দেখুৱাই দিয়া পথটোৰেদি যদি আমি আগুৱাই যাওঁ— সেয়া হ'ব আমাৰ বৈজ্ঞানিক মানসিকতা।



পুৰণি বহুতো ৰীতি-নীতিৰ সৈতে অৱশ্যে বৈজ্ঞানিক কাৰণো জড়িত হৈ আছে। উদাহৰণস্বৰূপে, পূৰ্বতে বাহিৰত ফুৰি-চাকি অহাৰ পাছত পাকঘৰত সোমাবলৈ দিয়া হোৱা নাছিল। এইটো কিন্তু কু-সংস্কাৰ নহয়। ইয়াৰ বৈজ্ঞানিক ভিত্তি আছে। বাহিৰত পিন্ধা সাজবোৰত ধূলি-মাকতিকে আদি কৰি বিভিন্ন বীজাণু লাগি আহিব পাৰে। গতিকে সেয়া সলাই

চাফ-চিকুণকৈ পাকঘৰত সোমোৱাটোহে স্বাস্থ্যসন্মত। এইটো পূৰ্বৰেপৰা চলি অহা পৰম্পৰা আৰু ই বিজ্ঞানসন্মত। গতিকে ইয়াক দলিয়াই পেলাব নালাগে।

এইবাৰ অন্য এটা উদাহৰণ লওঁ। এনেকুৱা বহুতো ৰীতি-নীতি আমাৰ সমাজত এতিয়াও চলি আছে; যিবোৰৰ কোনো বৈজ্ঞানিক ভিত্তি নাই— সম্পূৰ্ণ অবৈজ্ঞানিক। বিভিন্ন প্ৰচাৰ মাধ্যমত দেখা পোৱা এটা শিতান বা অনুষ্ঠান হৈছে ৰাশিফল। দৈনিক ৰাশিফলৰ মতে নিজৰ দিনটো পাৰ কৰাটো এটা অন্ধবিশ্বাসী মনৰ পৰিচায়কহে মাত্ৰ। কোনোবাই ধেমালিতে কৈ দিয়া কিছুমান কথাও আমাৰ জীৱনত কেতিয়াবা মিলি যায়। গতিকে ভাল দিন-বাৰ চাই কাম কৰাৰ কোনো যুক্তি নাই। অন্যহাতে পৰীক্ষা বা চাকৰিৰ সাক্ষাৎকাৰ দিবলৈ আমি যিকোনো বাৰতে ওলাই যাওঁ। গতিকে ৰাশিফলক আমাৰ ভাগ্য নিয়ন্ত্ৰণ কৰিবলৈ দিয়াটো বৈজ্ঞানিক মানসিকতা নহয়।

এনেকুৱা আৰু বহুতো উদাহৰণ দিব পৰা যায়। অন্ধবিশ্বাস আৰু কু-সংস্কাৰে সমাজৰ বিস্তৰ ক্ষতিসাধন কৰে। এনে অন্ধবিশ্বাস আৰু কু-সংস্কাৰবোৰৰ বিৰুদ্ধে সমাজৰ প্ৰত্যেকজন সচেতন ব্যক্তিয়েই মাত মতা উচিত। আজিকালিও বহুলোকে সৰ্পই দংশন কৰা ব্যক্তিক ডাক্তৰৰ ওচৰলৈ নিয়াৰ পৰিৱৰ্তে প্ৰথমতে বেজৰ ওচৰলৈহে নিবলৈ বিচাৰে। আচলতে অতীজতে



আমাৰ সমাজত অসুখ-বিসুখ হ'লে বেজ বা বৈদ্যৰ ওচৰলৈ নিয়াৰ প্ৰথা আছিল। বহুত দিন এই ব্যৱস্থাৰ লগত থাকি অভ্যস্ত হোৱাৰ কাৰণেই এতিয়াও কিবা এটা হ'লে গাঁৱলীয়া দৰৱ খাম নে ডাক্তৰক দেখুৱাম— এই লৈ আমাৰ মনটোত টনা-আজোঁৰা লাগি থাকে। বিখ্যাত কল্পকাহিনী লেখক আইজাক এছিম'ভে এষাৰ কথা কৈছিল—"মানুহৰ জীৱনৰ পৰিতাপৰ কথাটো হ'ল যে, বিজ্ঞানৰ জ্ঞানৰ তুলনাত আমাৰ সমাজৰ প্ৰজ্ঞা তেনেই তাকৰ।" মংগল

গ্ৰহত বসবাসৰ সপোন দেখাৰ দিনতো কেৱল অজ্ঞতাৰ বাবেই অথবা বৈজ্ঞানিক মানসিকতাৰ অভাৱৰ বাবেই আমাৰ সমাজত কিছুমান অবৈজ্ঞানিক ক্ৰিয়া-কলাপ প্ৰচলিত হৈ আছে। এই ধাৰণা লৈ থকা ব্যক্তিসকলৰ মন-মগজুত বৈজ্ঞানিক মানসিকতাৰ উত্তৰণ ঘটাব পাৰিলেহে সমাজৰপৰা কু-সংস্কাৰ অন্ত পৰিব। তাকে নকৰিলে আমাৰ সমাজত দ'লৈকে শিপাই থকা অন্ধবিশ্বাসৰ গছজোপাত সাৰ-পানী যোগান ধৰি থকাহে হ'ব।

ব্যক্তি হিচাপে, সমাজ হিচাপে উন্নতি কৰিবলৈ হ'লে আমি অন্ধবিশ্বাস এৰিবই লাগিব। আগৰেপৰা চলি আহিছে বুলিয়েই কোনো বৈজ্ঞানিক ভিত্তি নথকা কু-সংস্কাৰ কিছুমান চলাই নিয়াটো বৈজ্ঞানিক মানসিকতা নহয়। সমাজৰ প্ৰতিজন ব্যক্তিয়েই একোটা বৈজ্ঞানিক মনৰ অধিকাৰী হ'লেহে সামগ্ৰিকভাৱে সমাজখনৰো উন্নতি হ'ব। বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী হ'বলৈ বিজ্ঞানত যে উচ্চ শিক্ষা গ্ৰহণ কৰিব লাগিব, তেনে কোনো কথা নাই। নিৰক্ষৰ লোক এজনো বৈজ্ঞানিক মনৰ অধিকাৰী হ'ব পাৰে। মাত্ৰ তেওঁৰ থাকিব লাগিব প্ৰতিটো কথা বা ঘটনাৰ কাৰণবোৰ যুক্তিনিষ্ঠভাৱে ফঁহিয়াই চোৱাৰ একোটা মন। যুক্তিৰে সকলো কথা চালি-জাৰি চাব লাগে। আগৰেপৰা চলি অহা বুলিয়েই অবৈজ্ঞানিক কথাবোৰ চলাই যাব নালাগে আৰু আগৰেপৰা চলি অহা যুক্তিপূৰ্ণ কথাবোৰ এৰি দিব নালাগে।

আমি প্ৰায়ে ভাবোঁ— বাকী মানুহবোৰহে অন্ধবিশ্বাসী; আমি নহয়। আমিও আত্মবিশ্লেষণ কৰিব লাগে। আমি বহুতে যাত্ৰাৰ সময়ত পিছফালৰপৰা মাতিলে, আগেদি মেকুৰী পাৰ হ'লে যাত্ৰা নষ্ট হোৱা বুলি ভাবোঁ। এনে অন্ধবিশ্বাসবোৰ এৰিবৰ হ'ল। এই সৰু সৰু বুলি ভবা কথাবোৰ আমাৰ উঠি অহা ল'ৰা-ছোৱালীবোৰক দৈনন্দিন জীৱনৰ কাম-কাজৰ মাজতে শিকাই যাব লাগে। তেতিয়াহে তেওঁলোকৰ মনোজগতত আমাৰ পুৰণি কালৰেপৰা চলি অহা কথাবোৰৰ কাৰণ ফঁহিয়াই চোৱাৰ এক প্ৰৱণতাৰ উদ্ৰেক হ'ব।

আজিকালি প্ৰচাৰ মাধ্যম যথেষ্ট শক্তিশালী। বাতৰি-কাকত, আলোচনীত বৈজ্ঞানিক মানসিকতাৰ বিষয়ে মাজে মাজে দুই-এটা প্ৰবন্ধ-পাতি দেখাৰ বিপৰীতে টেলিভিছনৰ চেনেলসমূহত তেনে আলোচনা আশানুৰূপ নহয়। বিজ্ঞান সমিতিৰ শাখাবোৰ অথবা বিজ্ঞান মঞ্চবোৰে শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত তুলনামূলকভাৱে পিছপৰা অঞ্চলসমূহত সজাগতাৰ কাৰণে



কিছুমান কাৰ্যসূচী হাতত ল'ব পাৰে।

আমি বৈজ্ঞানিক মানসিকতাক কেৱল কিতাপ-পত্ৰতে সীমাৱদ্ধ ৰাখিলে নহ'ব। সমাজত আগৰেপৰা প্ৰচলিত ভিত্তিহীন কথাবোৰ এৰিব পৰাকৈ আমি নিজৰ মনটো মুকলি কৰি ৰাখিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলৰো কুমলীয়া মনতেই বৈজ্ঞানিক মানসিকতাৰ বীজ ৰোপণ কৰিব লাগিব। তেতিয়াহে বৈজ্ঞানিক মানসিকতাই আমাৰ সমাজখনক অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰপৰা মুক্ত কৰি সৰ্বাংগসুন্দৰ কৰিব।

**— ড° আন্না গগৈ**

**উৎস ঃ** ড° আন্না গগৈৰ 'বৈজ্ঞানিক মানসিকতা আৰু আমাৰ সমাজ', বিজ্ঞান জেউতি, বৰ্ষ-৫২, সংখ্যা-৬, এপ্ৰিল-মে',২০১৮, প্ৰকাশক-অসম বিজ্ঞান সমিতি, গুৱাহাটী- ৭৮১০২২, পৃষ্ঠা নং— ১৮-১৯

*(এই প্ৰবন্ধটো ষষ্ঠ শ্ৰেণীৰ উপযোগী হোৱাকৈ পাঠ্যপুথি প্ৰস্তুতৰ নীতি আৰু পাঠৰ শিকন ফলাফলৰ প্ৰতি লক্ষ্য ৰাখি সামান্য সালসলনি কৰা হৈছে।)*

**লেখকৰ পৰিচয় ঃ** ড° আন্না গগৈ (১৯৭৫ খ্ৰীষ্টাব্দ) গড়গাঁও মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ সহযোগী অধ্যাপিকা। তেওঁৰ প্ৰকাশিত প্ৰবন্ধ সংকলনটোৰ নাম হ'ল 'নতুন মাত্ৰা'। অসমৰ বিভিন্ন কাকত-আলোচনীত গগৈৰ বিভিন্ন বিষয়ৰ প্ৰবন্ধ প্ৰকাশ পাইছে।



## ক্ৰিয়া-কলাপ

### পাঠভিত্তিক

**১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই সঠিক ○ বৃত্তটো পূৰ কৰা—**

- সৰ্পই দংশন কৰিলে কি কৰা উচিত?

(ক) চাফ-চিকুণকৈ থকা উচিত　　(গ) বেজৰ ওচৰলৈ যোৱা উচিত

(খ) ৰাশিফল চোৱা উচিত　　(ঘ) ডাক্তৰৰ ওচৰলৈ যোৱা উচিত

(ক) (খ) (গ) (ঘ)

● আমি ৰাশিফল চাই দৈনন্দিন কাম কিয় কৰিব নালাগে?

(ক) ই সৰু কথা হোৱাৰ বাবে

(খ) ই আমাৰ পৰম্পৰা নোহোৱাৰ বাবে

(গ) ইয়াৰ বৈজ্ঞানিক ভিত্তি নথকাৰ বাবে

(ঘ) আমি শিক্ষা-দীক্ষাত পিছ পৰি থকাৰ বাবে

| ক | খ | গ | ঘ |
|---|---|---|---|

২। তুমি ওপৰৰ দ্বিতীয় প্ৰশ্নৰ উত্তৰটো কিয় শুদ্ধ বুলি বাছি ল'লা? সহপাঠীৰ লগত আলোচনা কৰি কোৱা।

৩। 'ক' অংশৰ শব্দবোৰৰ লগত 'খ' অংশৰ অৰ্থবোৰ মিলোৱা—

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| অনুসন্ধিৎসু | পূৰ্বৰপৰা চলি অহা নীতি |
| স্বাস্থ্যসন্মত | কৌতূহলী |
| যুক্তিনিষ্ঠ | তীক্ষ্ণ বুদ্ধি, তত্ত্ব-জ্ঞান |
| বিৰল | এটাৰ সলনি আন এটা |
| বিকল্প | স্বাস্থ্যকৰ |
| পৰম্পৰা | যুক্তি থকা |
| প্ৰজ্ঞা | পাবলৈ টান |

৪। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ কোৱা আৰু লিখা।

(ক) বৈজ্ঞানিক মন আৰু মানসিকতা বুলিলে কি বুজা?

(খ) আমাৰ সমাজত এতিয়াও কিছুমান অবৈজ্ঞানিক ক্ৰিয়া-কলাপ প্ৰচলিত হৈ থকাৰ কাৰণ কি?

(গ) ভাল দিন-বাৰ চাই কাম কৰাৰ যুক্তিযুক্ততা আছেনে?

(ঘ) ছাত্ৰ-ছাত্ৰীসকলৰ মনত বৈজ্ঞানিক মানসিকতাৰ বীজ কিয় ৰোপণ কৰা উচিত?

(ঙ) অতীজত আমাৰ সমাজত অসুখ-বিসুখ হ'লে তেনে ব্যক্তিক কাৰ ওচৰলৈ নিয়াৰ প্ৰথা আছিল?

৫। তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ আলোচনা কৰি কোৱা আৰু লিখা।

(ক) বাহিৰত ফুৰি-চাকি অহা কাপোৰ-কানিৰে পাকঘৰত সোমাবলৈ নিদিয়াৰ আঁৰত কি বৈজ্ঞানিক ভিত্তি লুকাই আছে?

(খ) বৈজ্ঞানিক মানসিকতাৰ গৰাকী হ'বলৈ শিক্ষিত হোৱাটো জৰুৰী নেকি? এজন মানুহ কেনেদৰে বৈজ্ঞানিক মানসিকতাৰ গৰাকী হ'ব পাৰে?

(গ) সমাজ এখনৰ উন্নতিৰ বাবে অন্ধবিশ্বাস আৰু কুসংস্কাৰ কিয় বৰ্জন কৰিব লাগে ?

## ভাষা-অধ্যয়ন

**জানো আহা—**

পাঠটোত থকা 'বৈজ্ঞানিক' শব্দৰ মূল শব্দটো হৈছে 'বিজ্ঞান'। 'বিজ্ঞান' শব্দটো বিশেষ্য পদ। ইয়াত '-ইক' প্ৰত্যয় যোগ দি 'বৈজ্ঞানিক' পদটো গঠন কৰা হৈছে। এইটো বিশেষণ পদ। তেনে কিছুমান উদাহৰণ চাওঁ আহা—

| | |
|---|---|
| মনস্ + ইক ⇒ মানসিক | স্বভাৱ + ইক ⇒ স্বাভাৱিক |
| ঈশ্বৰ + ইক ⇒ ঐশ্বৰিক | মূল + ইক ⇒ মৌলিক |
| মধ্যম + ইক ⇒ মাধ্যমিক | মুখ + ইক ⇒ মৌখিক |

**৬। তলত দিয়া বিশেষ্য পদ বুজোৱা শব্দকেইটাত '-ইক' প্ৰত্যয় যোগ কৰি ইয়াৰ বিশেষণ ৰূপটো লিখা।**

উদাহৰণ —

| বিশেষ্য | | বিশেষণ |
|---|---|---|
| উপন্যাস | ⟶ | ঔপন্যাসিক |
| ইতিহাস | ⟶ | ______ |
| শিক্ষা | ⟶ | ______ |
| বাণিজ্য | ⟶ | ______ |
| ভূগোল | ⟶ | ______ |

**৭। তলত দিয়া শব্দযোৰৰ আৰ্হিত বাকচত থকা শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দসমূহ লিখা।**

| বৈজ্ঞানিক | অবৈজ্ঞানিক |
|---|---|

| | | | | | |
|---|---|---|---|---|---|
| সময় | | সাধু | | ন্যায় | |
| ক্লান্ত | | শান্ত | | ভয় | |

### জানো আহা—

পাঠটোত থকা ‘প্ৰৱণতা’ আৰু ‘মানসিকতা’ এই শব্দ দুটা গুণবাচক বিশেষ্য। শব্দকেইটা কেনেকৈ গঠন হৈছে চাওঁ আহা— **প্ৰৱণ + তা ⇒ প্ৰৱণতা** **মানসিক + তা ⇒ মানসিকতা**

ইয়াৰ ‘প্ৰৱণ’ আৰু ‘মানসিক’ শব্দ দুটা হৈছে মূল শব্দ। মূল শব্দৰ পাছত ‘-তা’ প্ৰত্যয় যোগ হৈ একো একোটা অৰ্থপূৰ্ণ ৰূপ গঠিত হৈছে।

**৮। উদাহৰণৰ দৰে তলত দিয়া শব্দকেইটাৰ গুণবাচক বিশেষ্য ৰূপটো লিখা।**

| | | | |
|---|---|---|---|
| সৰল → | সৰলতা | দুৰ্বল → | |
| নম্ৰ → | | ভদ্ৰ → | |
| দৃঢ় → | | উচ্চ → | |

৯। পাঠটোত -বোৰ, -বিলাক, -সমূহ, -খিনি, -সকল আদি যোগ হৈ বহুবচন বুজোৱা শব্দবোৰ বিচাৰি উলিয়াই লিখা।

## জ্ঞান-সম্প্ৰসাৰণ

**জানি থওঁ আহা—**



**বৰ্ট্ৰাণ্ড ৰাছেল ঃ** বৰ্ট্ৰাণ্ড আৰ্থাৰ উইলিয়াম ৰাছেল এজন প্ৰসিদ্ধ মানৱতাবাদী ইংৰাজ দাৰ্শনিক। তেওঁ এজন গণিতজ্ঞ হোৱাৰ লগতে নোবেল বঁটাপ্ৰাপ্ত সাহিত্যিক।



**আইজাক এছিম’ভ ঃ** আইজাক এছিম’ভ এজন আমেৰিকাৰ লেখক। প্ৰধানকৈ কল্পবিজ্ঞানৰ লেখক হিচাপে তেওঁক জনা যায়।

বাপুকণ আৰু আইমণি দুয়ো ষষ্ঠ শ্ৰেণীত পঢ়ে। এদিন ৰাতিপুৱাই দুয়ো খৰধৰকৈ বিদ্যালয়লৈ বুলি ওলাই গ’ল। সেইদিনা সিহঁতৰ পৰীক্ষা আছিল। নিৰ্দিষ্ট সময়ত বিদ্যালয়লৰ ফালে যোৱা বাছখনো আহি পালেহি। তেনেতে বাছখনৰ সন্মুখেৰে এটি মেকুৰী দৌৰ মাৰি পাৰ হৈ গ’ল। তাকে দেখি বাপুকণ ৰৈ গ’ল আৰু আইমণিকো ৰ’বলৈ ক’লে। যাত্ৰাৰ সময়ত সন্মুখেৰে মেকুৰী পাৰ হৈ গ’লে কিবা বিপদ হ’ব পাৰে— এই কথা সি তাৰ খুৰাকৰ মুখৰপৰা শুনিছিল। কথাষাৰ সি আইমণিক ক’লে

যদিও তাই বিশ্বাস নকৰি বাছত উঠিলগৈ। ইফালে বাপুকণে আন এখন বাছ অহালৈ বাট চাই ৰ'ল। বহু পলমকৈ অহা বাছ এখনত উঠি বাপুকণ বিদ্যালয়ত উপস্থিত হ'লগৈ। সময়মতে গৈ নোপোৱাৰ বাবে সি পৰীক্ষাত ভালদৰে লিখিবও নোৱাৰিলে। কেইদিনমানৰ পাছত পৰীক্ষাৰ ফলাফল ওলাল। দেখা গ'ল যে, আইমণিৰ ফলাফল বাপুকণতকৈ বহুত বেছি ভাল হ'ল।

১০। বাপুকণ আৰু আইমণিয়ে কৰা কামৰ ভিতৰত কাৰ কামত বৈজ্ঞানিক ভিত্তি আছে— যুক্তি সহকাৰে লিখা। বাপুকণৰ ঠাইত তুমি হোৱা হ'লে কি কৰিলাহেঁতেন?

## পোহৰত ৰঙৰ যাদু

### ১১। নিৰ্দেশনা অনুসৰি কৰা—

**(ক) পঢ়া, চোৱা আৰু লিখা।**

আমি পোহৰতে লুকাই থাকোঁ,
আকাশত ৰামধেনু আকোঁ।
তাতেই আমাক পাবা দেখা,
সাতো ভাইৰ নাম লেখা।





**(খ) পঢ়া আৰু কৰি দেখুওৱা—**

ৰামধেনুৰ সাত ৰং
চালে চকুত লগা,
চকৰিত ঘূৰিলে মিলি
হয় মাথোন বগা।



**নিৰ্দেশনা—**

প্ৰথমে তোমালোকে এটি চকৰি প্ৰস্তুত কৰা। চকৰিটোৰ সাতটা ভাগত ৰামধেনুৰ সাতোটা ৰং সানি ছবিত দেখুৱাৰ দৰে এডাল শলাত গাঁঠি দিয়া। এতিয়া যাদুকৰে কৰাৰ দৰে—"ওঁম্ হ্ৰীং, হ্ৰুং, ক্ৰীং, চট্ ফুট্ স্বাহা। চকৰিৰ সাতো ৰং বগা হৈ যা।"— বুলি মন্ত্ৰ মাতি চকৰিটো জোৰেৰে ঘূৰাই দিয়া আৰু ৰামধেনুৰ ৰংবোৰ পৰ্যৱেক্ষণ কৰা।

শিক্ষকে ক্ৰিয়া-কলাপটো কৰাওঁতে যাদুকৰে কৰা যাদুবোৰৰ আঁৰতো যে বিজ্ঞানহে লুকাই থাকে, সেইকথা ছাত্ৰ-ছাত্ৰীক বুজাই ক'ব।

## প্ৰকল্প

১২। আমাৰ সমাজত পৰম্পৰাগতভাৱে চলি থকা কামবোৰৰ মাজত বিজ্ঞানসন্মত ভিত্তি থকা আৰু নথকা দুটা কামৰ বিষয়ে যুক্তিৰে লিখা।

| অৰ্হতা | উপ- অৰ্হতা | ক্ৰিয়া-কলাপৰ নম্বৰ | নিজাববীয়াকৈ পাৰিছে | শিক্ষকৰ সহায়ত পাৰিছে | নিদানমূলক শিক্ষাৰ পাছত পাৰিছে |
|---|---|---|---|---|---|
| C 1.1 | ■ পাঠটোৰ মূল বিন্দুসমূহ চিনাক্ত কৰি ক'ব আৰু লিখিব পাৰিব। | ১, ২, ৪, ৫, | | | |
| C-2.3 | ■ সামাজিক পৰিৱেশ পৰিস্থিতিৰ বিষয়ে ধাৰণা কৰি লিখনৰ জৰিয়তে বৈজ্ঞানিক যুক্তিসহকাৰে প্ৰকাশ কৰিব পাৰিব। | ১০ | | | |
| | ■ সামাজিক, সাংস্কৃতিক পৰিবেশৰ বিভিন্ন দিশ সম্পৰ্কে ধাৰণা কৰি লিখনৰ জৰিয়তে প্ৰকাশ কৰি প্ৰকল্পৰ কাম কৰিব পাৰিব। | ১২ | | | |
| C-3.1 | ■ নতুন শব্দৰ অৰ্থ বুজিবলৈ অভিধান ব্যৱহাৰ কৰিব পাৰিব। | ৩ | | | |
| | ■ প্ৰত্যয় যোগ কৰি পদ গঠনৰ ধাৰণা লাভ কৰিব। | ৬ | | | |
| | ■ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখিব পাৰিব | ৭ | | | |
| | ■ গুণবাচক বিশেষ্য পদৰ বিষয়ে বুজি লিখিব পাৰিব। | ৮ | | | |
| | ■ পাঠৰপৰা বহুবচন বুজোৱা শব্দবোৰ চিনাক্ত কৰিব পাৰিব। | ৯ | | | |
| C-5.3 | ■ খেলৰ মাজেৰে সাঁথৰ ভাঙি ক'ব পাৰিব। | ১১ | | | |

ইয়াৰ বাবে শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দল গঠন কৰি দিব আৰু তেওঁলোকক বিদ্যালয়ৰ কাষৰীয়া গাঁও বা অঞ্চললৈ লৈ যাব।

D3C1Q4

# তপনৰ কথা

*ভাল লগা বস্তুটো সকলোৱে পাবলৈ বিচাৰে। পিছে, আনৰ মনত বেজাৰ নিদিয়াকৈ তাক লাভ কৰাটোহে বুধিয়কৰ কাম। এই গল্পটোৰ জৰিয়তে তপন নামৰ ল'ৰাজনে কি বুদ্ধিৰে সি বিচৰা বস্তুটো লাভ কৰিলে, সেই কথা জানিব পাৰিবা।*



তপনৰ মাহীয়েক ধুবুৰীত থাকে। মাহীয়েকৰ পুতেক ঋতুৰাজ তপনতকৈ বয়সত দুমাহৰ সৰু। দীঘলীয়া বন্ধ পালে সি কেতিয়াবা তপনহঁতৰ ঘৰত কেইদিনমান থকাকৈ আহে। সি আহিলে তপনে ভালো পায়, বেয়াও পায়। ভাল পায়— কাৰণ সেইকেইদিন কথা পাতিবলৈ, ফুৰিবলৈ, ঘৰত কেৰম আৰু লুডু খেলিবলৈ তাৰ লগ এটা হয়। বেয়া পায়— কাৰণ সেইকেইদিন তপনৰ মাকে তাতকৈ ঋতুৰাজক বেছি মৰম কৰে। কালি আবেলি পায়স ৰন্ধাৰ কাৰণে আজি পুৱা যদি গাখীৰ কম পৰিল, তেনেহ'লে মাকে ক'ব— "আজি তপনে গাখীৰ খাব নালাগে, ঋতুয়েই খাৰক দে।" মাছ জানিবা দুটুকুৰা আছে— এটুকুৰা মাছৰ কাঁইট কম থকা, ইটুকুৰা ফিছাৰ কাঁইটীয়া। বিলাবৰ সময়ত মাকে তপনক ক'ব— "তই কাঁইট বাছি খাব জান নহয়? ফিছা টুকুৰা তয়ে খা।"

ভাল নালাগে।

এদিন আবেলি তপনৰ মাক ফুৰিবলৈ ওলাল। যাবৰ সময়ত তেওঁ তপনক পাকঘৰলৈ মাতি নি ক'লে— "ইয়াতে দুটুকুৰা কে'ক আছে। অলপ পাছত উলিয়াই লৈ ঋতু আৰু তই খাবি। ডাঙৰ টুকুৰা ঋতুক দিবি।"

মাক ওলাই যোৱাৰ পাছত তপনে ঢাকোনখন আঁতৰাই চাই দেখিলে— এটুকুৰা কে'ক সৰু, ইটুকুৰা বেছ ডাঙৰ। 'দেখা যাওক'— তপনে ভাবিলে।



আগফালৰ বাৰাণ্ডাত কেৰম খেলি থাকোঁতে তপনে ঋতুৰাজক ক'লে— "বুইছ ঋতু, আমাক স্কুলত এদিন যোছেফ ছাৰে ভদ্ৰ মানুহ কেনেকুৱা হ'ব লাগে, তাৰ উদাহৰণ দিছিল।"

"কেনেকুৱা উদাহৰণ?"— ঋতুৰাজে সুধিলে।

"ধৰি ল, তই আৰু মই বাছত উঠি ধুবুৰীলৈ যাম। আমাৰ কাৰণে দুজন বহিব পৰা বেঞ্চ এখন আছে। খিৰিকীৰ কাষত বহিবলৈ তয়ো ভাল পাৱ, ময়ো ভাল পাওঁ। এতিয়া, ভদ্ৰ মানুহৰ চিন হৈছে— মই তোক খিৰিকীৰ কাষত বহিবলৈ ক'ম আৰু তয়ো মোক খিৰিকীৰ কাষত বহিবলৈ জোৰ কৰিবি। আৰু ধৰি ল, মেজত দুডাল পেনছিল* আছে। এডাল চুটি, এডাল দীঘল। মই সুধিলোঁ— "তোক কোনডাল লাগে?" তই যদি ভদ্ৰ ল'ৰা, তেনেহ'লে ক'বি— "চুটিডাল।" মই ক'ম— "নহয় ভাই, তই দীঘলডাল ল।"

এক গে'ম খেল শেষ হোৱাৰ পাছত তপনে ঋতুৰাজক পাকঘৰলৈ লৈ গ'ল। কে'ক দুটুকুৰা খোৱা-মেজলৈ আনি সি সুধিলে— "তই কোন টুকুৰা খাবি?"

ঋতুৰাজে ক'লে—"সৰু টুকুৰা।"

"ইস্ নহয়, তই ডাঙৰ টুকুৰা খা।"

ঋতুৰাজে ক'লে— "নহয়, তই ডাঙৰ টুকুৰা খা।"

এইবাৰ তপনে "ঠিক আছে বাৰু" বুলি ডাঙৰ টুকুৰাটো হাতেৰে তুলি লৈ লগে-লগে একামোৰ মাৰি দিলে। কে'ক চোবাই-চোবাই সি ক'লে— "তই সঁচাকৈয়ে বৰ ভদ্ৰ ল'ৰা। তোৰ নিচিনা ল'ৰাক আমাৰ যোছেফ ছাৰে বৰ ভাল পাব।"

**— ড° ভবেন্দ্ৰনাথ শইকীয়া**

**উৎস ঃ** ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'শিশু সাহিত্য সমগ্ৰ', প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী, ২০০৬ চন, বনলতা, গুৱাহাটী-১, পৃষ্ঠা— ৩২২

*( ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'শিশু সাহিত্য সমগ্ৰ'ৰ অন্তৰ্গত 'মহাদুষ্টৰ দুষ্টবুদ্ধি' গল্পপুথিখনৰ 'উনাশী' খণ্ডটো 'তপনৰ কথা' শিৰোনামেৰে ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে। গল্পকাৰে মূল গল্পটোত কোনো শিৰোনাম দিয়া নাছিল।)*

*গল্পটোত থকা 'পেনছিল' শব্দটো হেমকোষ অভিধানত 'পেন্সিল' আৰু চন্দ্ৰকান্ত অভিধানত 'পেঞ্চিল' ৰূপে উল্লেখ আছে।

**গল্পকাৰৰ পৰিচয় ঃ** ড° ভবেন্দ্ৰ নাথ শইকীয়া (১৯৩২-২০০৩ খ্ৰীষ্টাব্দ) অসমৰ এগৰাকী গল্পকাৰ, নাট্যকাৰ, ঔপন্যাসিক আৰু বোলছবি পৰিচালক। তেওঁৰ জন্ম নগাঁৱত। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক আছিল। মৰমৰ দেউতা, শান্ত-শিষ্ট হৃষ্ট-পুষ্ট মহাদুষ্ট, মহাদুষ্টৰ দুষ্টবুদ্ধি আদি তেখেতৰ উল্লেখযোগ্য শিশু উপযোগী গ্ৰন্থ। তেওঁ অসমীয়া ভাষাৰ পযেকীয়া আলোচনী 'প্ৰান্তিক' আৰু শিশু আলোচনী 'সফুঁৰা'ৰ সম্পাদক আছিল। ১৯৭৬ খ্ৰীষ্টাব্দত তেওঁ 'শৃংখল' গল্প সংকলনৰ বাবে 'সাহিত্য অকাডেমি বঁটা' লাভ কৰিছিল। তদুপৰি তেওঁ 'অসম প্ৰকাশন পৰিষদ বঁটা', 'অসম উপত্যকা সাহিত্য বঁটা'ৰ লগতে ২০০১ খ্ৰীষ্টাব্দত 'পদ্মশ্ৰী' সন্মানো লাভ কৰিছিল। তেওঁ আঠখন অসমীয়া বোলছবি পৰিচালনা কৰিছিল। ইয়াৰে সাতখন বোলছবিৰ বাবে তেওঁ ভাৰত চৰকাৰৰপৰা 'ৰজত কমল' বঁটা লাভ কৰিছিল।



## ক্ৰিয়া-কলাপ

### পাঠভিত্তিক

১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই সঠিক ○ বৃত্তটো পূৰ কৰা—

- ধুবুৰীৰপৰা তপনহঁতৰ ঘৰলৈ কোন আহিছিল?

(ক) তপনৰ মাহীয়েক　　(গ) তপনৰ মাহীয়েকৰ পুতেক

(খ) তপনৰ মাক　　(ঘ) যোচেফ ছাৰ

(ক) (খ) (গ) (ঘ)

- তপনে ঋতুৰাজক ভদ্ৰ আচৰণৰ কথা কিয় কৈছিল?

(ক) ভদ্ৰলোক হোৱাৰ জ্ঞান দিয়াৰ বাবে　　(গ) মনে বিচৰা বস্তুটো পাবৰ বাবে

(খ) ঋতুৰাজক মূৰ্খ সজাবৰ বাবে　　(ঘ) মাকৰপৰা বেছিকৈ মৰম পাবৰ বাবে

(ক) (খ) (গ) (ঘ)

২। তুমি ওপৰৰ দ্বিতীয় প্ৰশ্নৰ উত্তৰটো কিয় শুদ্ধ বুলি বাছি ল'লা? সহপাঠীৰ লগত আলোচনা কৰি কোৱা।

৩। তলত দিয়া শব্দবোৰৰ অৰ্থ মেঘটুকুৰাৰপৰা বাছি উলিয়াই লিখা।

সাঁফৰ, মাছৰ পিছৰ অংশ,
ভাল আচৰণৰ দ্বাৰা লোকৰ মনত সন্তোষ দিয়া,
লিখা-পঢ়া কৰা বা আহাৰ খোৱা ওখ খুৰা লগোৱা পীৰা
সদৃশ আচবাব

| | |
|---|---|
| মেজ | |
| ফিছা | |
| ঢাকোন | |
| ভদ্ৰ | |

৪। তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ কোৱা আৰু লিখা।

(ক) তপনৰ মাহীয়েকৰ ঘৰ ক'ত আছিল?

(খ) তপনৰ মাহীয়েকৰ পুতেকৰ নাম কি?

(গ) ভদ্ৰ মানুহৰ উদাহৰণ তপনহঁতক কোনে দিছিল?

(ঘ) ঋতুৰাজ তপনতকৈ বয়সত কিমান সৰু?

(ঙ) 'তপনৰ কথা' পাঠটিৰ লেখক কোন?

৫। তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ আলোচনা কৰি কোৱা আৰু লিখা।

(ক) তপন আৰু ঋতুৰাজৰ মাজত কোনটো চৰিত্ৰ তোমাৰ বেছি ভাল লাগিল আৰু কিয়?

(খ) তপনে ঋতুৰাজক ভদ্ৰ মানুহৰ আচৰণৰ দুটা উদাহৰণ দিছিল। সেই উদাহৰণ দুটাৰ লগত তুমি একমত হয়নে? যদি হয়, কিয় হয় আৰু যদি নহয়, কিয় নহয়?

(গ) তপনে কে'কৰ ডাঙৰ টুকুৰাটো নিজে খাই ভাল কৰিলেনে বেয়া কৰিলে? সপক্ষে আৰু বিপক্ষে যুক্তি দিয়া।

(ঘ) ঋতুৰাজে যদি সৰু কে'কটুকুৰা খাবলৈ অমান্তি হ'লহেঁতেন, তেন্তে কাহিনীটো কিদৰে শেষ হ'লহেঁতেন?

৬। কোনে, কাক আৰু কিয় কৈছিল লিখা।

(ক) "ইয়াতে দুটুকুৰা কে'ক আছে। অলপ পাছত উলিয়াই লৈ ঋতু আৰু তই খাবি। ডাঙৰ টুকুৰা ঋতুক দিবি।"

(খ) "তই সঁচাকৈয়ে বৰ ভদ্ৰ ল'ৰা। তোৰ নিচিনা ল'ৰাক আমাৰ যোচেফ ছাৰে বৰ ভাল পাব।"

৭। ঋতুৰাজ ঘৰলৈ আহিলে কি কি কাৰণত তপনৰ ভাল লাগে আৰু বেয়া লাগে— কাৰণবোৰ তলত দিয়া তালিকাখনত লিখা।

| ভাল লগাৰ কাৰণ | বেয়া লগাৰ কাৰণ |
|---|---|
| | |

## ভাষা-অধ্যয়ন

৮। 'ক' অংশৰ শব্দবোৰৰ লগত 'খ' অংশৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰ আঁচটানি মিলোৱা

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| মানুহ | -টুকুৰা |
| পাত | -ডাল |
| ছোৱালী | -খন |
| বেঞ্চ | -জনী |
| পেঞ্চিল | -টো |
| কে'ক | -জন |
| ঘৰ | -খিলা |



### জানো আহা—

"তপনে কে'ক টুকুৰা খালে।"

—এই বাক্যটোত 'তপন' শব্দত '-এ' যোগ হৈ 'তপনে' পদটো গঠন হৈছে। '-এ' চিনটো যোগ হোৱা বাবে 'তপন' শব্দটোৰ ক্ৰিয়াৰ লগত সম্বন্ধ স্থাপন হৈছে। বাক্যৰ এটা পদৰ লগত আন পদৰ সংগতি স্থাপনকেই **বিভক্তি** বোলে।

নাম বুজোৱা শব্দ বা প্ৰাতিপদিকৰ লগত যুক্ত হোৱা বিভক্তিক **শব্দ বিভক্তি** বোলে। ই সাত প্ৰকাৰৰ। সেই বিভক্তিবোৰ চিনৰ সৈতে তলৰ তালিকাখনত দিয়া হ'ল—

| বিভক্তিৰ নাম | উদাহৰণ | মূল শব্দ | যোগ হোৱা বিভক্তিৰ চিন | বিভক্তিৰ চিনবোৰ |
|---|---|---|---|---|
| প্ৰথমা | তপনে ঋতুক কথাটো ক'লে। | তপন | -এ | -০, -ই, -এ |
| দ্বিতীয়া | তপনৰ মাকে ঋতুক বেছি মৰম কৰে। | ঋতু | -ক | -০, -ক (-অক) |
| তৃতীয়া | সিহঁতে খিৰিকীৰে বাহিৰলৈ চালে। | খিৰিকী | -ৰে | -ৰে, - এৰে, - দি -দ্বাৰা |
| চতুৰ্থী | ঋতুৰাজ ধুবুৰীলৈ গৈছিল। | ধুবুৰী | -লৈ | -লৈ (-অলৈ) |
| পঞ্চমী | তপনহঁতে মেজৰপৰা বস্তুটো ল'লে। | মেজ | -ৰপৰা | -পৰা |
| ষষ্ঠী | সিহঁতৰ ঘৰত কোন কোন আছে? | সিহঁত | -ৰ | -ৰ, (-অৰ) |
| সপ্তমী | পথাৰত গৰুবোৰ চৰি আছে। | পথাৰ | -ত | -ত (-অত) |

৯। তলত দিয়া বাক্যকেইটাৰ আঁচ দিয়া পদবোৰত কি বিভক্তিৰ কি চিন ব্যৱহাৰ হৈছে লিখা।

(ক) বিমানে অমল আৰু দীপুৰ সৈতে খেলপথাৰখন পৰিষ্কাৰ কৰিলে।

(খ) খেলপথাৰখনত সিহঁতে ফুটবল খেলে।

(গ) গধূলি সময়ত সিহঁত ঘৰলৈ উভতি আহিল।

## জ্ঞান-সম্প্ৰসাৰণ

১০। তোমাৰ ঘৰলৈ তোমাৰ বন্ধু বা আত্মীয় আহিলে তুমি কিদৰে ঘৰৰ মানুহক সহায় কৰা, কোৱা আৰু লিখা।

শিক্ষকে স্বৰান্ত আৰু ব্যঞ্জনান্ত শব্দত কেনেদৰে বিভক্তি চিন যোগ হয় সেই বিষয়ে বুজাই দিব।

১১। 'তপনৰ কথা' গল্পটোৰ মূল কথাখিনি তলত দিয়া লিখনশৈলীত পঢ়োঁ আহা—

## 'তপনৰ কথা'

চৰিত্ৰ ঃ তপন, ঋতুৰাজ, তপনৰ মাক।

পটভূমি ঃ তপনৰ মাহীয়েকৰ ল'ৰা ঋতুৰাজ কেইদিনমানৰ বাবে তপনহঁতৰ ঘৰলৈ ফুৰিবলৈ আহিছে।

মূল সমস্যা ঃ তপনৰ মাকে ঋতুৰাজ অহাকেইদিন ঋতুৰাজক বেছিকৈ মৰম কৰে আৰু ভালৰো ভাল বস্তুবোৰ তপনক নিদি ঋতুৰাজক দিয়ে।

সমস্যাৰ সমাধান ঃ তপনে বুদ্ধিৰে ডাঙৰ কে'কৰ টুকুৰাটো খাবলৈ সক্ষম হয়।

১২। তলত দিয়া গল্পটো পঢ়া—

নবীন, ৰবীন আৰু গুবিন ভাই-ককাই। এদিন সিহঁতক মাহীয়েকে ক'লে— "তহঁতে আজি ভালকৈ পঢ়িছ নহয়, সেইকাৰণে এয়া ল, চাৰিটা চকলেট দিছোঁ। ভালকৈ পঢ়িলে কাইলৈ পাঁচটা দিম, পৰহিলৈ ছটা দিম।"

নবীন মহাদুষ্ট। মাহীয়েক আঁতৰি যোৱাৰ পাছত সি ৰবীন আৰু গুবিনক ক'লে— "আমি হ'লো তিনিটা, চকলেট হ'ল চাৰিটা, কেনেকৈ ভগাম? ঠিক আছে, এটা ৰবীনে খাই পেলা, বাকী তিনিটা গাইপতি এটাকৈ খাম।"

ৰবীনে ভালেই পালে।

পাছদিনা মাহীয়েকে সিহঁতক পাঁচটা চকলেট দিলে। নবীনে চকলেট ভগাবলৈ লৈ ক'লে— "দুটা গুবিনে খাই পেলা, বাকী তিনিটা গাইপতি এটাকৈ খাম।"

গুবিনে ভালেই পালে।

পাছদিনা মাহীয়েকে ছটা চকলেট দিওঁতে গুবিনে পোকে খোৱা দাঁতকেইটা উলিয়াই হাঁহি-হাঁহি ক'লে— "আজি ভগাবলৈ দিগদাৰী নাই নহয়? গাইপতি দুটাকৈ পৰিব।"

নবীনে মুখখন বিকটাই ক'লে— "ইঃ! ধেমালি পাইছ? কালি আৰু পৰহি কেনেকৈ ভগাইছিলোঁ?"

এই বুলি সি তিনিটা জেপত ভৰালে, বাকী তিনিটা গাইপতি এটাকৈ ভগাই দিলে।

**উৎস ঃ** ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'শিশু সাহিত্য সমগ্ৰ', প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী, ২০০৬ চন, বনলতা, গুৱাহাটী-১, পৃষ্ঠা— ২৬১

১৩। ক্রিয়া-কলাপ নং ১২-ত থকা গল্পটোৰ সহায়ত তলত দিয়া তালিকাখন পূৰ কৰা।

গল্পৰ নাম ঃ

চৰিত্ৰ ঃ

পটভূমি ঃ

মূল সমস্যা ঃ

সমস্যাৰ সমাধান ঃ

## প্ৰকল্প

১৪। যিকোনো এজন গল্পকাৰৰ গল্প সংগ্ৰহ কৰি পঢ়া। তাৰে যিকোনো এটা গল্পৰপৰা কি শিকিলা লিখা।

১৫। পাঠৰ লগত সংযোজিত QR ক'ড স্কেন কৰি ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'শান্ত-শিষ্ট হৃষ্ট-পুষ্ট মহাদুষ্ট'ৰ আটাইকেইটা কাণ্ডৰ ভিডিঅ' সহপাঠীৰ সৈতে একেলগে চোৱা। তোমালোকৰ অনুভৱ সহপাঠীৰ লগত আলোচনা কৰা।

| অৰ্হতা | উপ-অৰ্হতা | ক্ৰিয়া-কলাপৰ নম্বৰ | নিজাববীয়াকৈ পাৰিছে | শিক্ষকৰ সহায়ত পাৰিছে | নিদানমূলক শিক্ষাৰ পাছত পাৰিছে |
|---|---|---|---|---|---|
| C 1.1 | ▪ পাঠটোৰ মূলবিন্দুসমূহ চিনাক্ত কৰি ক'ব আৰু লিখিব পাৰিব। | ১, ২, ৪, ৫, ৬, ৭, ১১, ১২, ১৩ | | | |
| C-2.3 | ▪ সামাজিক পৰিবেশৰ বিভিন্ন দিশ সম্পৰ্কে ধাৰণা কৰি লিখনৰ জৰিয়তে প্ৰকাশ কৰিব পাৰিব। | ১০ | | | |
| C-3.1 | ▪ নতুন শব্দৰ অৰ্থ বুজিবলৈ অভিধান ব্যৱহাৰ কৰিব পাৰিব। | ৩ | | | |
| | ▪ নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ সম্পৰ্কে জানিব। | ৮ | | | |
| | ▪ বিভক্তি আৰু বিভক্তিৰ চিনসমূহ জানি চিনাক্ত কৰিব পাৰিব। | ৯ | | | |
| C-4.2 | ▪ বিভিন্ন সমলৰ পৰা তথ্য সংগ্ৰহ কৰি প্ৰকল্পৰ কাম কৰিব পাৰিব। | ১৪ | | | |
| | ▪ প্ৰকল্পৰ বাবে বৈদ্যুতিন মাধ্যম ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিব পাৰিব। | ১৫ | | | |

পাঠ ৮

# বীৰুবালা ৰাভা

*বৰ্তমান সময়তো আমাৰ সমাজত কিছুমান অন্ধবিশ্বাস আৰু কুসংস্কাৰ বৰ্তি আছে। এইবোৰে সমাজৰ বিকাশত হেঙাৰ হৈ থিয় দিয়ে। তেনে এক হেঙাৰ হৈছে ডাইনী বিশ্বাস। প্ৰচলিত ডাইনী বিশ্বাসৰ বিৰুদ্ধে এগৰাকী সাধাৰণ মহিলাই কেনেদৰে যুঁজ দিছিল, সেই বিষয়ে এই পাঠৰপৰা জানিব পাৰিবা।*



১৯৮৩-৮৪ খ্ৰীষ্টাব্দৰ কথা। গোৱালপাৰা জিলাৰ ঠাকুৰবিলা গাঁৱৰ বাসিন্দা আছিল চণ্ডীচৰণ ৰাভা। এবাৰ এই পৰিয়ালটিয়ে এটা বিপদৰ সন্মুখীন হৈছিল। তেওঁলোকৰ ডাঙৰ ল'ৰা ধৰ্মেশ্বৰ মানসিক অস্থিৰতাত ভুগিছিল। ল'ৰাটোৰ বিষয়ে মঙল চাই দেওধনী*য়ে ভৱিষ্যৎ-বাণী কৰিছিল যে সি আৰু বেছিদিন জীয়াই নাথাকে। কিছুদিনৰ ভিতৰতেই তাৰ মৃত্যু ঘটিব। কাৰণ তাৰ গাত এগৰাকী পৰীয়ে বাহ লৈছে আৰু সেই পৰীৰ লগত হেনো তাৰ বিয়াও হৈছে। পৰীগৰাকীৰ সন্তানটো জন্ম হোৱাৰ পাছতেই হেনো ধৰ্মেশ্বৰৰ মৃত্যু হ'ব। এই খবৰটো ঘৰৰ মানুহবোৰৰ মূৰত যেন বিনামেঘে বজ্ৰপাত হ'ল। মানুহবোৰ ধৰ্মেশ্বৰৰ আসন্ন মৃত্যুৰ কথা ভাবি চিন্তিত হৈ পৰিল। কিন্তু ধৰ্মেশ্বৰৰ মাক হতাশ হোৱা নাছিল। তেওঁ দেওধনীৰ কথা বিশ্বাস নকৰিলে আৰু ল'ৰাটোক চিকিৎসকৰ ওচৰলৈ লৈ গ'ল। মাকৰ যত্ন আৰু চিকিৎসকৰ চিকিৎসাত ল'ৰাটো লাহে লাহে সুস্থ হৈ উঠিল। দেওধনীয়ে কোৱাৰ দৰে ল'ৰাটোৰ মৃত্যু নহ'ল। ধৰ্মেশ্বৰৰ চিকিৎসা চলি থাকোঁতেই তাৰ দেউতাকো দুৰাৰোগ্য ৰোগত আক্ৰান্ত হ'ল। বিপদ আহিলে যে অকলে নাহে সেই কথাই যেন প্ৰমাণিত হ'ল। তথাপি মানুহগৰাকী হতাশ নহ'ল। তেওঁ স্বামীৰ চিকিৎসাও সমানে চলাই নিবলৈ ধৰিলে। শেষত তেওঁৰ সকলো চেষ্টাক বিফল কৰি ১৯৯৬ খ্ৰীষ্টাব্দৰ জুন মাহত স্বামী চণ্ডীচৰণ ৰাভাই শেষ নিশ্বাস ত্যাগ কৰিলে।

যিগৰাকী মহিলাৰ জীৱনত এই দুখজনক ঘটনাটো ঘটিছিল, তেৱেঁই হ'ল বীৰুবালা ৰাভা। তেওঁলোকৰ সমাজখনৰ কিছুমান মানুহে এইবোৰ ডাইনীৰ কাম বুলি বিশ্বাস কৰিছিল। দুই-এজনে বীৰুবালা ৰাভাক ডাইনী বুলি ক'বলৈও কুণ্ঠাবোধ কৰা নাছিল। কিন্তু এই অপযশৰ পাছতো তেওঁ থমকি ৰোৱা নাছিল। ইয়াৰ বিপৰীতে তেওঁ সমাজৰপৰা অন্ধবিশ্বাস-কুসংস্কাৰ দূৰ কৰিবলৈ মুকলিভাৱে ওলাই আহিছিল।

* *দেওধনী হ'ল মঙল চোৱা বেজ।*

বীৰুবালা ৰাভা সৰুৰেপৰাই বৰ অমায়িক আছিল। তেওঁৰ নম্ৰ স্বভাৱে সকলোকে আকৰ্ষণ কৰিছিল। তেওঁ সাহসী হোৱাৰ উপৰি খেল-ধেমালি কৰিও যথেষ্ট ভাল পাইছিল। খেলা-ধূলাৰ মাজতে তেওঁ ঘৰ-পথাৰৰ কাম-কাজতো মাক-দেউতাকক সহায় কৰিছিল। ৰোৱা-তোলা, বোৱা-কটা কামবোৰতো তেওঁ সৰুৰেপৰাই পাৰ্গত আছিল।

বীৰুবালাই পঞ্চম শ্ৰেণীলৈকেহে আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিছিল। বিদ্যালয়ত পঢ়ি থকা সময়তেই বীৰুবালাৰ নেতৃত্বসুলভ গুণ প্ৰকাশ পাইছিল। তেওঁ পঢ়া-শুনাৰ লগতে বিদ্যালয়ৰ যিকোনো কামতেই আগৰণুৱা আছিল। সেইবাবে তেওঁ শিক্ষকৰো প্ৰিয়পাত্ৰ হৈছিল। শৈশৱকালতে তেওঁৰ দেউতাকৰ মৃত্যু হৈছিল। ঘৰুৱা কাম-কাজত মাকক সহায় কৰিবলগীয়া হোৱাৰ বাবে তেওঁ কম বয়সতেই পঢ়া-শুনা সামৰিবলগীয়া হৈছিল।

১৯৬৪ খ্ৰীষ্টাব্দত বীৰুবালা ৰাভাৰ চণ্ডীচৰণ ৰাভাৰ সৈতে বিবাহ সম্পন্ন হয়। বিবাহৰ পাছত তেওঁলোকৰ তিনিজন ল'ৰা আৰু এজনী ছোৱালীৰ জন্ম হয়। এওঁলোক হ'ল ক্ৰমে ধৰ্মেশ্বৰ ৰাভা, বিষ্ণুপ্ৰসাদ ৰাভা, কুমলী ৰাভা আৰু দয়ালু ৰাভা।

বীৰুবালা ৰাভাৰ বৰপুত্ৰ ধৰ্মেশ্বৰৰ ঘটনাটোৱে তেওঁৰ জীৱনত গভীৰ প্ৰভাৱ পেলাইছিল। তেওঁ এটা কথাত নিশ্চিত হৈছিল যে বৰপুত্ৰ ধৰ্মেশ্বৰৰ বিষয়ে দেওধনীয়ে কোৱা সকলো কথা মিছা আছিল। সেইদৰে ডাইনী, বেজ-বেজালি আদি সম্পৰ্কে থকা অন্ধবিশ্বাসবোৰেও মানুহবোৰক বিপদত পেলাইছিল। বীৰুবালা ৰাভাই এনেধৰণৰ অন্ধবিশ্বাসবোৰৰপৰা সমাজখনক মুক্ত কৰাৰ পণ ল'লে।

সেয়ে তেওঁ মহিলাসকলক সংগঠিত কৰিবৰ বাবে মহিলা সমিতি গঠন কৰিলে। এই সমিতিবোৰৰ যোগেদি তেওঁ মানুহৰ মাজত সজাগতা আনিবলৈ সভা-সমিতিও অনুষ্ঠিত কৰিলে। তেওঁক এই কামত 'অসম মহিলা সমতা ছ'চাইটি' নামৰ এটা স্বেচ্ছাসেৱী সংগঠনে বিশেষভাৱে সহায় কৰিলে। ইতিমধ্যে ডাইনী অন্ধবিশ্বাসৰ বলি হোৱা লোকসকলক এই সংগঠনৰ সহযোগত তেওঁ তাৎক্ষণিকভাৱে প্ৰয়োজনীয় সহায় আগবঢ়ালে। এনেদৰেই মানুহৰ মাজত প্ৰেৰণাৰ বন্তি হৈ বীৰুবালা ৰাভাই কাম কৰি গ'ল।

২০১১ খ্ৰীষ্টাব্দত বীৰুবালাই অসম মহিলা সমতা ছ'চাইটিৰ লগ হৈ 'মিছন বীৰুবালা' নামেৰে এক অভিযান আৰম্ভ কৰিলে। এই অভিযানক অসম চৰকাৰে ৰাজ্যিক অভিযান হিচাপে স্বীকৃতি দিলে। এই অভিযানৰ যোগেদি ৰাভাই ডাইনী বিশ্বাসৰ বলি হোৱা পঞ্চাশৰো অধিক লোকৰ জীৱন ৰক্ষা কৰিলে। লগতে ব্যক্তিগত প্ৰচেষ্টাৰেও তেওঁ পঁয়ত্ৰিশগৰাকী লোকৰ প্ৰাণৰক্ষা কৰিলে। বীৰুবালা ৰাভাৰ লগতে মিছন বীৰুবালা অভিযানৰ ডাইনী বিৰোধী আন্দোলনে সমগ্ৰ অসমৰ মানুহৰ দৃষ্টি আকৰ্ষণ কৰিলে। তেওঁলোকৰ প্ৰচেষ্টাতেই ২০১৫

খ্ৰীষ্টাব্দত অসম চৰকাৰে 'অসম ডাইনী অপৰাধ (প্ৰতিৰোধ, নিষিদ্ধ আৰু সুৰক্ষা) আইন' প্ৰণয়ন কৰিলে। এই আইন অনুসৰি ডাইনী হত্যাত জড়িত লোকসকলক জামিনবিহীন ধাৰাত গ্ৰেপ্তাৰ কৰিব পাৰে।



বীৰুবালা ৰাভাই তেওঁৰ জীৱন কালত বহু বঁটা-বাহন লাভ কৰিছিল। ২০০৫ খ্ৰীষ্টাব্দত বীৰুবালা ৰাভাক ৰাষ্ট্ৰসংঘই 'শান্তিৰ নোবেল বঁটা'ৰ বাবে মনোনীত কৰিছিল। ২০১৫ খ্ৰীষ্টাব্দত গুৱাহাটী বিশ্ববিদ্যালয়ে 'ডক্টৰেট ডিগ্ৰী'ৰে তেওঁক সন্মানিত কৰে। অসম চৰকাৰে তেওঁলৈ ২০১৭ খ্ৰীষ্টাব্দত 'সতী সাধনী বঁটা' আগবঢ়ায়। ২০২১ খ্ৰীষ্টাব্দত তেওঁক ভাৰত চৰকাৰে 'পদ্মশ্ৰী' সন্মান প্ৰদান কৰে। ইয়াৰ উপৰি বীৰুবালা ৰাভাই ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজৰ 'ৰিয়েল হিৰো বঁটা', সদৌ অসম ছাত্ৰ সন্থাই আগবঢ়োৱা 'সুধাকণ্ঠ ড° ভূপেন হাজৰিকা সংহতি বঁটা' লাভ কৰে।

বীৰুবালা ৰাভা সম্পূৰ্ণৰূপে বিজ্ঞানসন্মত দৃষ্টিভংগীৰ অধিকাৰী এগৰাকী মহিলা আছিল। সেইবাবেই তেওঁ বিজ্ঞানসন্মত চিন্তাৰে আগবাঢ়ি যাব পাৰিছিল। তেওঁ গোটেই জীৱনটো সমাজ সংস্কাৰৰ হকে কাম কৰি গ'ল। এখন অনগ্ৰসৰ সমাজৰপৰা ওলাই আহি বীৰুবালাই সমগ্ৰ অসমক পোহৰৰ বাট দেখুৱালে। অবিশ্ৰান্তভাৱে কাম কৰি এইগৰাকী মহীয়সী নাৰীয়ে ২০২৪ খ্ৰীষ্টাব্দৰ ১৩ মে' তাৰিখে জীৱন নাটৰ সামৰণি মাৰিলে। অন্ধবিশ্বাস আৰু কুসংস্কাৰমুক্ত সমাজ এখন প্ৰতিষ্ঠা কৰাৰ পথ-প্ৰদৰ্শক হিচাপে বীৰুবালা ৰাভা বিশ্ব নাগৰিকৰ মাজত সদায় জিলিকি থাকিব।

### জানো আহা—

**বীৰুবালা ৰাভা**

| | | |
|---|---|---|
| জন্ম | ঃ | ১৯৪৯ খ্ৰীষ্টাব্দৰ ৫ ফেব্ৰুৱাৰী। |
| জন্মস্থান | ঃ | ঠাকুৰবিলা, গোৱালপাৰা। |
| পিতৃৰ নাম | ঃ | কলেয়াৰাম ৰাভা। |
| মাতৃৰ নাম | ঃ | সাগৰবালা ৰাভা। |
| শিক্ষানুষ্ঠান | ঃ | ঠাকুৰবিলা প্ৰাথমিক বিদ্যালয়। |
| শিক্ষাগত অৰ্হতা | ঃ | পঞ্চম শ্ৰেণী। |

**উৎস ঃ** তিলো সোণোৱালৰ 'বীৰুবালা ৰাভাৰ আভা', প্ৰথম প্ৰকাশ, আগষ্ট, ২০২৪, প্ৰকাশক- ইস্ক্ৰা, যোৰহাট-৭৮৫০০১। (এই গ্ৰন্থৰ আধাৰত কৰ্মশালাৰ জৰিয়তে পাঠটি ছাত্ৰ-ছাত্ৰীৰ উপযোগী হোৱাকৈ প্ৰস্তুত কৰা হৈছে।)

## ক্ৰিয়া- কলাপ

### পাঠভিত্তিক

**১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই সঠিক ○ বৃত্তটো পূৰ কৰা—**

- কাৰ গাত পৰীয়ে বাহ লৈছিল বুলি দেওধনীয়ে মঙল চাই কৈছিল?

  (ক) ধৰ্মেশ্বৰ ৰাভাৰ গাত (গ) বিষ্ণুপ্ৰসাদ ৰাভাৰ গাত

  (খ) কুমলী ৰাভাৰ গাত (ঘ) দয়ালু ৰাভাৰ গাত

  ক খ গ ঘ

- 'অসম ডাইনী অপৰাধ (প্ৰতিৰোধ, নিষিদ্ধ আৰু সুৰক্ষা) আইন' কেতিয়া প্ৰণয়ন কৰা হৈছিল?

  (ক) ২০১১ খ্ৰীষ্টাব্দত (গ) ২০১৫ খ্ৰীষ্টাব্দত

  (খ) ২০১৭ খ্ৰীষ্টাব্দত (ঘ) ২০২১খ্ৰীষ্টাব্দত

  ক খ গ ঘ

**২। তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ কোৱা আৰু লিখা।**

(ক) বীৰুবালা ৰাভাৰ কেনেধৰণৰ স্বভাৱে সকলোকে আকৰ্ষিত কৰিছিল?

(খ) বীৰুবালা কিয় শিক্ষকৰ প্ৰিয়পাত্ৰ আছিল?

(গ) বীৰুবালা ৰাভাৰ লগত ডাইনী বিশ্বাস বিৰোধী অভিযানত অংশগ্ৰহণ কৰা সংগঠনটোৰ নাম কি আছিল?

(ঘ) বীৰুবালা ৰাভাৰ 'মিছন বীৰুবালা' অভিযানক অসম চৰকাৰে কি হিচাপে স্বীকৃতি দিছিল?

(ঙ) ৰাজ্য চৰকাৰে বীৰুবালা ৰাভালৈ কি বঁটা আগবঢ়াইছিল?

(চ) ভাৰত চৰকাৰে বীৰুবালা ৰাভাক কি সন্মান যাচিছিল?

**৩। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ আলোচনা কৰি কোৱা আৰু লিখা।**

(ক) বীৰুবালা ৰাভাই ডাইনী বিশ্বাসৰ কবলৰপৰা সমাজখন কিয় মুক্ত কৰাৰ পণ লৈছিল?

(খ) 'মিছন বীৰুবালা' অভিযানে ডাইনী বিশ্বাসৰ বিৰুদ্ধে কেনেদৰে কাম কৰিছিল?

৪। বীৰুবালা ৰাভাৰ জীৱনৰ বিষয়ে দহটা বাক্য লিখা।

৫। অন্ধবিশ্বাসে মানুহক কিদৰে বিপদত পেলায়? দলত আলোচনা কৰা।

# ভাষা-অধ্যয়ন

## জানো আহা—

তলত দিয়া শব্দটোৰ গঠন প্ৰণালীলৈ লক্ষ্য কৰা—

ধৰ্মেশ্বৰ = ধৰ্ম + ঈশ্বৰ (অ + ঈ ⇒ এ)

ইয়াত 'ধৰ্ম'ৰ পাছত অ; আৰু 'ঈশ্বৰ'ৰ আগত 'ঈ' আছে। এই **অ** আৰু **ঈ** মিলি '**এ**' হৈ **ধৰ্মেশ্বৰ** শব্দটো হৈছে।

এনেদৰে, এটা শব্দৰ শেষৰ বৰ্ণৰ লগত আৰু আন এটা শব্দৰ আদি বৰ্ণৰ মিলনকে সন্ধি বোলে। সন্ধি তিনি প্ৰকাৰৰ ঃ স্বৰসন্ধি, ব্যঞ্জনসন্ধি আৰু বিসৰ্গসন্ধি। তলত স্বৰসন্ধি আৰু ব্যঞ্জনসন্ধি সম্পৰ্কে আলোচনা কৰা হৈছে। তোমালোকে পৰৱৰ্তী শ্ৰেণীত বিসৰ্গসন্ধি সম্পৰ্কে পঢ়িবলৈ পাবা।

উদাহৰণবোৰ লক্ষ্য কৰা—

| | | | |
|---|---|---|---|
| নীল + অচল | = | নীলাচল | (অ + অ ⇒ আ) |
| মুনি + ইন্দ্ৰ | = | মুনীন্দ্ৰ | (ই + ই ⇒ ঈ) |
| মহা + ইন্দ্ৰ | = | মহেন্দ্ৰ | (আ + ই ⇒ এ) |
| সূৰ্য + উদয় | = | সূৰ্যোদয় | (অ + উ ⇒ ও) |

বন্ধনীৰ ভিতৰৰ বৰ্ণ দুটাৰ পৰিৱৰ্তন লক্ষ্য কৰা। এনেদৰে এটা স্বৰবৰ্ণৰ লগত আন এটা স্বৰবৰ্ণৰ মিলনত হোৱা সন্ধিক **স্বৰসন্ধি** বোলে।

## ৬। তলত দিয়া সন্ধিবোৰ ভাঙি লিখা।

| | | | | |
|---|---|---|---|---|
| খ্ৰীষ্টাব্দ | = | | + | (অ + অ ⇒ আ) |
| হিমালয় | = | | + | (অ + আ ⇒ আ) |
| অতীত | = | | + | (ই + ই ⇒ ঈ) |
| স্বেচ্ছা | = | | + | (অ + ই ⇒ এ) |
| নৱোদয় | = | | + | (অ + উ ⇒ ও) |

## জানো আহা—

এইবাৰ তলত দিয়া উদাহৰণকেইটালৈ মন কৰা—

| | | | | |
|---|---|---|---|---|
| সম্ + ইতি | = | সমিতি | (ম্ + ই) | ব্যঞ্জন + স্বৰ |
| সৎ + ইচ্ছা | = | সদিচ্ছা | (ৎ → দ্ + ই) | |
| সম্ + হতি | = | সংহতি | (ম্ → ং + হ) | ব্যঞ্জন + ব্যঞ্জন |
| উৎ + নতি | = | উন্নতি | (ৎ → ন্ + ন) | |

বন্ধনীৰ বৰ্ণ দুটাৰ পৰিৱৰ্তন লক্ষ্য কৰা। এনেদৰে ব্যঞ্জনবৰ্ণৰ লগত স্বৰবৰ্ণ বা ব্যঞ্জনবৰ্ণৰ লগত ব্যঞ্জনবৰ্ণ মিলি হোৱা সন্ধিক **ব্যঞ্জনসন্ধি** বোলে।

৭। তলত দিয়া সন্ধিবোৰ ভাঙি লিখা।

| | | | |
|---|---|---|---|
| তদুপৰি | = | + | (ৎ→দ্+ উ) |
| সম্পূৰ্ণ | = | + | (ম্ + প) |
| উদ্ধাৰ | = | + | (ৎ→দ্+ ধ) |
| সংহতি | = | + | (ম্→ং+ হ) |
| চলচ্চিত্ৰ | = | + | (ৎ→চ্+ চ) |

৮। তলত দিয়া শব্দবোৰ সন্ধি অনুসৰি তালিকাভুক্ত কৰা—

সচ্চৰিত্ৰ, সংহাৰ, মহাশয়, প্ৰতীক্ষা, দেৱালয়, নীলোৎপল, সজ্জন, সংহতি, চন্দ্ৰোদয়, সমিতি, সদ্ভাৱ।

| স্বৰসন্ধি | ব্যঞ্জনসন্ধি |
|---|---|
| | |

৯। গামোচাত থকা শব্দবোৰ অভিধানত থকাৰ দৰে বৰ্ণানুক্ৰমিকভাৱে লিখা।

| | | | |
|---|---|---|---|
| কাৰণ | কিছু | সমাজ | সাহস |
| দুখ | দেওধনী | দেউতা | বঁটা |
| বিশ্ব | বস্তি | কৃষি | সিঁচৰতি |
| কুটুম | বাট | দূৰ | সুলভ |

| ক | দ | ব | স |
|---|---|---|---|
| কাৰণ | _______ | _______ | _______ |
| কিছু | _______ | _______ | _______ |
| কুটুম | _______ | _______ | _______ |
| _______ | _______ | _______ | _______ |

১০। তলত দিয়া শব্দকেইটা ব্যৱহাৰ কৰি বাক্য ৰচনা কৰা —

হতাশ, পাৰ্গত, অশিক্ষিত, গৌৰৱ, বিশ্বাস, প্ৰিয়পাত্ৰ।

১১। তলত দিয়া শব্দবোৰৰ লিংগ নিৰ্ণয় কৰি তালিকাভুক্ত কৰা—




| পুংলিংগ | স্ত্ৰীলিংগ |
|---|---|
| | |

১২। তলত কিছুমান বৰ্ণ আৰু যুক্তাক্ষৰ খেলিমেলিকৈ দিয়া আছে। অৰ্থ অনুসৰি এই শব্দবোৰ শুদ্ধকৈ সজাই লৈ কাষত খালী বাকচটোত লিখা।

| | | |
|---|---|---|
| (ক) তা শ হ | — নিৰাশ | হতাশ |
| (খ) ৰা গ্য দু ৰো | — সহজে আৰোগ্য নোহোৱা | |
| (গ) বো কু ণ্ঠা ধ | — সংকোচ | |
| (ঘ) অ য়ি ক মা | — ভদ্ৰ, অহংকাৰ নথকা | |
| (ঙ) ৱা আ ণু ৰ গ | — কোনো কামত আগবঢ়া ব্যক্তি | |
| (চ) চে প্ৰ ষ্টা | — প্ৰয়াস, যত্ন | |
| (ছ) সী ম য় হি | — মহান নাৰী | |

জানো আহা—

"এই খবৰটো ঘৰৰ মানুহবোৰৰ মূৰত যেন **বিনামেঘে বজ্রপাত** হ'ল"— বাক্যটোত ব্যৱহাৰ হোৱা **বিনামেঘে বজ্রপাত** অসমীয়া ভাষাৰ এটা জতুৱা ঠাঁচ। জতুৱা ঠাঁচ হ'ল ভাষাৰ এক নিজস্ব শৈলী। ইয়াৰ প্ৰয়োগে ভাষাটোৰ প্ৰকাশভংগী শক্তিশালী কৰি তোলে। জতুৱা ঠাঁচবোৰৰ আঁৰত আন এটা অৰ্থ লুকাই থাকে। উদাহৰণস্বৰূপে, **বিনামেঘে বজ্রপাত**ৰ অৰ্থ হ'ল 'নভবাকৈ অহা আকস্মিক বিপদ।' কিন্তু বিনামেঘ আৰু বজ্রপাত শব্দ দুটাৰ আভিধানিক অৰ্থ বেলেগ বেলেগ।

১৩। তলত কিছুমান জতুৱা ঠাঁচ অৰ্থৰ সৈতে দিয়া হৈছে। এইবোৰ ব্যৱহাৰ কৰি বাক্য ৰচনা কৰা—

(ক) **আকাশত চাং পতা** (অস্বাভাৱিক কল্পনা কৰা ) ঃ ______________________

______________________

______________________

(খ) **মূধা-ফুটা** (অতি খ্যাতনামা) ঃ ______________________

______________________

______________________

(গ) **সাত ঘাটৰ চেঙেলি** (বৰ টেঙৰ লোক) ঃ ______________________

______________________

______________________

(ঘ) **অহুকাণে-পহুকাণে** ( ঘুনুক-ঘানাককৈ শুনা) ঃ ______________________

______________________

______________________

(ঙ) **হিয়াৰ আমঠু** (অতি মৰমৰ) ঃ ______________________

______________________

______________________

## জ্ঞান-সম্প্ৰসাৰণ

জানি থওঁ আহা—

(ক) **অন্ধবিশ্বাস** ঃ অন্ধবিশ্বাসৰ আভিধানিক অৰ্থ হ'ল যুক্তি আৰু বিচাৰ নকৰাকৈ পোষণ কৰা বিশ্বাস। সমাজত প্ৰচলিত কিছুমান বিশ্বাসৰ কোনোধৰণৰ বৈজ্ঞানিক ভিত্তি নাই। এইবোৰ বিশ্বাস যুক্তিৰ আধাৰত প্ৰতিষ্ঠিত নহয়। অন্ধবিশ্বাসৰ লগত যাদু, অলৌকিক প্ৰভাৱ, কিছুমান পৰম্পৰাগত চিন্তা আদি বিষয় জড়িত হৈ থাকে।

(খ) **ডাইনী প্ৰথা ঃ** আমাৰ সমাজখনত এতিয়াও ভূত-প্ৰেত, দ'ত, বাঁক, জিন, যখিনী আদিৰ দৰে অপদেৱতাৰ বিশ্বাস প্ৰচলিত হৈ আছে। ঠিক তেনেধৰণৰ আন এটা অন্ধবিশ্বাস হ'ল ডাইনী প্ৰথা। ডাইনী প্ৰথা প্ৰচলিত অঞ্চলসমূহত কোনো মানুহ যদি কিবা বেমাৰত ভোগে, তেতিয়া সেই অঞ্চলৰ লোকে এইটো ডাইনীৰ বাবে হৈছে বুলি বিশ্বাস কৰে। তেওঁলোকে মঙলতিৰদ্বাৰা মঙল চোৱাই কোনো এগৰাকী পুৰুষ বা মহিলাক ডাইনী বুলি চিনাক্ত কৰি নানা অত্যাচাৰ কৰে। কেতিয়াবা এইদৰে বহু নিৰীহলোকে মৃত্যুক সাৱটি লয়।

(গ) **অসম ডাইনী অপৰাধ (প্ৰতিৰোধ, নিষিদ্ধ আৰু সুৰক্ষা) আইন ঃ** ডাইনী অপৰাধ নিৰ্মূলৰ বাবে প্ৰণয়ন কৰা এই আইনখন অসম বিধান সভাত ২০১৫ খ্ৰীষ্টাব্দত গৃহীত হয়। এই আইনখনে কোনো লোকক ডাইনী বুলি অভিহিত কৰাটো অবৈধ বুলি গণ্য কৰে। ডাইনী অভিযোগত আনক হাৰাশাস্তি কৰা বা আক্ৰমণ কৰা লোকক আইনখনৰ অধীনত শাস্তি প্ৰদান কৰা হয়। আইনখনে ডাইনী সম্পৰ্কীয় অপৰাধৰ লগত জড়িত ব্যক্তিক সাত বছৰ কাৰাদণ্ড আৰু পাঁচ লাখ টকালৈ জৰিমনা বিহাৰ ব্যৱস্থা কৰিছে। এনে অপৰাধ ৰোধৰ বাবে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ ক্ষেত্ৰতো আইনখনে গুৰুত্ব প্ৰদান কৰিছে।

১৪। অন্ধবিশ্বাস ৰোধ কৰাত বিদ্যালয় এখনে কেনেদৰে কাম কৰিব পাৰে শিক্ষকৰ সহযোগত আলোচনা কৰা। আলোচনাৰ অন্তত উপনীত হোৱা সিদ্ধান্তবোৰ লিখা।

## প্ৰকল্প

১৫। তোমাৰ অঞ্চলৰ এজন সমাজ সেৱকৰ বিষয়ে তথ্য সংগ্ৰহ কৰি লিখা আৰু শিক্ষকক দেখুওৱা।

১৬। তোমাৰ অঞ্চলত প্ৰচলিত কিছুমান অন্ধবিশ্বাস চিনাক্ত কৰি এইবোৰ দূৰীকৰণৰ বাবে শিক্ষকৰ সহযোগত তলত দিয়া আৰ্হিৰ দৰে কিছুমান শ্ল'গান সম্বলিত প'ষ্টাৰ প্ৰস্তুত কৰা—



| অৰ্হতা | উপ-অৰ্হতা | ক্রিয়া-কলাপৰ নম্বৰ | নিজাববীয়াকৈ পাৰিছে | শিক্ষকৰ সহায়ত পাৰিছে | নিদানমূলক শিক্ষাৰ পাছত পাৰিছে |
|---|---|---|---|---|---|
| **C 1.1** | ■ পাঠটোৰ মূলবিন্দুসমূহ চিনাক্ত কৰি ক'ব আৰু লিখিব পাৰিব। | ১, ২, ৩, ৪, ৫, | | | |
| **C-1.3** | ■ সাক্ষাৎকাৰৰ জৰিয়তে তথ্য সংগ্ৰহ কৰি প্ৰকল্পৰ বাবে লিখিব পাৰিব। | ১৫ | | | |
| **C-1.5** | ■ প্ৰকল্পৰ বাবে শ্ল'গান সম্বলিত প'ষ্টাৰ প্ৰস্তুত কৰিব পাৰিব। | ১৩ | | | |
| **C-2.2** | ■ জতুৱা ঠাঁচ ব্যৱহাৰ কৰি বাক্য ৰচনা কৰিব পাৰিব। | | | | |
| **C-2.3** | ■ পৰিৱেশৰ লগত খাপ খোৱাকৈ কাম কৰিব পাৰিব আৰু সেই কামৰ বিষয়ে ক'ব আৰু লিখিব পাৰিব। | ১৪ | | | |
| **C-3.1** | ■ সন্ধি ভঙা আৰু যোৱা লগোৱা নিয়ম জানি বুজি প্ৰয়োগ কৰিব পাৰিব। | ৬, ৭, ৮ | | | |
| | ■ অৰ্থ প্ৰকাশ পোৱাকৈ বাক্য ৰচনা কৰিব পাৰিব। | ১০ | | | |
| | ■ লিংগ নিৰ্ণয় কৰিব পাৰিব। | ১১ | | | |
| **C-4.2** | ■ অভিধানৰ দৰে বৰ্ণানুক্ৰমিক ভাৱে শব্দ সজাই লিখিব পাৰিব। | ৯ | | | |
| **C-5.3** | ■ খেলিমেলিকৈ থকা আখৰবোৰ শুদ্ধ ক্ৰমত সজাই অৰ্থপূৰ্ণ শব্দ গঠন কৰিব পাৰিব। | ১২ | | | |

পাঠ ৯

# টকাত একোটা হাতী

*অসমীয়া সাহিত্যত ধেমেলীয়া কবিতাই এক বিশেষ স্থান অধিকাৰ কৰি আছে। এই কবিতাবোৰে আমাৰ মনত আনন্দৰ খোৰাক যোগায়। শব্দৰ কৌশলী প্ৰয়োগে হাস্যৰস সৃষ্টি কৰি কবিতা ৰসাল কৰি তোলে। টকাত একোটা হাতী কবিতাটিৰ জৰিয়তে কবিয়ে পাক লগোৱা কথাৰে সৰু কাহিনী এটিক কেনেদৰে ৰসাল ৰূপ দিছে চাওঁ আহা।*

## পঢ়া আৰু আবৃত্তি কৰা—

বাবুলে আনিছে গৰম খবৰ;
ক'লে ৰতনক— "ভাই,
কিমান কিনিবা, একোটা টকাতে
হাতীও একোটা পায়।"





ৰতনে ভাবিলে— কিনো কয় অ' ইনো!
টকাত একোটা হাতী
পোৱা হ'লেচোন সকলো মানুহে
ল'লে হৈ এটি এটি!



ক'লে বাবুলক— "নামাৰিবি ব'ম্
এনেবোৰ কথা কৈ;
ভাবিছ কিজানি মই বৰ ভোদা;
বৰ বুধিয়ক তই?"

ৰতনৰ কথা শুনি বাবুলৰ
আহিছিল উঠি খং;
ক'লে— "যদি তই নকৰ বিশ্বাস
মাৰোঁ বুলি মই ব'ম্।

ব'ল তেনেহ'লে যাওঁ বজাৰলে'
দেখুৱাই আনো— ওলা।"
এই বুলি দুয়ো একেটা পাকতে
পিন্ধি ল'লে পেণ্ট্-চোলা।



আৰু কথা হ'ল দুয়োৰে মাজত,
মাৰিলে দুয়োৰে বাজি;
যিজনে হাৰিব সিয়েই লাগিব
খুৱাব বাদাম ভাজি।



এই বুলি দুয়ো পালে গৈ বজাৰ
পূজাৰ বজাৰ ভৰা;
দোকানে দোকানে উৰিছে বেলুন,
লাখ লাখ হাতী-ঘোঁৰা।

তাৰে এখনত কিনিলে বাবুলে
এটকাৰে এটা হাতী;
ৰতন বপুৰা ভেবা লাগি ৰ'ল
কথাৰ পাকত ঘাটি।

ভাবিছিল সি— এটকাতে আৰু
ক'তনো হাতীটো পাব!
ভবাই নাছিল টেঙৰ বাবুলে
পুতলা হাতীযে ল'ব!

— গগন চন্দ্ৰ অধিকাৰী

**উৎস ঃ** থানেশ্বৰ মালাকাৰ, অনুভৱ পৰাশৰ সম্পাদিত 'গগনচন্দ্ৰ অধিকাৰীৰ শিশু সাহিত্য সমগ্ৰ', প্ৰকাশকাল- ২০১৮ ৰংগভূমি, গুৱাহাটী-২৪, পৃষ্ঠা— ৪০

**কবি পৰিচয় ঃ** গগন চন্দ্ৰ অধিকাৰী (১৯৪১-২০২০ খ্ৰীষ্টাব্দ) এগৰাকী শিশু-সাহিত্যিক। টকাত একোটা হাতী, তিনিখন ঠেং হ'ল বুঢ়ী আইতাৰ, আখৰৰ গীত, মনোৰম খবৰৰ পেৰা, টৰ্চ মৰা মহ, মাখন মামাৰ মনোৰম সাধু আদি তেওঁৰ উল্লেখযোগ্য পুথি। তেওঁ 'টকাত একোটা হাতী' নামৰ পুথিখনৰ বাবে ১৯৮২ খ্ৰীষ্টাব্দত অসম সাহিত্য সভাৰ 'প্ৰেমধৰ দত্ত সোঁৱৰণী বঁটা' আৰু ১৯৯২ খ্ৰীষ্টাব্দত 'ৰ'দালি এ ৰ'দ একণ দে' পুথিখনৰ বাবে নেশ্যনেল বুক ট্ৰাষ্টৰপৰা 'শ্ৰেষ্ঠ শিশু-গ্ৰন্থৰ বঁটা' লাভ কৰে। ২০১০ খ্ৰীষ্টাব্দত তেওঁক সাহিত্য অকাডেমিয়ে 'শিশু সাহিত্য বঁটা' প্ৰদান কৰে।



## ক্ৰিয়া-কলাপ

### পাঠভিত্তিক

১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই সঠিক ○ বৃত্তটো পূৰ কৰা—

- কবিতাটিত কি বজাৰৰ কথা উল্লেখ আছে?

  (ক) বিহুৰ বজাৰ (গ) দেওবৰীয়া বজাৰ

  (খ) পূজাৰ বজাৰ (ঘ) বুধবৰীয়া বজাৰ

  (ক) (খ) (গ) (ঘ)

- "ভাবিছ কিজানি মই বৰ ভোদা;

  বৰ বুধিয়ক তই?" —কথাষাৰ কোনে, কাক কৈছে?

  (ক) বাবুলে ৰতনক (গ) ৰতনে বাবুলক

  (খ) ৰতনে দোকানীক (ঘ) দোকানীয়ে বাবুলক

  (ক) (খ) (গ) (ঘ)

২। তলত দিয়া শব্দবোৰৰ অৰ্থ আঁচ টানি মিলাওঁ আহা—

| শব্দ | অৰ্থ |
|---|---|
| ভোদা | বিবুদ্ধি হোৱা |
| বিশ্বাস | পণ, প্ৰতিজ্ঞা |
| ব'ম্ | প্ৰত্যয়, পতিয়ন |
| বাজি | বঢ়াই কোৱা, ফিতাহি মৰা |
| ভেবা লাগ্ | ভোটা, চোক নথকা, নিৰ্বোধ |



৩। তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ কোৱা আৰু লিখা।

(ক) কবিতাটোত কোনে কোনে কথা পাতিছে ?

(খ) বাবুলে অনা গৰম খবৰটো ৰতনে কিয় বিশ্বাস নকৰিলে ?

(গ) ৰতনে বাবুলক বজাৰলৈ কিয় লৈ গৈছিল ?

(ঘ) ৰতন আৰু বাবুলে কি কথাত বাজি মাৰিছিল ?

(ঙ) বাজিত কোন হাৰিল ?

(চ) বাবুলে পুতলা হাতীটো কিনাৰ আগলৈকে ৰতনে কি ভাবি আছিল ?

৪। কবিতাকেইফাকি পঢ়া আৰু উত্তৰ লিখা।

(ক) "বাবুলে আনিছে গৰম খবৰ;"

—'গৰম খবৰ' শব্দটোৱে সাধাৰণতে মানুহৰ মনত কৌতূহল ভাবৰ সৃষ্টি কৰে। কবিতাটিত থকা 'গৰম খবৰ'টো কি ?

(খ) "ক'লে বাবুলক— নামাৰিবি ব'ম্
এনেবোৰ কথা কৈ;"

—কবিতাটিত 'ব'ম্' শব্দটোৱে কি অৰ্থ প্ৰকাশ কৰিছে?

৫। তলত দিয়া স্তৱক দুটি গদ্য ৰূপত কোৱা আৰু লিখা।

(ক) "ৰতনে ভাবিলে— কিনো কয় অ' ইনো !
টকাত একোটা হাতী
পোৱা হ'লেচোন সকলো মানুহে
ল'লে হৈ এটি এটি !"

(খ) "তাৰে এখনত কিনিলে বাবুলে
এটকাৰে এটা হাতী;
ৰতন বপুৰা ভেবা লাগি ৰ'ল
কথাৰ পাকত ঘাটি।"

## ভাষা-অধ্যয়ন

### জানো আহা—

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| কৰোঁ | নকৰোঁ |
| খায় | নাখায় |
| দিয়ে | নিদিয়ে |
| খেলে | নেখেলে |

ওপৰৰ 'ক' অংশত থকা ক্ৰিয়াসমূহে কোনো এটা কাৰ্য কৰা, হোৱা, থকা আদি অৰ্থ বুজাইছে। সেইদৰে 'খ' অংশত থকা ক্ৰিয়াসমূহে কোনো কাৰ্য নকৰা, নোহোৱা, নথকা আদি অৰ্থ বুজাইছে। এনেদৰে কোনো এটা কাম হোৱা বা নোহোৱাৰ ওপৰত ভিত্তি কৰি ক্ৰিয়া পদক দুটা ভাগত ভগাব পাৰি— (ক) সদৰ্থক ক্ৰিয়া আৰু (খ) নঞৰ্থক ক্ৰিয়া।

সদৰ্থক ক্ৰিয়াৰূপৰ আগত ন-পূৰ্বসৰ্গ যোগ দি নঞৰ্থক ৰূপ কৰা হয়। সদৰ্থক ক্ৰিয়াটোৰ প্ৰথম স্বৰৰ ৰূপ অনুসৰি নঞৰ্থক 'ন'-ৰ লগত থকা স্বৰটো সলনি হয়।

৬। কবিতাটিত থকা নঞৰ্থক ৰূপবোৰ বাছি উলিয়াই লিখা।

৭। "ৰতন বপুৰা ভেবা লাগি ৰ'ল
কথাৰ পাকত ঘাটি।"

'ঘাটি' শব্দটোৱে বাক্য ভেদে বেলেগ বেলেগ অৰ্থ প্ৰকাশ কৰে। তলৰ বাক্যকেইটালৈ মন কৰা আৰু 'ঘাটি' শব্দটোৱে কোনটো বাক্যত কি অৰ্থ প্ৰকাশ কৰিছে লিখা।

(ক) বেপাৰত ৰমেনৰ পঞ্চাশ টকা ঘাটি হ'ল। [ ]

(খ) শৰাইঘাটত আহোম সৈন্যই ঘাটি পাতিছিল। [ ]

একেদৰে 'পাক' শব্দটোৱেও বাক্য ভেদে বেলেগ বেলেগ অৰ্থ প্ৰকাশ কৰে। অভিধান চাই শব্দটোৰ অৰ্থবোৰ জানি লোৱা আৰু বাক্যত কি অৰ্থ প্ৰকাশ কৰে লিখা।

৮। ৰোৰ্ডখনত থকা শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দবোৰ মেঘৰ টুকুৰাটোৰপৰা বিচাৰি লিখা।



চোকা,
টেঙৰ, হিত,
কৃপণ, বিশ্বাস,
কিনা

অজলা,
ভোদা, খৰচী,
অহিত, বেচা,
অবিশ্বাস

## জ্ঞান-সম্প্ৰসাৰণ

৯। 'টকাত একোটা হাতী' কবিতাটিৰ কথাখিনি গল্প আকাৰে শ্ৰেণীকোঠাত সহপাঠীৰ আগত কোৱা।

**১০। তলত হাতী শব্দটোৰে আৰম্ভ হোৱা শব্দবোৰ আভিধানিক অৰ্থৰ সৈতে জানো আহা—**

হাতী-আউনি = এজাতি ডাঙৰ ডাঙৰ পাতেৰে আউনি পাণ

হাতী-কপলীয়া = মহাভাগ্যৱান ব্যক্তি

হাতী-কেৰেলা = বনৰীয়া কেৰেলা আৰু তাৰ লতা

হাতী-খুজীয়া = হাতীৰ খোজৰ আকৃতিৰ

হাতী-খুতৰা = এবিধ কাঁইটীয়া খুতৰা শাক

হাতী-জোক = পানীত থকা এবিধ ডাঙৰ জোক

হাতী-পটি = হাবিৰ মাজৰ হাতীয়ে চলাচল কৰা বাট; আকাশত ওলোৱা সৰু সৰু তৰাৰ শাৰী

হাতী-পোক = মাটিৰ ভিতৰত থকা এবিধ ডাঙৰ কিন্তু চুটি বগা ধৰণৰ পোক

হাতী-ভেকুৰি = ভেকুৰি গছ

হাতী-মূৰীয়া = দেখিবলৈ হাতীৰ মূৰটোৰ দৰে

হাতী-লেটেকু = এবিধ বৰ ডাঙৰ লতা

হাতী-শুঁৰীয়া = হাতীৰ শুঁৰৰ নিচিনা; এবিধ বনৌষধি

একেদৰে 'বাঘ' শব্দটোৰে আৰম্ভ হোৱা শব্দবোৰৰ অৰ্থ অভিধানত চোৱা আৰু লিখা।

১১। তলত দিয়া কবিতাটি পঢ়া আৰু 'টকাত একোটা হাতী' কবিতাটিৰ লগত ভাবৰ কি মিল আছে কোৱা।

## বাং বিং



কটীয়া ককাৰ হাতত আছে
মাথোন দুটিহে কল
মহা মছকিল নাতি দুটিৰে
খাওঁতা তিনিটি হ'ল!

ডাঢ়ি মোহাৰি ককাই এটি
বঢ়িয়া উপায় পালে—
নাতি দুটিৰ হাতত তুলি
কল একোটিকে দিলে।

ককাই ক'লে— "সোণহঁত মোৰ
কল একোটিকৈ খাবি।
যদিহে বুঢ়ালৈ মৰম আছে
আধাডোখৰকৈ দিবি।"

কবি— অচিন মোমাইদেউ

**উৎস ঃ** 'সঁফুৰা সম্ভাৰ', সাঁচিপাত প্ৰকাশন, প্ৰথম সংস্কৰণ, নৱেম্বৰ ২০১৪, পৃষ্ঠা—১৯১।

১২। 'টকাত একোটা হাতী' কবিতাটোৰ তলত দিয়া নাট্যৰূপটো অভিনয় কৰোঁ আহা—

## টকাত একোটা হাতী

(ঘৰৰ ফুলনি বাগিচাখনত সোমাই ৰতনে ফুলৰ সৰু পুলিবোৰত পানী ঢালি আছিল। তেনেতে টিলিং টিলিংকৈ চাইকেলৰ বেল বজাই বজাই বাবুল সেইফালে আহিল। চাইকেলখন বেৰত আওজাই থৈ সি ৰতনৰ ওচৰ পালেহি। ফোপাই-জোপাই বাবুলে চকু দুটা ডাঙৰ কৰি ৰতনক ক'লে—)

**বাবুল** ঃ ঐ ৰতন, শুন শুন! গৰম খবৰ; বৰ ডাঙৰ খবৰ। মই আজি এটা গৰম খবৰ লৈ আহিছোঁ বুজিছ?

**ৰতন** ঃ গৰম খবৰ? ক আকৌ, কি গৰম খবৰ?

**বাবুল** ঃ অ' বৰ গৰম খবৰ। টকাত একোটা হাতী। বুজিছ— এটকাত এটা হাতী।

**ৰতন** ঃ কি কৈছ? এটকাত এটা হাতী! কি যে কথা কৰ! সঁচানে? এতিয়া দেখোন সকলোৱে হাতী কিনিব! যাহ্, মিছলীয়া ক'ৰবাৰ।

**বাবুল** ঃ ব'ল, মোৰ লগত বজাৰলৈ ওলা। বিশ্বাস নকৰ যদি, নিজে চাই ল'বি।

**ৰতন** ঃ তই মোক ভোদা বুলি ভাবিছ নেকি? মই কিন্তু তোৰ কথা বিশ্বাস নকৰোঁ দেই।

**বাবুল** ঃ ঠিক আছে। ব'ল বজাৰলৈ। বাজি ধৰিবি? যিয়ে হাৰিব, সিয়ে কিন্তু বাদাম ভজা খুৱাব লাগিব।

ৰতন ঃ বাৰু, ঠিক আছে; চাই লওঁচোন আগতে।

(ৰতন আৰু বাবুল দুয়ো পূজাৰ বজাৰখনৰ মাজ পালেগৈ। দোকানত ভৰি থকা বেলুন, খেলনা আদিবোৰলৈ ৰতনে তধা লাগি চালে।)

ৰতন ঃ বাঃ বাঃ, ইমান বেলুন আৰু খেলনা!

(সেই সময়তে বাবুলে দোকান এখনৰ ওচৰৰপৰা ৰতনলৈ চাই ক'বলৈ ধৰিলে)

বাবুল ঃ ঐ ৰতন, চা— এইটোলৈ চা। মই এটকাতে কিনিলোঁ। দেখিলি?

ৰতন ঃ উৰা! এইটো আকৌ কি? পুতলা হাতীহে দেখোন! মই সঁচা হাতীৰ কথাহে ভাবিছিলোঁ।

বাবুল ঃ অ' আকৌ, মই তোক হাতী বুলিহে কৈছিলোঁ— সঁচা হাতী নে পুতলা হাতী সেইটো কোৱা নাছিলোঁ নহয়। বাজিত জিকিলোঁ দেই। ব'ল, তই এতিয়া মোক বাদাম ভজা খুৱাব লাগিব। হাঃ হাঃ।

ৰতন ঃ ইচ্, কি যে হ'ব! ইস্মান বুধিয়ক। পুতলা হাতীৰ কথা মই ভবাই নাছিলোঁ ভাই!

(দুয়ো হাঁহি হাঁহি বাদাম ভজাৰ দোকানলৈ আগুৱাই গ'ল।)

১৩। হাতীৰ বিষয়ে দহটা বাক্য লিখা।

**১৪। সাঁথৰ ভাঙা আৰু লিখা।**

কলগছ হেন ঠেং তাৰ
টকৌপাতৰ দৰে কাণ,
আছে দুটা দীঘল দাঁত
বাপুৰ জানানে কি নাম? [ ]

**১৫। তলত দিয়া ছবিখনৰ চৰিত্ৰকেইটাৰ বাবে সংলাপ লিখা।**



## প্ৰকল্প

১৬। তোমালোকে একোটাকৈ ধেমেলীয়া কবিতা সংগ্ৰহ কৰি এখন হাতে লিখা কবিতা সংকলন প্ৰস্তুত কৰা।

১৭। তুমি ভালপোৱা যিকোনো এটা জন্তুৰ ছবি আঁকি ৰং বোলোৱা।

| অৰ্হতা | উপ-অৰ্হতা | ক্ৰিয়া-কলাপৰ নম্বৰ | নিজাববীয়াকৈ পাৰিছে | শিক্ষকৰ সহায়ত পাৰিছে | নিদানমূলক শিক্ষাৰ পাছত পাৰিছে |
|---|---|---|---|---|---|
| C 1.1 | ▪ পাঠৰ মূল বিন্দুসমূহ চিনাক্ত কৰি ক'ব আৰু প্ৰয়োজন সাপেক্ষে বহলাই লিখিব পাৰিব। | ১, ৩, ৪ | | | |
| | ▪ কবিতাৰ মূলভাব ক'ব আৰু লিখিব পাৰিব। | ৯, ১১ | | | |
| C-1.4 | ▪ উপযুক্ত লিখন শৈলীৰে নিৰ্দিষ্ট বিষয়ত দফা প্ৰস্তুত কৰিব পাৰিব | ১৩ | | | |
| C-1.5 | ▪ কবিতাটোৰ নাট্যৰূপত অভিনয় কৰিব পাৰিব। | ১২ | | | |
| | ▪ ছবি আঁকি প্ৰকল্পৰ বাবে দৃশ্য সমল প্ৰস্তুত কৰিব পাৰিব। | ১৭ | | | |
| C-2.1 | ▪ একেটা শব্দৰ পৰা সাধিত হোৱা বিভিন্ন যৌগিক শব্দৰ অৰ্থ জানিবলৈ অভিধান ব্যৱহাৰ কৰিব পাৰিব। | ৭, ১০ | | | |
| C-3.1 | ▪ নতুন শব্দবোৰ অৰ্থৰ সৈতে মিলাই লিখিব পাৰিব। | ২ | | | |
| | ▪ নঞৰ্থক ৰূপবোৰ বাছি উলিয়াই লিখিব পাৰিব। | ৬ | | | |
| | ▪ একে বানানৰ ভিন্ ভিন্ অৰ্থ বুজোৱা শব্দ বাক্যত প্ৰয়োগ কৰিব পাৰিব। | ৭ | | | |
| | ▪ বিপৰীত অৰ্থ বুজোৱা শব্দবোৰ চিনাক্ত কৰি লিখিব পাৰিব। | ৮ | | | |
| C-3.2 | ▪ উপযুক্ত লিখন শৈলী ব্যৱহাৰ কৰি কবিতাৰ স্তৱক গদ্য ৰূপত লিখিব পাৰিব। | ৫ | | | |
| | ▪ ছবি চাই চৰিত্ৰৰ বাবে সংলাপ লিখিব পাৰিব। | ১৫ | | | |
| C-4.2 | ▪ পুথিভঁৰালৰপৰা তথ্য সংগ্ৰহ কৰি প্ৰকল্পৰ বাবে হাতে লিখা কবিতা সংকলন প্ৰস্তুত কৰিব পাৰিব। | ১৬ | | | |
| C-5.3 | ▪ সাঁথৰ ভাঙি ক'ব আৰু লিখিব পাৰিব। | ১৪ | | | |

কবিতা সংকলনখন প্ৰস্তুত কৰোঁতে শিক্ষকে সহায় কৰিব আৰু বিদ্যালয়ৰ বঁটা বিতৰণী সভাত উন্মোচনৰ ব্যৱস্থা কৰিব।

পাঠ ১০

# লক্ষ্মীনাথ বেজবৰুৱাৰ সৈতে সাক্ষাৎকাৰ

A5R4U1

*'জয়মতী' প্ৰথম অসমীয়া কথাছবি। জ্যোতিপ্ৰসাদ আগৰৱালাই লক্ষ্মীনাথ বেজবৰুৱাৰ 'জয়মতী কুঁৱৰী' শীৰ্ষক নাটকখনৰ আধাৰত এই কথাছবিখন নিৰ্মাণ কৰিছিল। ১৯৩৫ খ্ৰীষ্টাব্দৰ ১০ মাৰ্চত কলিকতাৰ 'ৰাউনাক' প্ৰেক্ষাগৃহত 'জয়মতী'ৰ প্ৰথম দৰ্শনীৰ আয়োজন কৰা হৈছিল। ছবিখন উদ্বোধন কৰিবলৈ আহোঁতে বেজবৰুৱাৰ এই সাক্ষাৎকাৰটো নৰেন্দ্ৰনাথ বৰদলৈয়ে লৈছিল। এই পাঠটিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম অসমীয়া কথাছবিখনৰ পটভূমিৰ আভাস পোৱাৰ উপৰি সাক্ষাৎকাৰ পঠনৰ সোৱাদ লাভ কৰিবলৈ সক্ষম হ'ব।*



**নৰেন বৰদলৈ ঃ আপুনি সুদূৰ সম্বলপুৰৰপৰা অকল 'জয়মতী' ফিল্মৰ উদ্বোধন কৰিবলৈকে আহিছিল নে কলিকতাত আপোনাৰ আন কিবা কাম আছিল?**

**লক্ষ্মীনাথ বেজবৰুৱা ঃ** মাথোন 'জয়মতী' ফিল্মৰ উদ্বোধন কাৰ্য কৰিবলৈহে আহিছিলোঁ, আন একো কাম নাছিল। 'চিত্ৰলেখা মুভীটোন কোম্পানি'ৰ গৰাকীৰ নিমন্ত্ৰণ পত্ৰ পায়েই তেতিয়াই মই আহিবলৈ ঠিক কৰিলোঁ। অসমত অসমীয়াৰদ্বাৰাই আগেয়ে নোহোৱা-নোপজা এনে এটা কাৰ্য চাবলৈ মোৰ বৰ হেঁপাহ হৈছিল। তাৰ উপৰি 'জয়মতী' ফিল্মৰ ভেঁটিটো মোৰ 'জয়মতী

কুঁৱৰী’ নামৰ নাটখন। সেইটো কাৰণেও মোক বৰকৈ টানিলে।

**নৰেন বৰদলৈ ঃ ‘জয়মতী’ ফিল্ম চাই আপোনাৰ ইয়ালৈ অহা পৰিশ্ৰম সাৰ্থক হ’ল বুলি ভাবেনে?**

**লক্ষ্মীনাথ বেজবৰুৱা ঃ** নিশ্চয় সাৰ্থক হ’ল বুলি ভাবিছোঁ। নহাহেঁতেন মোৰ মনত এটা দুখ থাকি গ’লহেঁতেন। মুঠতে কওঁ— ‘জয়মতী’ ফিল্ম চাবলৈ শদিয়ালৈকে যাবলগীয়া হোৱাহেঁতেনো গ’লোঁহেঁতেন, তথাপি দুখ যেন নাভাবিলোঁহেঁতেন।

**নৰেন বৰদলৈ ঃ গোটেই ফিল্মখন চাই আপোনাক কিটো কথাই বিশেষকৈ মনত সাঁচ বহুৱালে?**



**লক্ষ্মীনাথ বেজবৰুৱা ঃ** যি কালৰ ঘটনা আৰু কাৰ্যৰ চিত্ৰ ফিল্মখনে প্ৰকাশ কৰিছে, সেইবোৰ সাইলাখ ‘সেই কালৰ’ যেন লাগে। ভাৰতৰ নানা ঠাইত আন আন ভাৰতীয় ভাষাত ঐতিহাসিক আৰু পৌৰাণিক ঘটনা আৰু কাৰ্যৰ সবাক চিত্ৰ মই দেখিছোঁ; আন নালাগে এই কলিকতাতে আগেয়ে বঙলা আৰু হিন্দী ভাষাত তেনে ফিল্ম দেখিছোঁ; কিন্তু সেইবোৰে মোৰ মনত সেই পুৰণি কালোপযোগী পাৰিপাৰ্শ্বিক অৱস্থা এনেদৰে সৃষ্টি কৰিবপৰা নাছিল। দ্বিতীয় কথা মনত লাগিছে যে আগেয়ে কেতিয়াও ফিল্ম নেদেখা বা ফিল্মৰ অৰ্থে ভাও নিদিয়া অসমীয়া মতা আৰু তিৰোতাই (কিছুমান একেবাৰেই গাঁৱলীয়া) এনে সুন্দৰকৈ এই ‘জয়মতী’ ফিল্মত ভাও দিবলৈ কেনেকৈ পাৰিলে? দুজনী-এজনী ভাৱৰীয়ানীক এতিয়াই ‘হলিউডৰ ফিল্মষ্টাৰ’ৰ শাৰীত বহুৱাব পাৰি। মুঠতে ক’ব পাৰি যে, ‘জয়মতী’ ফিল্মৰ ভাৱৰীয়া-ভাৱৰীয়ানীয়ে সপ্তদশ শতিকাৰ অসমক এই ফিল্মত পুনৰ জীৱন দি তুলি দেখুৱালে।

**নৰেন বৰদলৈ ঃ কাৰ ভাও আটাইতকৈ ভাল হৈছিল বুলি আপুনি ভাবে?**

**লক্ষ্মীনাথ বেজবৰুৱা ঃ** নিশ্চয় ডালিমীৰ। মোৰ নাটকখনৰ সৰহভাগ মানুহ আৰু তেওঁলোকৰ চৰিত্ৰ ঐতিহাসিক। কিন্তু ডালিমী সম্পূৰ্ণৰূপে মোৰ মানস প্ৰতিমা। মই কেতিয়াও ভবা নাছিলোঁ যে ডালিমীক মোৰ মানসপটৰ বাহিৰে কেতিয়াবা ইহজনমত দেখিবলৈ পাম। কিন্তু ‘জয়মতী’ ফিল্মৰ ডালিমীয়ে মোৰ সপোন দিঠক কৰিলে। মোৰ মন চিত্ৰপটত থকা সেই চঞ্চল, সৰল, আনন্দময়ী, প্ৰকৃতিৰ জীয়ৰী, এঘাৰ বছৰীয়া ডালিমীক মই ফিল্মত সোঁশৰীৰে পখিলাটিৰ দৰে

উৰি ফুৰা দেখিলোঁ; যিটি ছোৱালীয়ে 'জয়মতী' ফিল্মত মোৰ মানস প্ৰতিমা-ডালিমীক মোৰ চকুৰ আগত থিয় কৰি দিলে। সেই ভাৰৰীয়ানী ছোৱালীটিক মই লগ পোৱাহেঁতেন, তাইৰ মূৰত হাত দি আশীৰ্বাদ দিলোঁহেঁতেন। আশাকৰোঁ— 'চিত্ৰলেখা মুভিটোন'ৰ গৰাকীয়ে মোৰ আশীৰ্বাদ নিৰ্মালি-ফুলপাহি তাইৰ খোপাৰ বনফুলৰ একাষে গুঁজি দিব।

**নৰেন বৰদলৈ ঃ সেই কালত আহোম ৰাজ্যত চলা কলা-কৌশল, ঘৰ-বাৰী সজোৱাৰ গঢ়-গতি, সাজ-পাৰ, সামাজিক আচৰণ আদি জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে হুবহুকৈ ফিল্মত দেখুৱাব পাৰিছেনে?**

**লক্ষ্মীনাথ বেজবৰুৱা ঃ** মোৰ মনেৰে এইবোৰ বিষয়ত জ্যোতিপ্ৰসাদ ভালেমানখিনি কৃতকাৰ্য হৈছে। অৱশ্যে অ'ত-ত'ত, অলপ-অচৰপ ত্ৰুটি থকাটো চকুত পৰিলেও তাক ধৰিব লগা নহয়; কাৰণ সি অতি সামান্য।

**নৰেন বৰদলৈ ঃ ফিল্মখন আপুনি কোৱাৰ দৰে আশাতীতৰূপে ভাল হোৱাৰ বাবে আপুনি ঘাইকৈ কাৰ শলাগ লয়?**

**লক্ষ্মীনাথ বেজবৰুৱা ঃ** জ্যোতিপ্ৰসাদ বোপাৰ। তেওঁৰ তিনিটা বস্তু আছে— 'হাতত ধন, মূৰত শিক্ষা আৰু সুকুমাৰ শিল্পকলাৰ জ্ঞান।' অৱশ্যে তেওঁৰ লগৰীয়াসকললৈকো যে মই শলাগৰ ভাগ থোৱা নাই এনে নহয়, তেওঁলোকৰ সহযোগিতা এহাশুধীয়াভাৱে নথকাহেঁতেন, জ্যোতিপ্ৰসাদ দহগুণে সৰহ পাকৈত হোৱাহেঁতেনো তেওঁ কাৰ্য সিদ্ধি কৰিব নোৱাৰিলেহেঁতেন। আমাৰ কথাতে কয়— 'দহো আঙুলিৰে খায়, কিন্তু বুঢ়াই হেঁচুকিলেহে যায়।' জ্যোতিপ্ৰসাদ বুঢ়া আঙুলি।

**নৰেন বৰদলৈ ঃ অসমত ফিল্ম ইণ্ডাষ্ট্ৰী সম্বন্ধে আপোনাৰ কি মত? ফিল্ম সম্বন্ধে নানা মুনিৰ নানা মত। আপোনাৰ মত জানিব খোজোঁ।**

**লক্ষ্মীনাথ বেজবৰুৱা ঃ** পৃথিৱীৰ আন দেশত ফিল্মৰ যি কৰ্তব্য আৰু তাৰ যি ফলাফল, অসমতো কম-বেছি তেনেই। ৰে'ল, বিজুলী-ডাক, আকাশী বিমান আহিছে, থাকিও যাব। সেইবোৰৰ দৰে ফিল্মো থাকি যাব আৰু সেইবোৰ নহ'লে মানুহৰ নচলাৰ দৰে, কালত ইয়ো নহ'লে আমাৰ নচলা হ'ব। আকাশী বিমানক ওপৰৰ পৰা বোমা পেলোৱাত মাথোন ব্যৱহাৰ কৰিলে তাৰ ফল যেনে বিপৰ্যয়, ফিল্মৰ বিষয়েও তেনে কথাই। সজ কাৰ্যৰ সজ ফল, অসজ কাৰ্যৰ অসজ ফল।

শেহত এইটোও তোমাক কৈ থওঁ— 'জয়মতী' ফিল্ম জ্যোতিপ্ৰসাদ আগৰৱালা

বোপাৰ প্ৰথম উদ্যম। তাৰ 'টেকনিক' ইত্যাদিত অনেক ত্ৰুটি ৰৈ গৈছে। তাৰ কাৰণ ঘাইকৈ কলিকতাৰ কোনো এটা ষ্টুডিঅ'ৰ ভিতৰত ফিল্মখনৰ কিছুমান বিষয়ৰ জীৱনদান নকৰি অসমৰ মুকলি আকাশৰ তলত সেই কাৰ্য কৰাৰ বাবে। অৱশ্যে ষ্টুডিঅ'ৰ ভিতৰত তেনে কাৰ্যৰ যেনেকৈ সুবিধা- অসুবিধা দুয়োটা আছে, মুকলি আকাশৰ তলতো তেনে সুবিধা-অসুবিধা দুয়োটা আছে। সেইবোৰ বহলাই ক'বৰ আৱশ্যক নাই। আগৰৱালাই সেইবোৰ নিশ্চয় ভালকৈ বুজিছে।

শেহত, জ্যোতি বোপাক মই দুই হাত তুলি অন্তৰেৰে সৈতে আশীৰ্বাদ দিওঁ, তেওঁ যেন এই ফিল্মতে ভালকৈ লাগি থাকি দিনক দিনে উন্নতি সাধন কৰে। তেওঁৰ প্ৰথম উদ্যমত তেওঁ নিশ্চয় আশাতীতৰূপে কৃতকাৰ্য হৈছে। 'কেঁচামালে'ৰে তেওঁ মুখৰোচক খাদ্য প্ৰস্তুত কৰি প্ৰশংসাভাজন হৈছে। তেওঁ যদি এই ফিল্মৰ কাৰ্য আজি হাতত নল'লেহেঁতেন কমপক্ষেও আৰু কুৰি বছৰৰ ভিতৰত সি হৈ নুঠিলেহেঁতেন বুলি মোৰ বিশ্বাস। তেওঁৰ 'জয়মতী' ফিল্মে টোপনিত লালকাল হৈ পৰি থকা অসমক নিশ্চয় জগাব। আমাৰ কোনো কোনোৱে কলিকতীয়া হৈ বা বিলাতলৈ গৈ 'হলিউড'ৰ 'ফিল্ম-পিকচাৰ'ৰে সৈতে 'জয়মতী' ফিল্ম ৰিজাই তাক নিন্দা কৰিবলৈ যায়, তেন্তে ইংৰাজী সাহিত্য দেখি আজিকালিৰ অসমীয়া সাহিত্যক নিন্দা কৰিবলৈ যোৱা যেন হ'ব। গৰুড়ৰ উৰাও দেখি টিপচীয়ে যদি ভাবে যে, মই তেনেকৈ উৰিব নোৱাৰোঁ যেতিয়া টিপচী উৰাও মাৰি লোকৰ হাঁহিয়াতৰ পাত্ৰ নহওঁ, তেন্তে টিপচীয়ে ভুল কৰিব। প্ৰকাণ্ড বৰগছজোপাৰ গুটি এটি সৰিয়হ এটাৰ সমান। সেয়ে বৰগছৰ প্ৰাণ আৰু পূৰ্বাৱস্থা। লোকৰ কাম 'কৃটিচাইজ' কৰাটো বৰ উজু; কিন্তু তেনে কাম নিজে কৰাটো বৰ টান। বন্ধুভাৱে সহানুভূতিৰে ত্ৰুটি দেখুওৱাটো এটা কথা আৰু বিৰুদ্ধভাৱাপন্ন হৈ 'কৃটিচাইজ' কৰাটো আন জাতৰ কথা।

আজিলৈ ইয়াকে মাথোন কওঁ— যোৱা, 'জয়মতী' ফিল্ম হাতত লৈ 'চিত্ৰলেখা মুভীটোন কোম্পানি' অসমলৈ যোৱা। সতী জয়মতীৰ পবিত্ৰ কীৰ্তি-কাহিনীৰে জয়সাগৰৰ পাৰত নতুন জয়দৌল স্থাপন কৰাগৈ। অসমৰ আইটীসকলে কাষত মংগল-কলহ লৈ মুখেৰে জয়মতীৰ অমৰ কীৰ্তিৰ নাম গাই সেই সাগৰৰপৰা পানী তুলি আনি, সেই দৌলৰ ভিতৰত স্থাপিত দেৱী প্ৰতিমাৰ মূৰত ঢালি জয়মতীক নোৱাই অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে— অকল অসম কিয়, গোটেই পৃথিৱীৰ সতীসকলক— জয়মতীৰ প্ৰদীপ্ত গৌৰৱৰ উদাহৰণেৰে অনুপ্ৰাণিত কৰক।

এই বুঢ়াৰ এই আশা। পূৰ্ণ হ'ব নে নহয়, ঈশ্বৰে জানে।

**উৎস ঃ** বেদান্ত পূজাৰী সম্পাদিত 'সাক্ষাৎকাৰ', প্ৰথম প্ৰকাশ, নৱেম্বৰ, ২০২৩, বনলতা, ডিব্ৰুগড়-১, পৃষ্ঠা— ১১-১৪

*(সাক্ষাৎকাৰটি প্ৰথম প্ৰকাশ পাইছিল ১৯৩৫ খ্ৰীষ্টাব্দৰ ২৯ মাৰ্চত, 'তিনিদিনীয়া অসমীয়া' কাকতত। এই পাঠটিত পাঠ্যপুথি প্ৰস্তুতৰ নীতি আৰু পাঠৰ শিকন ফলাফলৰ প্ৰতি লক্ষ্য ৰাখি মূল সাক্ষাৎকাৰটো সামান্য সম্পাদনা কৰা হৈছে।)*

***নৰেন বৰদলৈ*** *(১৯১২-১৯৯৪) ঃ নৰেন বৰদলৈৰ সম্পূৰ্ণ নাম নৰেন্দ্ৰ নাথ বৰদলৈ। তেওঁ নগাঁও জিলাৰ হয়বৰগাঁৱত জন্মগ্ৰহণ কৰিছিল। পাছলৈ তেওঁ বৃহ্মপুৰৰ ভেৰভেৰী গাঁৱত স্থায়ীভাৱে বাস কৰিবলৈ লৈছিল। তেওঁ আছিল একাধাৰে সু-অভিনেতা, চিত্ৰ সাংবাদিক, কবি, প্ৰবন্ধকাৰ, লেখক আৰু ৰাজনীতিবিদ। ১৪ বছৰ বয়সত নৰেন বৰদলৈয়ে জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জয়মতী' কথাছবিত ল'ৰাৰজাৰ চৰিত্ৰ ৰূপায়ণ কৰিছিল। ১৯৩৩ খ্ৰীষ্টাব্দত আগৰৱালাদেৱে বৰদলৈক 'চিত্ৰবন' ষ্টুডিঅ'ৰ প্ৰচাৰ সচিব হিচাপেও নিযুক্ত কৰিছিল। পৰৱৰ্তী কালত আব্দুল মজিদে পৰিচালনা কৰা 'উত্তৰকাল' কথাছবিতো তেওঁ অভিনয় কৰিছিল।*

## ক্ৰিয়া-কলাপ

### পাঠভিত্তিক

১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই সঠিক ○ বৃত্তটো পূৰ কৰা—

- 'জয়মতী' কথাছবিখনৰ প্ৰথম দৰ্শনীৰ উদ্বোধন কোন ঠাইত কৰা হৈছিল?

(ক) শদিয়াত (গ) সম্বলপুৰত

(খ) কলিকতাত (ঘ) জয়সাগৰত

ক খ গ ঘ

- 'জয়মতী' কথাছবিখনৰ ডালিমী চৰিত্ৰটিৰ ভাও বেজবৰুৱাৰ কিয় ভাল লাগিছিল?

(ক) ডালিমী এটি কালোপযোগী চৰিত্ৰ হোৱাৰ বাবে

(খ) ডালিমী এটি ঐতিহাসিক চৰিত্ৰ হোৱাৰ বাবে

(গ) ডালিমী চৰিত্ৰটি বেজবৰুৱাৰ মানস প্ৰতিমা হোৱাৰ বাবে

(ঘ) ডালিমী চৰিত্ৰটি সৰল, চঞ্চল প্ৰকৃতিৰ হোৱাৰ বাবে

ক খ গ ঘ

২। তুমি ওপৰৰ দ্বিতীয় প্ৰশ্নৰ উত্তৰটো কিয় শুদ্ধ বুলি বাছি ল'লা? তোমাৰ লগৰীয়াৰ লগত আলোচনা কৰি কোৱা।

৩। তলৰ প্ৰথম মেঘ টুকুৰাত থকা শব্দবোৰৰ অৰ্থ দ্বিতীয় মেঘ টুকুৰাত দিয়া আছে। শব্দবোৰৰ অৰ্থ বাছি উলিয়াই লিখা। প্ৰয়োজন হ'লে অভিধানৰ সহায় ল'বা।

হেঁপাহ, সাৰ্থক, সাইলাখ, প্ৰতিমা, ত্ৰুটি, অনুপ্ৰাণিত, গৰুণ্ড

গৰুড়পক্ষী, সফল, দোষ, মূৰ্তি, উৎসাহিত, হাবিয়াস, সদৃশ

৪। তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ কোৱা আৰু লিখা।

(ক) প্ৰথম অসমীয়া কথাছবিখনৰ নাম কি?

(খ) 'জয়মতী' কথাছবিখন কিমান খ্ৰীষ্টাব্দত মুক্তি লাভ কৰিছিল?

(গ) 'জয়মতী' কথাছবিখন কোনে নিৰ্মাণ কৰিছিল?

(ঘ) বেজবৰুৱাই 'জয়মতী' কথাছবিখন উদ্বোধন কৰিবলৈ কোন ঠাইৰপৰা আহিছিল?

(ঙ) বেজবৰুৱাৰ কোনখন নাটকৰ আধাৰত 'জয়মতী' কথাছবিখন নিৰ্মাণ কৰা হৈছিল?

৫। তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ আলোচনা কৰি কোৱা আৰু লিখা।

(ক) 'জয়মতী' ফিল্মৰ ডালিমী চৰিত্ৰটিয়ে বেজবৰুৱাৰ সপোন কেনেদৰে দিঠক কৰিলে?

(খ) অসমৰ ফিল্ম ইণ্ডাষ্ট্ৰী সম্পৰ্কে বেজবৰুৱাৰ মত কেনেধৰণৰ আছিল?

(গ) বেজবৰুৱাই কি কি কাৰণত 'জয়মতী' কথাছবিখন সফল হৈছে বুলি উল্লেখ কৰিছে?

৬। কোনে, কাক কৈছিল লিখা।

(ক) "অসমত অসমীয়াৰদ্বাৰাই আগেয়ে নোহোৱা-নোপজা এনে এটা কাৰ্য চাবলৈ মোৰ বৰ হেঁপাহ হৈছিল।"

(খ) "ফিল্ম সম্বন্ধে নানা মুনিৰ নানা মত।"

(গ) "এই বুঢ়াৰ এই আশা। পূৰ্ণ হ'ব নে নহয়, ঈশ্বৰে জানে।"

৭। "গৰুণ্ডৰ উৰাও দেখি টিপচীয়ে যদি ভাবে যে, মই তেনেকৈ উৰিব নোৱাৰোঁ যেতিয়া টিপচী উৰাও মাৰি লোকৰ হাঁহিয়াতৰ পাত্ৰ নহওঁ, তেন্তে টিপচীয়ে ভুল কৰিব।"— শিক্ষকৰ সহায় লৈ কথাযাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা।

৮। সাক্ষাৎকাৰটোৰ কোনখিনি কথা তোমাৰ ভাল লাগিছে আৰু কিয় ভাল লাগিছে দলত আলোচনা কৰা।

## ভাষা-অধ্যয়ন

### জানো আহা—

পাঠটিত তোমালোকে নিমন্ত্ৰণ, কাৰণ, পৌৰাণিক, আচৰণ—এই শব্দকেইটা পাইছা। প্ৰতিটো শব্দতে 'ণ' বৰ্ণটো আছে। এই শব্দকেইটাত 'ণ' ব্যৱহাৰ হোৱাৰ নিৰ্দিষ্ট কাৰণ আছে। এই ক্ষেত্ৰত ইয়াত ণত্ববিধিৰ নিয়ম প্ৰযোজ্য হৈছে। এই নিয়ম অনুসৰি,

শব্দত থকা ঋ, ৰ আৰু ষ-ৰ পাছৰ দন্ত্য 'ন' মূৰ্দ্ধন্য 'ণ' হয়। উদাহৰণস্বৰূপে— ঋণ, তৃণ আদি শব্দকেইটাত ('ণ' ৰ আগত 'ঋ' আখৰটো থকাৰ কাৰণে); নিমন্ত্ৰণ, কাৰণ, পৌৰাণিক, আচৰণ আদি শব্দকেইটাত ('ণ' ৰ আগত 'ৰ' থকাৰ কাৰণে); গৱেষণা, বৰষুণ আদি শব্দকেইটাত ('ণ' ৰ আগত 'ষ' থকাৰ কাৰণে) মূৰ্দ্ধন্য 'ণ' হৈছে।

**৯। ওপৰৰ উদাহৰণৰ আধাৰত বিচাৰ কৰি তলত দিয়া শব্দবোৰৰ শুদ্ধ ৰূপটো লিখা।**

| ধৰন | মৰন | বিশেষন |
|---|---|---|
| | | |

| ভীষন | মসৃন | মৃনাল |
|---|---|---|
| | | |

**১০। তলত থকা শব্দবোৰ ণত্ব বিধি অনুসৰি বিশ্লেষণ কৰি সিপিঠিৰ তালিকাখনৰ উপযুক্ত ঠাইত বহুওৱা—**

*সম্ভাষণ, কাৰণ, তোষণ,*
*প্ৰাণ, মসৃণ, তৃণ, ঋণ,*
*ভূষণ, তৰ্পণ, কৰ্ণ, ঘৃণা,*
*তোৰণ, ঘ্ৰাণ, ধৰণী,*

| ‘ঋ’ থকা বাবে | ‘ৰ’ থকা বাবে | ‘ষ’ থকা বাবে |
|---|---|---|
| | | |

১১। আৰ্হিটোত দেখুওৱাৰ দৰে তলৰ বাক্যকেইশাৰীৰ ভাব বহলাই লিখা।

আৰ্হি ঃ

**দহো আঙুলিৰে খায়, কিন্তু বুঢ়াই হেঁচুকিলেহে যায় ঃ** ভাত এগৰাহ খাবলৈ হ'লে যা-যোগাৰ কৰাৰপৰা মুখলৈ নিয়ালৈকে হাতৰ গোটেইকেইটা আঙুলিৰ প্ৰয়োজন হয়। কিন্তু খাবৰ বাবে বুঢ়া আঙুলিৰে মুখৰ ভিতৰলৈ ঠেলিবলগীয়া হয়। বুঢ়া আঙুলি অবিহনে ভাত খোৱা কামটো সহজ নহয়। ঠিক তেনেদৰে, কোনো এটা কাম সুকলমে সম্পন্ন হ'বৰ বাবে পৰিয়াল বা সমাজৰ এজন জ্যেষ্ঠ বা অভিজ্ঞ ব্যক্তিৰ প্ৰয়োজন হয়। সেই জ্যেষ্ঠ বা অভিজ্ঞ ব্যক্তিজনে দিহা-পৰামৰ্শ দি বা আগভাগ লৈ কাম এটা সম্পূৰ্ণ হোৱাত সহায় কৰে।

(ক) সজ কাৰ্যৰ সজ ফল, অসজ কাৰ্যৰ অসজ ফল।

(খ) ৰাইজে নখ জোকাৰিলে নৈ বয়।

## জ্ঞান-সম্প্ৰসাৰণ

জানো আহা—

জ্যোতিপ্ৰসাদ আগৰৱালাই জাৰ্মানীত চলচ্চিত্ৰ বিষয়ক শিক্ষাগ্ৰহণ কৰিছিল। অসমলৈ আহি ‘জয়মতী’ কথাছবিখন নিৰ্মাণ কৰোঁতে তেওঁ বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হৈছিল। বিশেষকৈ নাৰী শিল্পী নিৰ্বাচনৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা পাইছিল। কাৰণ, সেই সময়ৰ সমাজখন আছিল অতি ৰক্ষণশীল। বোলছবিখনৰ তিনিটা মূল চৰিত্ৰ ‘জয়মতী’, ‘ডালিমী’ আৰু ‘পাটমাদৈ’ৰ বাবে উপযুক্ত অভিনেত্ৰী বিচাৰি নোপোৱাত তেওঁ চিন্তিত হৈ কাকতত বিজ্ঞাপন দিছিল। এই কথা গম পাই ডিম্ব গোহাঁই নামৰ এজন ব্যক্তিয়ে তেওঁৰ সম্বন্ধীয়া ভনীয়েক আইদেউ সন্দিকৈৰ ফটো তুলি পঠিয়াই দিছিল। ফটোখন দেখি জ্যোতিপ্ৰসাদ আগৰৱালাই ছোৱালীজনীক ‘জয়মতী কুঁৱৰী’ৰ চৰিত্ৰত অভিনয় কৰাবলৈ লৈ আহিবলৈ কৈছিল। গতিকে, গোহাঁয়ে আইদেউ সন্দিকৈক লৈ আহি চিনেমাত অভিনয় কৰোৱাইছিল।

'জয়মতী' কথাছবিখনৰ আন কেইজনমান অভিনেতা-অভিনেত্ৰী হ'ল— ফুনু বৰুৱা, মোহিনী ৰাজকুমাৰী, স্বৰ্গজ্যোতি বৰুৱা, মনোভিৰাম বৰুৱা, ফণী শৰ্মা, স্নেহ চন্দ্ৰ বৰুৱা, নৰেন বৰদলৈ, ৰানা বৰুৱা, চামচুল হক, ৰাজেন বৰুৱা, পুতুল হক, প্ৰতাপ বৰুৱা, ৰাজকুমাৰী গোহাঁই, সুবৰ্ণৰেখা শইকীয়া, ললিত মোহন চৌধুৰী, বনমালী দাস, প্ৰফুল্ল চন্দ্ৰ বৰুৱা, কমলা প্ৰসাদ আগৰৱালা আদি।

১২। আইদেউ সন্দিকৈৰ বিষয়ে বিভিন্ন উৎসৰপৰা তথ্য সংগ্ৰহ কৰি লিখা।

**১৩। শব্দজালখন মনোযোগেৰে চোৱা আৰু তাৰপৰা অৰ্থপূৰ্ণ শব্দ বিচাৰি তলত দিয়া খালী ঠাইসমূহ পূৰ কৰা। প্ৰয়োজন হ'লে পাঠৰ সহায় ল'বা।**

| | | | | | |
|---|---|---|---|---|---|
| নি | ক | দূ | ৰ্মা | সু | ণি |
| লি | তি | ঐ | ৰ | হা | কা |
| সি | পৌ | শ | ক | ৰা | তি |

(ক) পুৰাণ সম্বন্ধীয় ——————

(খ) ইতিহাস সম্পৰ্কীয় ——————

(গ) গুৰুৱে আশীৰ্বাদ কৰি দিয়া ফুল ——————

(ঘ) এশ বছৰ বিয়পা কাল ——————

(ঙ) বহু দূৰ যি ——————

## প্ৰকল্প

১৪। দুজনীয়া গোটত বিভক্ত হৈ এজনে আনজনৰ পৰিচয়, অভিৰুচি, দৈনিক ৰুটিন, ভৱিষ্যতে কি হ'ব খোজে আদি বিভিন্ন দিশৰ প্ৰশ্ন সুধি এটি সাক্ষাৎকাৰ লোৱা।

১৫। তোমালোকৰ অঞ্চলৰ কোনো খেতিয়ক, শিল্পী, সাহিত্যিক বা অন্য যিকোনো ক্ষেত্ৰত পাৰদৰ্শিতা থকা এগৰাকী ব্যক্তিৰ সাক্ষাৎকাৰ কেনেকৈ ল'বা, তাৰ এটা আৰ্হি প্ৰস্তুত কৰি শিক্ষকক দেখুওৱা আৰু সাক্ষাৎ গ্ৰহণ কৰি শ্ৰেণীকোঠাত পঢ়ি শুনোৱা।

১৬। তোমালোকে শ্ৰেণীকোঠাত 'জয়মতী' ছবিখন উপভোগ কৰি ছবিখনৰ বিষয়ে আলোচনা কৰা।

| অৰ্হতা | উপ-অৰ্হতা | ক্রিয়া-কলাপৰ নম্বৰ | নিজাববীয়াকৈ পাৰিছে | শিক্ষকৰ সহায়ত পাৰিছে | নিদানমূলক শিক্ষাৰ পাছত পাৰিছে |
|---|---|---|---|---|---|
| C 1.1 | ■ পাঠৰ মূল বিন্দুসমূহ চিনাক্ত কৰি ক'ব আৰু প্ৰয়োজন সাপেক্ষে বহলাই লিখিব পাৰিব। | ১, ২, ৪, ৫, ৬, ৭, ৮, ১১ | | | |
| C-1.2 | ■ সাক্ষাৎকাৰৰ পৰিকল্পনা আৰু পৰিচালনা কৰিব পাৰিব। | ১৪, ১৫ | | | |
| C-3.1 | ■ নতুন শব্দবোৰৰ অৰ্থ অভিধান চাই বুজি লিখিব পাৰিব। | ৩ | | | |
| | ■ ণত্ববিধিৰ নিয়ম বুজি লিখনত প্ৰয়োগ কৰিব পাৰিব। | ৯, ১০ | | | |
| C-4.2 | ■ পুথিভঁৰালৰপৰা তথ্য সংগ্ৰহ কৰি নিৰ্দিষ্ট বিষয়ত লিখিব পাৰিব | ১২ | | | |
| | ■ বৈদ্যুতিন মাধ্যমৰপৰা পোৱা সমলেৰে প্ৰকল্পৰ কাম কৰিব পাৰিব। | ১৬ | | | |
| C-5.3 | ■ শব্দজালৰপৰা উপযুক্ত শব্দ বিচাৰি উলিয়াই লিখিব পাৰিব | ১৩ | | | |

পাঠ ১১

# মাইনুৰ টনছিলাইটিছ

*আমাৰ বায়ুমণ্ডলত থকা বিভিন্ন ধৰণৰ বীজাণুৱে শৰীৰত প্ৰৱেশ কৰি নানা ৰোগৰ সৃষ্টি কৰে। এই ৰোগবোৰৰ লগত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ কথাও জড়িত হৈ থাকে। পাঠটোৰ যোগেদি শিক্ষাৰ্থীৰ স্বাস্থ্য সম্পৰ্কীয় সজাগতা বৃদ্ধি হ'ব। পাঠটিত লেখকে টনছিলাইটিছৰ দৰে ৰোগ এটাক কেনেকৈ কাহিনীৰ জৰিয়তে বৰ্ণনা কৰিছে চাওঁ আহাচোন।*



যোৱা দুদিন ধৰি মাইনু স্কুললৈ যোৱা নাই। তাইৰ জ্বৰ আৰু ডিঙিৰ বিষ। ডাক্তৰ পেহীয়ে মাইনুক ঠাণ্ডা বস্তু খোৱা একেবাৰে বন্ধ কৰি দিছে। ইমান গৰমৰ দিনত গৰম গৰম পনীয়া বস্তুবোৰ খাবলগীয়া হোৱাত মাইনুৰ বৰ অশান্তি হৈছে। মাইনুৰ অৱস্থা দেখি মুনটি আৰু জোনটিৰো মন বেয়া। পিছে সিহঁত দুটাই দুখ পালে কিনো হ'ব! ভনীয়েকক দিনটোৰ ভিতৰত এবাৰ জোকাবলৈ নেপালে সিহঁতহালৰ মনেই নভৰে। সেইকাৰণে মুনটিয়ে স্কুলৰপৰা আহিয়েই মাইনুৱে শুনাকৈ চিঞৰি চিঞৰি জোনটিক ক'লে— "জোনটি, নয়ন খুৰাই আজি আইচক্ৰীম খুওৱাৰ কথা আছিল নহয়! ব'লা খুৰাৰ ওচৰলৈ যাওঁ।"

মুনটিৰ কথাৰ সুৰতে সুৰ মিলাই জোনটিয়েও প্ৰায় ডাঙৰকৈ ক'লে— "হয় নেকি মুনটি! ব'লা, আজি যে ইমান গৰম পৰিছে! মই কিন্তু দুটা আইচক্ৰীম খাম।"

মুনটি আৰু জোনটিক নয়ন খুৰাই আইচক্ৰীম খুৱাব বুলি শুনি মাইনু ৰ'ব নোৱাৰিলে। বিছনাতে তাই ভেঁ-ভেঁকৈ কান্দি দিলে।

ইফালে নিজৰ অপাৰেচন সাৰ্থক হ'ল বুলি মুনটি আৰু জোনটিয়ে পঢ়া কোঠাত সোমাই মুখ টিপি খুক্‌খুকাই হাঁহিলে। তাকে দেখি ডাক্তৰ পেহীয়ে প্ৰায় ধম্‌কিৰ সুৰত কৈ উঠিল—"তোমালোকে মাইনুক কিয় জোকাইছা? মাইনুৰ টন্‌ছিল বাঢ়িছে। ঠাণ্ডা বস্তু খালে তাইৰ অৱস্থা সাংঘাতিক বেয়া হ'ব।"

"ডাক্তৰ পেহী, তুমি মাইনুৰ জ্বৰ বুলিহে কৈছিলা। টন্‌ছিলনো বাঢ়িল কেতিয়াৰপৰা? এইটোনো আকৌ কি বেমাৰ পেহী?" জোনটিয়ে সুধিলে।

"মাইনুৰ ডিঙিৰ ওপৰত দুফালে থকা এই টন্‌ছিল দুটা বীজাণুৱে আক্ৰমণ কৰিছে।" ডাঃ পেহীয়ে মুখৰ তলফালে ভিতৰত সোমাই থকা টন্‌ছিল দুটা চুই ক'লে।

"এই টন্‌ছিল গুটি দুটানো কি?" মুনটিয়ে সুধিলে।



"এই দুটা হ'ল গ্ৰন্থি। আমাৰ শৰীৰৰ কামত অহা অংশ। ইহঁতে আমাৰ দেহটোক ৰোগৰ আক্ৰমণৰপৰা ৰক্ষা কৰে। কেতিয়াবা ইহঁতো নিজে বীজাণুৰদ্বাৰা আক্ৰান্ত হয়। তেতিয়া ইহঁত উখহি উঠে, ৰঙা পৰে আৰু বিষায়। টন্‌ছিলৰ অসুখ হ'লে জ্বৰ উঠে আৰু ডিঙিৰ বিষ হয়। ইয়াকে আমি 'টন্‌ছিলাইটিছ' বুলি কওঁ। ডিঙিৰ দুয়োকাষে থকা টন্‌ছিল দুটা উখহাৰ বাবে ডিঙিৰ নলীৰ পথটো ঠেক হয় আৰু সেইবাবে খাদ্য খালে আমি বিষ অনুভৱ কৰোঁ।"

"ডাক্তৰ পেহী, বীজাণুবোৰনো কেনেকৈ ভিতৰলৈ যায়?" —জোনটিয়ে সুধিলে।

"বীজাণুবোৰ আমাৰ উশাহত ভিতৰলৈ সোমায়। কেতিয়াবা মুখৰ ভিতৰখন পৰিষ্কাৰ কৰি নথ'লেও বীজাণুৱে বাহ ল'ব পাৰে। বতাহত উৰি বা হাতত লাগিও ইহঁত সংক্ৰমিত হয়। গতিকে পুৱা-গধূলি সদায় দাঁত-মুখ পৰিষ্কাৰকৈ ধুব লাগে আৰু হাত পৰিষ্কাৰকৈ ৰাখিব লাগে। টন্‌ছিলাইটিছ হ'লে ডিঙিৰ ভিতৰখন বিষায়। যিকোনো বস্তু খালে ডিঙিত লাগি ধৰা যেন লাগে। জ্বৰ থাকেই। শুকান কাহো হয়। জিভাখনত বগা চামনিও পৰিব পাৰে। মুখ গোন্ধায়।" মুখ গোন্ধায় বুলি কোৱাৰ লগে লগে মুনটিয়ে মাইনুক ক'লে— "মাইনু মই কওঁ নহয়, সদায় দাঁত ব্ৰাছ কৰি মুখ পৰিষ্কাৰকৈ ধুবলৈ। এতিয়া মজা পাইছা! ডাঃ পেহী, তাৰ পাছত কোৱা।"

"টন্‌ছিলাইটিছ হ'লে পনীয়া আহাৰ খাব লাগে। বিষৰ বাবে বিষ কমোৱা দৰব খাব লাগে। ৰোগীয়ে জিৰণি লোৱা উচিত।"

"মাইনুৰ টন্‌ছিল হৈছে বুলি তুমি কেনেকৈ জানিলা?" —জোনটিয়ে সুধিলে।

"মাইনুৰ ডিঙিৰ ভিতৰৰপৰা খেকাৰ নি পৰীক্ষা কৰি চাই গম পালোঁ। বীজাণুৱে টন্‌ছিলৰ বেমাৰ কৰিছে।" —ডাঃ পেহীয়ে ক'লে।

"কি কৰিলা বুলি ক'লা?" —মুনটিয়ে সুধিলে।

"পৰীক্ষা কৰিলোঁ আৰু বীজাণু ধৰা পৰাৰ পাছত সিহঁতক নাশ কৰিব পৰা এন্টিবায়টিক ঔষধ দিছোঁ। মাইনুৰ টন্‌ছিলৰ বেমাৰ ভাইৰাছৰ বাবে হৈছে কাৰণে তাই ভালদৰে জিৰণি ল'ব লাগিব। তোমালোকে মাইনুৰে ভালপোৱা কথা ক'বা। আইচক্ৰীম খোৱাৰ কথা কৈ তেওঁক জোকাই নাথাকিবা।"

ডাঃ পেহীয়ে কোৱা 'টন্‌ছিলাইটিছ'ৰ কথাবোৰ শুনি দুষ্ট জোনটিয়ে হঠাৎ মাইনুক ভয় খুৱাবলৈ বুলি তাই শুনাকৈ চিঞৰি ক'লে— "ডাক্তৰ পেহী, আমি শুনিছোঁ 'টন্‌ছিলাইটিছ' হ'লে বোলে টন্‌ছিল দুটা অপাৰেচন কৰি কাটি পেলায়?"

"আচলতে টন্‌ছিল দুটা পটক্‌কৈ অপাৰেচন কৰি কাটি উলিয়াই দিয়া নহয়। বীজাণুৰ আক্ৰমণৰ বাবে হৃৎপিণ্ডৰ বাতবিষ হৈ জ্বৰ বা কিডনিৰ অসুখ হ'লে তেতিয়াহে অপাৰেচন কৰি টন্‌ছিল দুটা কাটি পেলাবলগীয়া হ'ব পাৰে।"

"মাইনুৰ টন্‌ছিল দুটা কেতিয়া কাটিবা?" মাইনুৰে শুনাকৈ জোনটিয়ে ক'লে।

"জোনটি, তুমি বৰ দুষ্ট। মাইনুৰ টন্‌ছিল দেখোন ভাল হ'লেই। তোমালোকহে এতিয়া সাৱধানে থাকা।" —ডাঃ পেহীয়ে ক'লে।

—ডাঃ কিৰণময়ী তামূলী

**উৎস ঃ** শান্তনু তামূলী সম্পাদিত 'কিৰণ তামূলীৰ শিশু-সাহিত্যৰ মৌচাক', প্ৰথম সংস্কৰণ, মৌচাক প্ৰকাশন, যোৰহাট-৭৮৫০০৬, ডিচেম্বৰ, ২০২৩, পৃষ্ঠা নং—১৮১-১৮৩



**লেখকৰ পৰিচয় ঃ** ডাঃ কিৰণময়ী তামূলী (১৯৫২-২০২১ খ্ৰীষ্টাব্দ) অসমীয়া সাহিত্যৰ এটা পৰিচিত নাম। 'ডাঃ পেহী' নামেৰে সহজ-সৰল ভাষাত শিশু উপযোগীকৈ 'মৌচাক' আৰু 'নতুন আৱিষ্কাৰ' নামৰ আলোচনী দুখনত বিভিন্ন ৰোগ সম্পৰ্কীয় তেওঁৰ লেখা প্ৰকাশ পাইছিল। এই লেখাসমূহ 'জনা-নজনা ৰোগৰ কথা' নামেৰে ২০০২ খ্ৰীষ্টাব্দত গ্ৰন্থ আকাৰে প্ৰকাশ পায়। অপৰাজেয় (২০০৪), শহা আৰু কাছৰ দৌৰ (২০১০) তেওঁ লিখা দুখন শিশু উপন্যাস। ইয়াৰ লগতে টেমছৰ দুয়োপাৰ (২০০২) আৰু আমেৰিকা আমেৰিকা (২০০৬) তেওঁৰ দুখন ভ্ৰমণ কাহিনী।

**জানি থওঁ আহা—**

**ভাইৰাছ ঃ** ভাইৰাছ হ'ল অণুৱীক্ষণ যন্ত্ৰৰে দেখা পোৱা এবিধ অতি সূক্ষ্ম জীৱ। ই বেক্টেৰিয়াতকৈও সৰু। নিৰ্জীৱ অৱস্থাত ই বায়ুমণ্ডলত ঘূৰি ফুৰে। মানুহ বা আন জীৱদেহত প্ৰৱেশ কৰাৰ পাছত ই বংশ বিস্তাৰ কৰে। ইয়াৰ ফলত মানুহ বা আন জীৱ এটা ৰোগাক্ৰান্ত হয়।

**এণ্টিবায়'টিক ঃ** এণ্টিবায়'টিকৰ অসমীয়া প্ৰতিশব্দ হৈছে প্ৰতিজৈৱিক। আমাৰ শৰীৰত থকা কোনো অপকাৰী অণুজীৱ ধ্বংস কৰিবলৈ ব্যৱহাৰ কৰা পদাৰ্থক এণ্টিবায়'টিক বুলি কোৱা হয়। চিকিৎসকৰ পৰামৰ্শ অবিহনে আমি এণ্টিবায়'টিক গ্ৰহণ কৰিব নালাগে। নহ'লে ইয়াৰ ফল বিপৰীতহে হ'ব পাৰে।



**হৃৎপিণ্ড ঃ** হৃৎপিণ্ড হৈছে মানুহৰ শৰীৰৰ এটা আভ্যন্তৰীণ অংগ। ই আমাৰ দেহত পাম্পৰ দৰে কাম কৰি তেজবোৰ শৰীৰৰ বিভিন্ন অংশলৈ প্ৰেৰণ কৰে। হৃৎপিণ্ড মানুহৰ বুকুৰ বাঁওফালে থাকে। ই ত্ৰিভুজাকৃতিৰ, আহঁতৰ পাত এখিলাৰ দৰে। মানুহৰ হৃৎপিণ্ড চাৰিকোঠালিযুক্ত।



**কিডনি ঃ** কিডনিক অসমীয়াত বৃক্ক বুলি কয়। ই মানুহৰ প্ৰধান অংগ। কিডনিয়ে মানুহৰ তেজৰপৰা অদৰকাৰী পদাৰ্থ বৰ্জন কৰি তেজ বিশুদ্ধ কৰে। ইয়াৰ লগতে আন জুলীয়া পদাৰ্থবোৰো পৰিশোধন কৰি প্ৰস্ৰাৱৰূপে উলিয়াই দিয়ে।

## ক্ৰিয়া- কলাপ

### পাঠভিত্তিক

১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই সঠিক ○ বৃত্তটো পূৰ কৰা—

- সদায় দাঁত-মুখ কিয় পৰিষ্কাৰকৈ ধুব লাগে?

(ক) খোৱা বস্তু ডিঙিত লাগি ধৰাৰ সম্ভাৱনা থকাৰ বাবে
(খ) বীজাণুৱে বাহ লোৱাৰ সম্ভাৱনা থকাৰ বাবে
(গ) শুকান কাহ হোৱাৰ সম্ভাৱনা থকাৰ বাবে
(ঘ) ডিঙিত বগা চামনি পৰাৰ সম্ভাৱনা থকাৰ বাবে

(ক) (খ) (গ) (ঘ)

- মুনটি আৰু জোনটিৰ মনটো কিয় বেয়া লাগি আছিল?

(ক) মাইনুৰ জ্বৰ আৰু ডিঙিৰ বিষ হোৱাৰ বাবে
(খ) নয়ন খুৰাই আইচক্ৰীম খুৱাব বাবে
(গ) মাইনু স্কুললৈ নোযোৱাৰ বাবে
(ঘ) পেহীয়েকে সিহঁতক ধম্‌কি দিয়াৰ বাবে

(ক) (খ) (গ) (ঘ)

২। তুমি ওপৰৰ উত্তৰকেইটা কিয় শুদ্ধ বুলি বাছি ল'লা? তোমাৰ সহপাঠীৰ লগত আলোচনা কৰি কোৱা।

৩। তলত দিয়া শব্দবোৰ অৰ্থৰ সৈতে মিলোৱা —

| শব্দ | অৰ্থ |
|---|---|
| সাৰ্থক | শৰীৰৰ জোৰা উখহা এবিধ ৰোগ |
| খুক্‌খুকাই | বস্তুৰ ওপৰত পৰা তৰপ |
| গ্ৰন্থি | বৰকৈ মুখ নেমেলাকৈ মৰা হাঁহি |
| আক্ৰান্ত | অতি কম সময়ৰ ভিতৰত, লৰালৰিকৈ |
| চামনি | জীৱৰ কোষৰপৰা হৰম'ন ওলোৱা অংশ |
| পটক্‌কৈ | উদ্দেশ্য সিদ্ধি হোৱা, সফল |
| বাতবিষ | পীড়িত |



৪। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ কোৱা আৰু লিখা।

(ক) মাইনু স্কুললৈ কিয় যোৱা নাছিল?

(খ) মাইনুক ঠাণ্ডাপানী খাবলৈ কিয় মানা কৰা হৈছিল?

(গ) মাইনুক কোনে জোকাইছিল?

(ঘ) টন্‌ছিল কি?

(ঙ) টন্‌ছিলাইটিছ হোৱাৰ মূল কাৰণ কি?

(চ) টন্‌ছিলাইটিছৰ বীজাণু শৰীৰত কেনেদৰে প্ৰৱেশ কৰে?

৫। তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ আলোচনা কৰি কোৱা আৰু লিখা।

(ক) টন্‌ছিলাইটিছ হ'লে আমাৰ শৰীৰত কি কি লক্ষণে দেখা দিয়ে?

(খ) টন্‌ছিলাইটিছৰপৰা হাত সাৰি থাকিবলৈ আমি কেনেধৰণৰ সাৱধানতা ল'ব লাগে?

৬। কোনে, কাক আৰু কিয় কৈছিল লিখা।

(ক) "তোমালোকে মাইনুক কিয় জোকাইছা?"

(খ) "মাইনুৰ টন্‌ছিল দুটা কেতিয়া কাটিবা?"

(গ) "'টন্‌ছিলাইটিছ' হ'লে পনীয়া আহাৰ খাব লাগে।"

## ভাষা-অধ্যয়ন

৭। পাঠটোৰপৰা যুক্তাক্ষৰযুক্ত শব্দবোৰ বিচাৰি উলিয়াই তলত দিয়া তালিকাখন পূৰ কৰা। লগতে যুক্তাক্ষৰবোৰত কি কি বৰ্ণ যোগ হৈ আছে ভাঙি দেখুওৱা —

উদাহৰণ—

| শব্দ | যুক্তাক্ষৰ | কি কি বৰ্ণ যোগ হৈ আছে |
|---|---|---|
| স্কুল | স্ক | স্ + ক |
| আক্ৰান্ত | ক্ৰ, ন্ত | ক্ + ৰ, ন্ + ত |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |

৮। তলত দিয়া দফা দুটাৰ উপযুক্ত স্থানত যতি চিহ্ন বহুওৱা আৰু পঢ়া—

(ক) বীজাণুবোৰ আমাৰ উশাহত ভিতৰলৈ সোমায় কেতিয়াবা মুখৰ ভিতৰখন পৰিষ্কাৰ কৰি নথ'লেও বীজাণুৱে বাহ ল'ব পাৰে গতিকে পুৱা গধূলি সদায় দাঁত মুখ পৰিষ্কাৰকৈ ধুব লাগে টন্‌ছিলাইটিছ হ'লে ডিঙিৰ ভিতৰখন বিষায় যিকোনো বস্তু খালে ডিঙিত লাগি ধৰা যেন লাগে জ্বৰ থাকেই শুকান কাহো হয় জিভাখনত বগা চামনিও পৰিব পাৰে মুখ গোন্ধায়

(খ) মুখ গোন্ধায় বুলি কোৱাৰ লগে লগে মুনটিয়ে মাইনুক চিঞৰি ক'লে মাইনু মই কওঁ নহয় সদায় দাঁত ব্ৰাছ কৰি মুখ পৰিষ্কাৰকৈ ধুবলৈ এতিয়া মজা পাইছা ডাক্তৰ পেহী তাৰ পাছত কোৱা।

৯। তলত দিয়া শব্দকেইটা প্ৰয়োগ কৰি বাক্য ৰচনা কৰা—

বীজাণু, সাৰ্থক, পৰিষ্কাৰ,
আক্ৰান্ত, অসুখ, ঠাণ্ডা

১০। তলত দিয়া শব্দ শৃংখলটো সম্পূৰ্ণ কৰা। প্ৰয়োজন সাপেক্ষে পাঠৰ সহায় ল'বা।




**থিয়কৈ—**

(১) গাখীৰ, চেনি আৰু ফলেৰে প্ৰস্তুত কৰা বৰফৰ দৰে চেঁচা খাদ্য (৫)

(২) 'দেহ'ৰ এটা সমাৰ্থক শব্দ (৩)

(৩) কাৰোবাক উদ্দেশ্যি টান কথা কোৱা কাৰ্য (৩)

(৪) তেজৰ ৰং (২)

**পথালিকৈ—**

(১) এবিধ অতি সূক্ষ্ম অণুবীক্ষণ যন্ত্ৰৰে চাব পৰা জীৱ (৪)

(২) 'ৰঙ'ৰ এটা সমাৰ্থক শব্দ (৩)

(৩) কোনো ব্যক্তিৰ প্ৰতি ভালপোৱা ভাব, চেনেহ (৩)

(৪) অসুখ হ'লে হোৱা শৰীৰৰ উষ্ণতা বৃদ্ধি (২)

## জানো আহা—

(ক) ইহঁতে আমাৰ দেহটোক ৰোগৰ আক্ৰমণৰপৰা ৰক্ষা কৰে।

(খ) তোমালোকহে এতিয়া সাৱধানে থাকা।

ওপৰৰ বাক্য দুটাত থকা 'কৰে' আৰু 'থাকা' ক্ৰিয়া পদ দুটা কেনেদৰে গঠন হৈছে মন কৰাচোন—

| ক্ৰিয়া পদ | ধাতুৰূপ + | বিভক্তিৰ চিন |
|---|---|---|
| কৰে | কৰ্ (সম্পন্ন কৰা অৰ্থত) | এ |
| থাকা | থাক্ (ৰৈ থকা অৰ্থত) | আ |

ইয়াত '**কৰে**' ক্ৰিয়াটোৰ ধাতুৰূপটো হ'ল— **কৰ্**। ইয়াৰ লগত '**এ**' বিভক্তি যোগ হৈ '**কৰে**'

ক্ৰিয়া পদটো গঠন হৈছে। তেনেদৰে **'থাক্'** ধাতুৰূপটোৰ লগত **'আ'** বিভক্তি যোগ হৈ **'থাকা'** ক্ৰিয়াপদটো গঠন হৈছে। এনেকৈ ধাতুৰ লগত বিভক্তি যোগ হৈ বাক্যত অৰ্থৰ উপযোগী পদ গঠন কৰা চিনবোৰক **ক্ৰিয়া বিভক্তি** বোলে। কাল আৰু পুৰুষ অনুসৰি বিভিন্ন ক্ৰিয়া বিভক্তি ব্যৱহাৰ হয়। তলৰ তালিকাখনত নিত্য বৰ্তমানৰ কালত বিভক্তিবোৰ দেখুওৱা হৈছে।

| | প্ৰথম পুৰুষ | দ্বিতীয় পুৰুষ | | তৃতীয় পুৰুষ |
|---|---|---|---|---|
| | মই/আমি | তুচ্ছাৰ্থত তই/ তহঁত | মান্যাৰ্থত তুমি/ তোমালোক | সি/আপুনি/ তেখেত/সিহঁত/আপোনালোক |
| বিভক্তি → | ওঁ | অ | আ | এ |
| কৰ্ ধাতুৰ প্ৰয়োগৰ উদাহৰণ | মই কৰোঁ। আমি কৰোঁ। | তই কৰ। তহঁতে কৰ। | তুমি কৰা। তোমালোকে কৰা। | সি/আপুনি /তেখেতে কৰে। সিহঁতে/আপোনালোকে/ তেখেতসকলে কৰে। |

*বিঃ দ্ৰঃ আপুনি/ আপোনালোক দ্বিতীয় পুৰুষৰ সন্মানসূচক শব্দ। কিন্তু ইয়াৰ লগত তৃতীয় পুৰুষৰ বিভক্তি চিন '-এ' যোগ হয়। পৰম্পৰাগত ব্যাকৰণ মতে ই তৃতীয় পুৰুষৰ সৰ্বনামহে।*

**১১। তলত দিয়া ধাতুৰূপবোৰৰ লগত বিভক্তি যোগ কৰি ক্ৰিয়া পদ গঠন কৰা—**

| | | | |
|---|---|---|---|
| দি + ওঁ = | | ধৰ্ + এ = | |
| হাঁহ্ + এ = | | পঢ়্ + অ = | |
| উঠ্ + আ = | | পৰ্ + ওঁ = | |

**১২। তলত দিয়া বাক্যকেইটাৰ ক্ৰিয়া পদবোৰত কি কি ক্ৰিয়া বিভক্তি যোগ হৈ আছে লিখা।**

(ক) ৰোগত আক্ৰান্ত হ'লে আমাৰ শৰীৰ দুৰ্বল হৈ পৰে।

(খ) তুমি কিতাপখন পঢ়া।

(গ) ৰোগ হ'লে চিকিৎসা কৰাব লাগে।

## জ্ঞান-সম্প্ৰসাৰণ

### জানো আহা—

**কুহুমীয়া পানী খোৱাৰ উপকাৰিতা ঃ** ৰাতিপুৱা খালী পেটত কুহুমীয়া পানী খালে শৰীৰৰ পাচন ক্ষমতা বৃদ্ধি হয়। ই কৌষ্ঠকাঠিন্য ৰোগ দূৰ কৰে। কুহুমীয়া পানীয়ে শৰীৰৰপৰা অপকাৰী পদাৰ্থ উলিয়াই দিয়াত সহায় কৰে। ঠাণ্ডা দিনত কুহুমীয়া পানীয়ে শৰীৰৰ উষ্ণতা সঠিক কৰি ৰাখে।

**বৰফৰ উপকাৰিতা ঃ** বৰফে আমাৰ বিভিন্ন সমস্যা দূৰ কৰাত সহায় কৰে। বিশেষকৈ ঘাঁ, আঘাত, বিষ আদিৰ প্ৰাথমিক চিকিৎসাৰ বাবে ইয়াক বহুলভাৱে ব্যৱহাৰ কৰা হয়। জ্বৰ হ'লে বৰফ ব্যৱহাৰ কৰি শৰীৰৰ উষ্ণতা হ্ৰাস কৰা হয়। মুখত বৰফ ঘঁহিলে ছালত তেজৰ সঞ্চালন উন্নত হয়। ইয়াৰ ফলত অক্সিজেনৰ প্ৰৱাহ বৃদ্ধি পায় আৰু ছালৰ উজ্জ্বলতা বাঢ়ে।

১৩। দলত আলোচনা কৰি কোৱা।

(ক) তলত দিয়া ছবিখনত কি কি দেখিছা?

(খ) জুইয়ে পুৰিলে কি কি ব্যৱস্থা গ্ৰহণ কৰিব লাগে?



আবেদনখন পঢ়া—

(মাইনু টন্‌ছিলাইটিছৰ বাবে দুদিন ধৰি বিদ্যালয়লৈ যাব নোৱাৰিলে। সেয়ে তাই বিদ্যালয়ৰ প্ৰধান শিক্ষকলৈ তলত দিয়া ধৰণে এখন আবেদন লিখিলে।)

**প্ৰতি,**

মাননীয়, প্ৰধান শিক্ষক মহোদয়,

চাৰিকড়ীয়া মধ্য ইংৰাজী বিদ্যালয়, ঢকুৱাখনা।

**তাৰিখ ঃ** ২১-১১-২০২৫

**বিষয় ঃ** ছুটী মঞ্জুৰ কৰিবৰ বাবে আবেদন।

মহোদয়,

সন্মানপূৰ্বক বিনীত নিবেদন এই যে, যোৱা ইংৰাজী ১৯-১১-২০২৫ তাৰিখৰপৰা ২০-১১-২০২৫ তাৰিখলৈকে টন্‌ছিলাইটিছ ৰোগত ভুগি থকাৰ বাবে মই বিদ্যালয়ত উপস্থিত থাকিব নোৱাৰিলোঁ।

সেয়ে দয়ালু মহোদয়ে উক্ত দুদিনৰ বাবে মোৰ ছুটী মঞ্জুৰ কৰে যেন। এয়ে মহোদয়ৰ ওচৰত সৰল মিনতি।

**মহোদয়ৰ বিশ্বাসী,**

মাইনু বৰুৱা

ষষ্ঠ শ্ৰেণী, শাখা— (ক)

ৰোল নং— ২

১৪। ধৰি লোৱা, বিদ্যালয়ত থকা অৱস্থাত হঠাৎ তোমাৰ জ্বৰ আৰু মূৰৰ বিষ হ'ল। গতিকে তুমি ঘৰলৈ যাবলৈ অনুমতি বিচাৰি বিদ্যালয়ৰ প্ৰধান শিক্ষক/শিক্ষয়িত্ৰীলৈ এখন আবেদন লিখা।

## প্ৰকল্প

১৫। মাইনুৰ টন্‌ছিলৰ অসুখ হওঁতে মুনটি আৰু জোনটিয়ে খুৱাকে আইছক্ৰীম খুওৱাৰ কথা কৈ জোকাইছে। ইজনে সিজনক জোকোৱাটো এটা নিৰ্দোষ ধেমালি বুলিয়েই ধৰা হয়। কিন্তু এই কামটো কৰোঁতে সদায় মনত ৰাখিব লাগে, বিপৰীত পক্ষই যাতে মানসিক কষ্ট নাপায়। তোমালোকেও নিশ্চয় ইজনে সিজনক জোকোৱা। তোমালোকৰ জীৱনত ঘটা এনেধৰণৰ এটা ভাল বা বেয়া লগা ঘটনা লিখা। ঘটনাটোৰপৰা কেনেধৰণৰ শিক্ষা লাভ কৰিলা তাকো উল্লেখ কৰিবা।

| অৰ্হতা | উপ- অৰ্হতা | ক্ৰিয়া-কলাপৰ নম্বৰ | নিজাববীয়াকৈ পাৰিছে | শিক্ষকৰ সহায়ত পাৰিছে | নিদানমূলক শিক্ষাৰ পাছত পাৰিছে |
|---|---|---|---|---|---|
| C 1.1 | ▪ পাঠৰ মূলবিন্দুসমূহ চিনাক্ত কৰি ক'ব আৰু প্ৰয়োজন সাপেক্ষে বহলাই লিখিব পাৰিব। | ১, ২, ৪, ৫, ৬ | | | |
| C-1.4 | ▪ উপযুক্ত শব্দ আৰু শৈলী ব্যৱহাৰ কৰি আবেদন পত্ৰ লিখিব পাৰিব। | ১৪ | | | |
| C-2.3 | ▪ বিভিন্ন পৰিস্থিতিৰ বিষয়ে ধাৰণা কৰি প্ৰকাশ কৰিব পাৰিব। | ১৩ | | | |
| | ▪ পৰিবেশ পৰিস্থিতিৰ বিভিন্ন দিশ সম্পৰ্কে ধাৰণা কৰি লিখনৰ জৰিয়তে প্ৰকাশ কৰি প্ৰকল্প প্ৰস্তুত কৰিব পাৰিব। | ১৫ | | | |
| C-3.1 | ▪ নতুন শব্দবোৰ অৰ্থৰ সৈতে মিলাই লিখিব পাৰিব। | ৩ | | | |
| | ▪ যুক্তাক্ষৰযুক্ত শব্দবোৰ চিনাক্ত কৰি ভাঙি দেখুৱাব পাৰিব। | ৭ | | | |
| | ▪ উপযুক্ত স্থানত যতি চিহ্ন ব্যৱহাৰ কৰি লিখিব আৰু পঢ়িব পাৰিব। | ৮ | | | |
| | ▪ শব্দৰ অৰ্থ বুজি বাক্য ৰচনা কৰিব পাৰিব। | ৯ | | | |
| | ▪ ধাতুৰূপবোৰৰ লগত বিভক্তি যোগ কৰি ক্ৰিয়া পদ গঠন কৰিব পাৰিব। | ১১ | | | |
| | ▪ ক্ৰিয়া পদত থকা ক্ৰিয়া বিভক্তিবোৰ বাছি উলিয়াই লিখিব পাৰিব। | ১২ | | | |
| C-5.3 | ▪ শব্দজালৰপৰা উপযুক্ত শব্দ বিচাৰি উলিয়াই লিখিব পাৰিব। | ১০ | | | |

পাঠ ১২

# মানুহে মানুহৰ বাবে

*আমি সদায় সুখে-শান্তিৰে বাস কৰিবলৈ বিচাৰোঁ। ইয়াৰ বাবে মৰম, সহায়, কৰুণা, দয়া আদি মানৱীয় গুণসমূহৰ দৰকাৰ। এনে গুণৰ অধিকাৰী ব্যক্তিসকলে সমাজৰ হিতৰ বাবে ত্যাগ কৰি আহিছে। সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকল এনে লোকৰ সহায়ত বৰ্তি থাকে। আনহাতে সমাজত অনিষ্ট কৰা লোকক দস্যু বা দানৱ বুলি কোৱা হয়। দানৱ শ্ৰেণীৰ লোকৰ বাবে সমাজত শান্তি ব্যাহত হয়। গীতটিৰ জৰিয়তে গীতিকাৰে মানুহক দানৱৰ দৰে নহৈ প্ৰকৃত মানুহ হিচাপে আচৰণ কৰিবলৈ আহ্বান জনাইছে।*

পঢ়া আৰু গোৱা—

মানুহে মানুহৰ বাবে
যদিহে অকণো নেভাবে
অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা— সমনীয়া?



মানুহে মানুহক বেচিব খুজি
মানুহে মানুহক কিনিব খুজি
পুৰণি ইতিহাস দোহাৰিলে
ভুল জানো নহ'ব কোৱা— সমনীয়া?

দুৰ্বল মানুহে যদি
জীৱনৰ কোবাল নদী
পাৰ হয় তোমাৰে সাহত
তুমি হেৰুৱাবানো কি?

মানুহ যদিহে নহয় মানুহ
দানৱ কাহানিও নহয় মানুহ
যদি দানৱ কাহানিবা হয় মানুহ
লাজ পাব কোনেনো কোৱা—সমনীয়া?

—ড° ভূপেন হাজৰিকা

**উৎস ঃ** সূৰ্য্য হাজৰিকা সম্পাদিত 'ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ (গীতাৱলী)', সংশোধিত আৰু পৰিবৰ্দ্ধিত সংস্কৰণ, ২০০৮, এছ. এইছ. শৈক্ষিক ন্যাস, গুৱাহাটী-৭৮১০০৫, পৃষ্ঠা নং— ৩৯৩

**গীতিকাৰৰ পৰিচয় ঃ** ড° ভূপেন হাজৰিকা (১৯২৬-২০১১ খ্ৰীষ্টাব্দ) একাধাৰে গীতিকাৰ, সুৰকাৰ, গায়ক, গৱেষক, লেখক, আলোচনীৰ সম্পাদক, চলচ্চিত্ৰ নিৰ্মাতা আৰু সংগীত পৰিচালক আছিল। 'সুধাকণ্ঠ' ড° ভূপেন হাজৰিকাই বিভিন্ন ভাষাত গীত ৰচনা কৰি সেই গীতবোৰত কণ্ঠদান কৰিছিল। ১৯৯৩ খ্ৰীষ্টাব্দত তেওঁ ভাৰতীয় চলচ্চিত্ৰৰ সৰ্বোচ্চ সন্মান 'দাদা চাহেব ফাল্কে বঁটা' লাভ কৰিছিল। তেওঁ ১৯৯৩ খ্ৰীষ্টাব্দত শিৱসাগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ সভাপতিৰ পদো অলংকৃত কৰিছিল। তদুপৰি তেওঁ ভাৰত চৰকাৰৰ 'সংগীত-নাটক অকাডেমি বঁটা', 'পদ্মশ্ৰী', 'পদ্ম ভূষণ' আদি সন্মানেৰেও সন্মানিত হৈছিল। ২০১৯ খ্ৰীষ্টাব্দত তেওঁক ভাৰত চৰকাৰে মৰণোত্তৰভাৱে 'ভাৰত ৰত্ন' সন্মান প্ৰদান কৰিছিল। কৃষ্টিৰ পথাৰে-পথাৰে, বহাগ মাথোঁ এটি ঋতু নহয়, মই এটি যাযাবৰ, দিহিঙে দিপাঙে, গীতাৱলী আদি তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ।



## ক্ৰিয়া-কলাপ

## পাঠভিত্তিক

১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই সঠিক ○বৃত্তটো পূৰ কৰা—

- তলত দিয়া কোনটো বাক্যই কবিতাটিৰ মূল কথা প্ৰকাশ কৰিছে?

(ক) মানুহে মানুহক বেচা-কিনা কৰিব লাগে
(খ) মানুহে মানুহৰ কথা সহানুভূতিৰে ভাবিব লাগে
(গ) মানুহে পুৰণি ইতিহাস দোহাৰিব লাগে
(ঘ) মানুহে দানৱক অনুকৰণ কৰিব লাগে

ⓚ ⓚ — (ক) (খ) (গ) (ঘ)

- "যদি দানৱ কাহানিবা হয় মানুহ
লাজ পাব কোনেনো কোৱা—সমনীয়া?"—গীতিকাৰে কি কথাৰ বাবে লাজ পোৱাৰ কথা কৈছে?

(ক) যদি সমনীয়া কেতিয়াবা দানৱৰ দৰে হয়
(খ) যদি দানৱ কেতিয়াবা মানুহৰ দৰে হয়
(গ) যদি মানুহ কেতিয়াবা দুৰ্বল হয়
(ঘ) যদি মানুহ কেতিয়াবা দানৱ হয়

(ক) (খ) (গ) (ঘ)

২। তুমি ওপৰৰ উত্তৰকেইটা কিয় শুদ্ধ বুলি বাছি ল'লা? তোমাৰ সহপাঠীৰ লগত আলোচনা কৰি কোৱা।

৩। **তলত দিয়া শব্দবোৰৰ অৰ্থ অভিধান চাই লিখা।**

সহানুভূতি, ইতিহাস, দোহৰা, কোবাল, সাহ, দানৱ

৪। **তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ কোৱা আৰু লিখা।**

(ক) গীতিকাৰে মানুহে মানুহৰ বাবে কেনেদৰে ভাবিব লাগে বুলি কৈছে?

(খ) গীতিকাৰে কোনবোৰ মানুহক সাহসেৰে আগবঢ়াই নিয়াৰ কথা কৈছে?

(গ) গীতিকাৰে দানৱ মানুহ হ'লে কোনে লাজ পোৱাৰ কথা কৈছে?

৫। **তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ আলোচনা কৰি কোৱা আৰু লিখা।**

(ক) গীতিকাৰে মানুহে মানুহৰ বাবে সহানুভূতিৰে ভাবিব লাগে বুলি কিয় কৈছে?

(খ) গীতিকাৰে কি কি কথাত মনৰ ক্ষোভ আৰু ব্যথা প্ৰকাশ কৰিছে?

(গ) দানৱ কেতিয়াবা মানুহ হ'ব পাৰেনে? যদি পাৰে কিয় আৰু যদি নোৱাৰে কিয়?

(ঘ) গীতটিৰ কোনকেইটা কথাৰ লগত তুমি সহমত প্ৰকাশ কৰা আৰু কিয় কৰা?

৬। **তলত দিয়া গীতফাকি গদ্য ৰূপত লিখা।**

"দুৰ্বল মানুহে যদি
জীৱনৰ কোবাল নদী
পাৰ হয় তোমাৰে সাহত
তুমি হেৰুৱাবানো কি?"

৭। গীতটিৰ মূলভাৱ লিখা।

## ভাষা-অধ্যয়ন

৮। **তলত দিয়া ক্ৰিয়া পদসমূহৰ নঞৰ্থক ৰূপবোৰ লিখা।**

| | | | |
|---|---|---|---|
| কৰোঁ | | দিওঁ | |
| গ'ল | | শুলে | |
| থ'লে | | খেলে | |
| পঢ়োঁ | | ধোওঁ | |

৯। তলত দিয়া শব্দবোৰৰ বিপৰীতাৰ্থক শব্দবোৰ পাঠৰপৰা বাছি উলিয়াই লিখা।

| শব্দ | বিপৰীতাৰ্থক শব্দ |
|---|---|
| কিনা | ________ |
| মানৱ | ________ |
| নতুন | ________ |
| ভয় | ________ |
| মৰণ | ________ |
| সবল | ________ |

জানো আহা—

তোমালোকে তলত দিয়া বাক্যটোলৈ মন কৰা—

মানুহ মানৱীয় গুণৰ অধিকাৰী **নহৈ** দানৱ এই গুণৰ অধিকাৰী **হ'লে** মানুহেই লাজ **পাব**।

বাক্যটোত 'পাব' ক্ৰিয়াটোৱে কোনো এটা কাৰ্য সমাপ্ত হোৱা বুজাইছে। এনেদৰে বাক্য সমাপ্ত হোৱা বা সম্পূৰ্ণ কৰা ক্ৰিয়াবোৰক **সমাপিকা ক্ৰিয়া** বোলে। কিন্তু 'নহৈ' আৰু 'হ'লে' ক্ৰিয়া দুটাই বাক্যটো সমাপ্ত বা সম্পূৰ্ণ হোৱা অৰ্থ প্ৰকাশ কৰিব পৰা নাই। যি ক্ৰিয়াই বাক্য সমাপ্ত বা সম্পূৰ্ণ কৰিব নোৱাৰে, সেই ক্ৰিয়াবোৰক **অসমাপিকা ক্ৰিয়া** বোলে।

১০। গীতটোত থকা সমাপিকা আৰু অসমাপিকা ক্ৰিয়াবোৰ বিচাৰি উলিয়াই লিখা।

| সমাপিকা ক্ৰিয়া | অসমাপিকা ক্ৰিয়া |
|---|---|
| | |

১১। শব্দৰ খেল খেলোঁ আহা—

গীতটিত এনে এটি তিনি আখৰীয়া শব্দ আছে যিটোৰ—

- প্ৰথম আখৰটোৱে অস্ত্ৰ বুজায়,
- প্ৰথম আৰু দ্বিতীয় আখৰ দুটা মিলি আনক উচৰ্গা কৰা বুজায়,
- দ্বিতীয় আৰু তৃতীয় আখৰ মিলি নতুন বুজায়,

—শব্দটো গীতটিৰপৰা বিচাৰি উলিয়াই লিখা।

১২। গীতটিত তোমালোকে 'সমনীয়া' শব্দটো পাইছা। 'সমান' শব্দটোৰ লগত 'ঈয়া' প্ৰত্যয় যোগ হৈ 'সমনীয়া' শব্দটো গঠিত হৈছে। তেনেদৰে তলত দিয়া শব্দবোৰৰ লগত 'ঈয়া' প্ৰত্যয় যোগ হ'লে কি হয় লিখোঁ আহা—

সমান + ঈয়া ⇒ সমনীয়া

| | |
|---|---|
| বৰণ + ঈয়া ⇒ | নোমল + ঈয়া ⇒ |
| তেল + ঈয়া ⇒ | পানী + ঈয়া ⇒ |
| ফেৰ + ঈয়া ⇒ | জঁট + ঈয়া ⇒ |

## জ্ঞান-সম্প্ৰসাৰণ

১৩। গীতটিত গীতিকাৰে মানুহে মানুহৰ প্ৰতি সহানুভূতিশীল হ'ব লাগে বুলি কৈছে। প্ৰকৃত মানুহ হ'বলৈ হ'লে আমাৰ কি কি গুণ থাকিব লাগিব? শিক্ষকৰপৰা জানি লোৱা আৰু লিখা।

১৪। তোমালোকে নিশ্চয় তোমালোকৰ সহপাঠী বা আন কাৰোবাক সহায় কৰি পাইছা। আনৰ বাবে কৰা ভাল কামবোৰ প্ৰত্যেকেই লিখি শ্ৰেণীকোঠাৰ সকলোৰে আগত পঢ়ি শুনাবা।

১৫। 'মানুহে মানুহৰ বাবে' গীতটি শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে একক আৰু দলীয়ভাৱে গোৱা।

শিক্ষকে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে যাতে গীতটো গায় তাৰ প্ৰতি লক্ষ্য ৰাখিব। প্ৰয়োজন সাপেক্ষে দৃশ্য-শ্ৰাব্য সঁজুলিৰ সহায়ত শুনাব বা স্থানীয় অভিজ্ঞ ব্যক্তিৰ সহায় ল'ব।

## প্ৰকল্প

১৬। ড° ভূপেন হাজৰিকাৰ গীত সংগ্ৰহ কৰি নিজৰ নিজৰ বহীত লিখা। প্ৰত্যেকেই অন্ততঃ পাঁচোটাকৈ গীত লিখিবা।

১৭। তলত দিয়া আৰ্হিটোলৈ মন কৰা। তোমালোকেও এনেদৰে দুজন জনপ্ৰিয় শিল্পীৰ গীতৰ কলি এফাকিৰে সৈতে একোখনকৈ কাৰ্ড প্ৰস্তুত কৰা। তাৰে এখন শ্ৰেণীকোঠাত ৰাখিবা আৰু আনখন তোমাৰ সমনীয়াৰ জন্মদিনত উপহাৰ দিবা।




| অৰ্হতা | উপ- অৰ্হতা | ক্ৰিয়া-কলাপৰ নম্বৰ | নিজাববীয়াকৈ পাৰিছে | শিক্ষকৰ সহায়ত পাৰিছে | নিদানমূলক শিক্ষাৰ পাছত পাৰিছে |
|---|---|---|---|---|---|
| C 1.1 | ■ পাঠৰ মূল বিন্দুসমূহ চিনাক্ত কৰি ক'ব আৰু প্ৰয়োজন সাপেক্ষে বহলাই লিখিব পাৰিব। | ১, ২, ৪, ৫ | | | |
| | ■ গীতটিৰ মূল কথাখিনি লিখিব পাৰিব। | ৭ | | | |
| C-1.5 | ■ দৃশ্য-শ্ৰাব্য সঁজুলিৰ সহায়ত গীতটি শুনি গাব পাৰিব। | ১৫ | | | |
| C-2.3 | ■ সাংস্কৃতিবান হোৱাৰ গুণ সমূহৰ বিষয়ে ধাৰণা কৰি কথন আৰু লিখনৰ জৰিয়তে প্ৰকাশ কৰিব পাৰিব। | ১৩,১৪ | | | |
| C-3.1 | ■ নতুন শব্দবোৰৰ অৰ্থ অভিধান চাই বুজি লিখিব পাৰিব। | ৩ | | | |
| | ■ ক্ৰিয়াৰ নঞৰ্থক ৰূপবোৰ লিখিব পাৰিব। | ৮ | | | |
| | ■ বিপৰীতাৰ্থক শব্দবোৰ পাঠৰপৰা বাছি উলিয়াই লিখিব পাৰিব। | ৯ | | | |
| | ■ গীতটিত থকা সমাপিকা আৰু অসমাপিকা ক্ৰিয়াবোৰ বাছি উলিয়াই লিখিব পাৰিব। | ১০ | | | |
| | ■ 'ঈয়া' প্ৰত্যয় যোগ কৰি শব্দ গঠন কৰিব পাৰিব। | ১২ | | | |
| | ■ উপযুক্ত লিখন শৈলী ব্যৱহাৰ কৰি গীতৰ অংশ গদ্য ৰূপত লিখিব পাৰিব। | ৬ | | | |
| C-4.2 | ■ বিভিন্ন সমলৰপৰা তথ্য সংগ্ৰহ কৰি প্ৰকল্পৰ বাবে কাম কৰিব পাৰিব। | ১৬,১৭ | | | |
| C-5.3 | ■ শব্দৰ খেলৰ মাজেৰে সাঁথৰ ভাঙি ক'ব আৰু লিখিব পাৰিব। | ১১ | | | |

পাঠ ১৩

# সাপ আৰু ভেকুলী-ৰজা

*সাধুকথাসমূহ অসমীয়া লোক-সাহিত্যৰ অমূল্য সম্পদ। ই শিশুৰ সৃষ্টিশীল প্ৰতিভা আৰু কল্পনা শক্তিৰ বিকাশ ঘটায়। সাধুকথাসমূহৰ লগত কিছুমান নীতি-শিক্ষাও জড়িত হৈ থাকে। সকলো জাতি-জনগোষ্ঠীৰ মাজত বিভিন্ন সাধুকথা মৌখিকভাৱে প্ৰচলন হৈ আহিছে। এই পাঠত তোমালোকক অৰুণাচলৰ টাংছা জনগোষ্ঠীৰ মাজত প্ৰচলিত এটি সাধু পঢ়িবলৈ দিয়া হৈছে। সাধুটোৰ জৰিয়তে তোমালোকে বন্ধুত্ব, নেতৃত্ব, সহযোগিতা আদি গুণসমূহৰ লগতে সমস্যা সমাধানৰ বাবেও চিন্তা কৰিবলৈ শিকিবা।*

পুৰণি কালত এটা পুখুৰীত হেজাৰ-বিজাৰ ভেকুলীয়ে বাস কৰিছিল। ভেকুলীবোৰৰ এজন ৰজাও আছিল। সকলোৱে ভেকুলী-ৰজাৰ কথা মানি চলিছিল। পুখুৰীটো আছিল সিহঁতৰ ৰাজ্য। তাত আটায়ে মিলা-প্ৰীতিৰে বাস কৰিছিল। ভেকুলী-ৰজাই ৰাজ্যখন পৰিচালনা কৰিবৰ বাবে কেতবোৰ নীতি-নিয়ম বান্ধি দিছিল। আটায়ে সেই নিয়ম মানি চলিছিল। ভেকুলী-ৰজাই গাঁওবুঢ়া, টেকেলা আদি বাব দি ৰাজ্যৰ ভেকুলীবোৰকো দায়িত্ব পালনৰ বাবে আগ্ৰহী কৰি তুলিছিল। এদিন ভেকুলী-ৰজাই পুখুৰীটোৰ পাৰৰ এটা বহল শিলত আঁউজি ৰ'দ লৈ আছিল। ৰজাই মনে মনে ভাবিলে, মোৰ মৃত্যুৰ পাছত মোৰ সন্তানে ৰজা হৈ দেশ শাসন কৰিব। গতিকে কিছু নীতি-নিয়ম বান্ধি থৈ যাব লাগিব। সেই কথা ভাবি ৰজাই এখন সভাৰ আয়োজন কৰিলে। তাত তেওঁ ক'লে— "বিহু আহিলে প্ৰথমে ময়েই গীত গাম আৰু নাচিম, বাকীসকলে মোৰ লগে লগে নাচিব।" সভাত সকলো প্ৰজাই ৰজাৰ কথাটো সমৰ্থন কৰিলে আৰু সভা শেষ হ'ল। কিছুদিনৰ পাছত বসন্ত ঋতু আহিল। বসন্তৰ প্ৰথমজাক বৰষুণত গছ-বনবোৰ জীপাল হৈ উঠিল। বৰষুণ অহাৰ আনন্দত ভেকুলীবোৰে ৰজাৰ কথা পাহৰি ঋতুক আদৰি গীত গাই নাচিবলৈ ধৰিলে।



এই গীত ভেকুলী-ৰজাৰ কাণত পৰিলত খণ্ডত টিঙিৰি-তুলা হৈ তেওঁ পুনৰ এখন সভাৰ আয়োজন কৰিলে। ভেকুলী-ৰজাক ডা-ডাঙৰীয়াসকলে বুজাবলৈ ধৰিলে— “মহাৰাজ, এয়া ঋতু বা উৎসৱৰহে গীত। তেওঁলোকে গাইছে গাওক। আমিও জানো উৎসৱৰ আনন্দ অনুভৱ কৰা নাই?” ৰজাই ডা-ডাঙৰীয়াৰ কথা নামানিলে। ফলত ৰজা আৰু প্ৰজাৰ মাজত মতানৈক্য হ'ল। ৰজাই প্ৰজাৰ ওপৰত প্ৰতিশোধ লোৱাৰ কথা ভাবিলে। আনফালে ডা-ডাঙৰীয়াসকলেও ৰজাক সিংহাসনৰপৰা নমোৱাৰ কথা চিন্তা কৰিলে। মুখ ফুটাই কোনেও একো নক'লেও আটাইৰে মনবোৰ গোমা হৈ থাকিল।

এদিন ভেকুলী-ৰজাই মিতিৰৰ ঘৰলৈ বুলি গৈ থাকোঁতে বাটত এখন শিলৰ পাহাৰ পালে। সি ইটো শিলৰপৰা সিটো শিললৈ জঁপিয়াই যাওঁতে শিলৰ খোৰোঙত শুই থকা এডাল ফেটীসাপৰ বৰ খং উঠিল। বাহিৰলৈ ওলাই আহি ভেকুলীটোক ক'লে— “তই মোৰ ৰাজ্যলৈ আহি এনেকৈ জঁপিয়াই জঁপিয়াই মোৰ শান্তি ভংগ কৰিছ কিয়? আজি তোক শুদাই নেৰোঁ।” ভেকুলী-ৰজাই ভয় খাই পলাবলৈ খোজোঁতেই সাপে ক'লে—“ক'লৈ পলাবি? মোৰ যুঁজাৰুবোৰক মাতিলে চাৰিওফালে তোক মুহূৰ্ততে বেৰি ধৰিব।” ভেকুলী-ৰজাই তেতিয়া সাপৰ নেজত ধৰি তাক নাখাবলৈ অনুৰোধ কৰিলে।



সাপৰ মন গলিল। সি সুধিলে— “বাৰু, কচোন তইনো ক'লৈ আহিছিলি?” ভেকুলী-ৰজাই ক'লে—“এই পাহাৰখন পাৰ হ'লেই মোৰ মিতিৰৰ ঘৰ। তালৈকে আহিছিলোঁ। মই বৰ চিন্তাত আছোঁ।”

ভেকুলী-ৰজাই পুনৰ ক'বলৈ আৰম্ভ কৰিলে— “মোৰ ৰাজ্যৰ প্ৰজাই মোৰ কথা নুশুনা হ'ল। সিহঁতে মোক ৰজা ভাঙিবলৈ বিচাৰিছে। সেয়ে মোক সমৰ্থন দিব পৰা মিতিৰ বিচাৰি আহিছিলোঁ।” সাপে ক'লে— “মোৰ সমান শক্তিশালী তুমি কাকো বিচাৰি নোপোৱা। মোকে

মিতিৰ কৰি লোৱা। মই তোমাৰ সমস্যা সমাধান কৰি দিম।" ভেকুলী-ৰজাই মনতে বৰ আনন্দ পালে আৰু ফেটীসাপক লগত লৈ পুখুৰী পালেগৈ। ভেকুলী-ৰজাই সাপক থাকিবলৈ ঠাই উলিয়াই দিলে। সাপে ভেকুলী-ৰজাক ক'লে— "মই বাৰু তোমাৰ সমস্যা সমাধান কৰি দিম, কিন্তু মোক খাবলৈ নিতৌ এটা ভেকুলী লাগিব।" ৰজা সন্মত হ'ল। এনেকৈ সাপে নিতৌ এটাকৈ ভেকুলী খাবলৈ ধৰিলে। এনেদৰে খাওঁতে খাওঁতে পুখুৰীটোত কেৱল ভেকুলী-ৰজাহে বাকী থাকিলগৈ। এদিন সাপৰ ভোক লাগিলত ভেকুলী-ৰজাক ক'লে— "মিতিৰ ৰজা, মোৰ বৰ ভোক লাগিছে। খাবলৈ দিয়া।" ভেকুলী-ৰজাই ক'লে— "পুখুৰীত আৰু এটাও ভেকুলী নাই, যি আছিল সকলো তুমিয়েই খাই শেষ কৰিলা দেখোন! এতিয়া মই তোমাক ক'ৰপৰা খাবলৈ দিম?" সাপে ক'লে— "মই নাজানো, তুমিহে মোক মাতি আনিছিলা। খাবলৈ নাপালে মই তোমাকে খাম।" সাপৰ কথা শুনি ভেকুলী-ৰজা বিপাঙত পৰিল আৰু সাপৰপৰা পৰিত্ৰাণৰ উপায় চিন্তা কৰিবলৈ ধৰিলে। সি উপলব্ধি কৰিলে যে, আগ-পাছ নুগুণি কাম কৰিলে নিজৰে বিপদ হয়।

**উৎস ঃ** দিব্যলতা দত্ত সংগৃহীত 'জনগোষ্ঠীয় সাধু সমগ্ৰ', প্ৰথম প্ৰকাশ, জুন, ২০২৩, প্ৰকাশক- পূৰ্বায়ণ প্ৰকাশন, গুৱাহাটী-১, পৃষ্ঠা নং- ১৭৩-১৭৫

*(এই সাধুটো মূল গ্ৰন্থখনত 'সাপ, ভেকুলী আৰু এজন ৰজা' নামেৰে আছে। পাঠ্যপুথি প্ৰস্তুতৰ নীতি অনুসৰি ইয়াত শিৰোনামৰ লগতে সাধুটোৰ সামৰণি অংশ ছাত্ৰ-ছাত্ৰীৰ কল্পনা বিকাশ তথা পাঠৰ শিকন ফলাফলৰ প্ৰতি লক্ষ্য ৰাখি সামান্য সালসলনি কৰা হৈছে।)*

## ক্ৰিয়া-কলাপ

### পাঠভিত্তিক

**১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই সঠিক ○ বৃত্তটো পূৰ কৰা—**

- ফেটীসাপডাল ক'ত শুই আছিল?

(ক) পুখুৰীত (গ) গছত
(খ) পাহাৰৰ সিপাৰত (ঘ) শিলৰ খোৰোঙত

(ক) (খ) (গ) (ঘ)

- ভেকুলী-ৰজাই ফেটীসাপক পুখুৰীলৈ কিয় লৈ গৈছিল?

(ক) পুখুৰীৰ ভেকুলী খাবলৈ (গ) সমস্যা সমাধান কৰিবলৈ
(খ) নীতি-নিয়ম বান্ধি দিবলৈ (ঘ) মিলা-প্ৰীতিৰে বাস কৰিবলৈ

(ক) (খ) (গ) (ঘ)

২। তুমি ওপৰৰ দ্বিতীয় প্ৰশ্নৰ উত্তৰটো কিয় শুদ্ধ বুলি বাছি ল'লা? তোমাৰ সহপাঠীৰ লগত আলোচনা কৰি কোৱা।

**৩। তলত দিয়া শব্দবোৰ অৰ্থৰ সৈতে মিলোৱা—**

| শব্দ | অৰ্থ |
|---|---|
| উল্লাস | যি যুঁজ কৰে |
| মতানৈক্য | ভগা |
| গোমা | আনন্দ, উলাহ |
| যুঁজাৰু | গোমোঠা, বিবৰ্ণ |
| ভংগ | মতৰ পাৰ্থক্য |

**৪। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ কোৱা আৰু লিখা।**

(ক) ভেকুলী-ৰজা ক'ত বাস কৰিছিল?

(খ) ভেকুলী-ৰজাই কেনেকৈ ৰাজ্যৰ ভেকুলীবোৰক দায়িত্ব পালনৰ বাবে আগ্ৰহী কৰি তুলিছিল?

(গ) ফেটীসাপডালৰ কিয় খং উঠিছিল?

(ঘ) ভেকুলী-ৰজাৰ মিতিৰৰ ঘৰ ক'ত আছিল?

(ঙ) ফেটীসাপডালক ভেকুলী-ৰজাই ক'লৈ লৈ গৈছিল?

(চ) সাপে ভেকুলী-ৰজাক কি চৰ্ত বান্ধি দিছিল?

**৫। তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ আলোচনা কৰি কোৱা আৰু লিখা।**

(ক) ভেকুলী-ৰজা আৰু প্ৰজাৰ মাজত কিয় মতানৈক্য হৈছিল?

(খ) ভেকুলী-ৰজাই কিছু নীতি-নিয়ম বান্ধি থৈ যোৱাৰ কথা কিয় চিন্তা কৰিছিল?

(গ) ভেকুলী-ৰজা কিয় বিপাঙত পৰিছিল?

**৬। কোনে, কাক আৰু কিয় কৈছিল লিখা।**

(ক) “বিহু আহিলে প্ৰথমে ময়েই গীত গাম আৰু নাচিম।”

(খ) “এয়া ঋতু বা উৎসৱৰহে গীত। তেওঁলোকে গাইছে গাওক। আমিও জানো উৎসৱৰ আনন্দ অনুভৱ কৰা নাই?”

(গ) “মোৰ সমান শক্তিশালী কাকো তুমি বিচাৰি নোপোৱা।”

(ঘ) “মই নাজানো, তুমিহে মোক মাতি আনিছিলা।”

৭। “আগ-পাছ নুগুণি কাম কৰিলে নিজৰে বিপদ হয়।” —শিক্ষকৰ সহায় লৈ সাধুটোৰ আধাৰত কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা।

## ভাষা-অধ্যয়ন

### জানো আহা—

“এদিন ভেকুলী-ৰজাই মিতিৰৰ ঘৰলৈ বুলি গৈ **থাকোঁতে** বাটত এখন শিলৰ পাহাৰ পালে। সি ইটো শিলৰপৰা সিটো শিললৈ জঁপিয়াই **যাওঁতে** শিলৰ খোৰোঙত শুই থকা এডাল ফেটীসাপৰ বৰ খং উঠিল।”

ওপৰৰ বাক্য দুটাত পোৱা ‘থাকোঁতে’ আৰু ‘যাওঁতে’ পদ দুটি কেনেকৈ গঠন হৈছে চাওঁ আহা—

থাকোঁতে → থাক্ + ওঁতে

যাওঁতে → যা + ওঁতে

দুয়োটা বাক্যতে একাধিক ক্ৰিয়া পদ আছে। ইয়াত এটাৰ কাম চলি থকা সময়তে আন এটি ক্ৰিয়াৰ কাম সংঘটিত হৈছে। ওপৰৰ প্ৰথম বাক্যত ‘গৈ থকা’ ক্ৰিয়াৰ কাম চলি থাকোঁতে ‘পালে’ ক্ৰিয়া সংঘটিত হৈছে। ঠিক তেনেদৰে দ্বিতীয় বাক্যত ‘জঁপিয়াই যোৱা’ কাম শেষ নৌহওঁতেই ‘উঠিল’ ক্ৰিয়াৰ কাম সম্পন্ন হৈছে।

কোনো এটা ক্ৰিয়া চলি থকাৰ সময়ত আন এটা ক্ৰিয়া সংঘটিত হ’লে, চলি থকা ক্ৰিয়াৰ মূলত ‘ওঁতে’ কৃদন্ত প্ৰত্যয় যোগ হয়।

**৮। -‘ওঁতে’ প্ৰত্যয়যুক্ত পদ ব্যৱহাৰ কৰি তলত দিয়া বাক্যবোৰ পূৰ কৰা—**

(ক) তলাটো খুলিবলৈ _______ চাবিপাট পৰি গ’ল। (ল + ওঁতে)

(খ) কিতাপখন _______ চাই ল’বা। (দি + ওঁতে)

(গ) কামটো _______ কিছু সময় লাগিব। (কৰ্ + ওঁতে)

(ঘ) ভাত _______ কথা নাপাতিবা। (খা + ওঁতে)

**৯। তলত দিয়া শব্দবোৰ ভাঙি লিখা আৰু সেই শব্দবোৰ প্ৰয়োগ কৰি একোটাকৈ বাক্য লিখা।**

(ক) পঢ়োঁতে ⇒ _____ + _____ = ______________________________।

(খ) বহোঁতে ⇒ _____ + _____ = ______________________________।

(গ) শোওঁতে ⇒ _____ + _____ = ______________________________।

(ঘ) গাওঁতে ⇒ _____ + _____ = ______________________________।

(ঙ) হাঁহোতে ⇒ _____ + _____ = ______________________________।

## ১০। পাঠটোত থকা সৰ্বনাম পদবোৰ বিচাৰি উলিয়াই লিখা।

## ১১। উপযুক্ত যোজক অব্যয়েৰে খালী ঠাই পূৰ কৰা—

(ক) মই গ্ৰন্থমেলালৈ যাম ———— সাধুকথাৰ কিতাপ কিনিম।
(কিন্তু / আৰু / যদি)

(খ) ———— বৰষুণ দিয়ে, এইবাৰ খেতি ভাল হ'ব। (কিন্তু / আৰু / যদি)

(গ) পাহি পুথিভঁৰাললৈ গ'ল ————অৰ্ণৱ নগ'ল। (যদি / আৰু / কিন্তু)

(ঘ) মই খেলিবলৈ যাম———— ঘৰতে বহি কিতাপ পঢ়িম।
(কিন্তু / নাইবা / যদি)

## ১২। সাঁথৰ ভাঙো আহা—

(ক) ভেকুলীয়ে কৰে কালৈ ভয়,
চোবাই নাখায় গিলি থয়।

(খ) বাঘৰ দৰে জঁপিয়ায়
কুকুৰৰ দৰে বহে,
শিলৰ দৰে তল যায়
তুলাৰ দৰে ভাহে।

(গ) পাঠটোত এটা তিনি আখৰীয়া শব্দ আছে, যাৰ—

- ১ম আৰু ৩য় আখৰ মিলি এবিধ পোহনীয়া চৰাই হয়।
- ২য় আৰু ৩য় আখৰ মিলি এবিধ ডিঙিত পিন্ধা গহনা হয়।
- ৩য় আৰু ২য় আখৰ মিলি এখন ঠাইৰ নাম হয়।
- ২য় আৰু ১ম আখৰ মিলি এবিধ মেকুৰীৰ নিচিনা বনৰীয়া জন্তু হয়।

সেই শব্দটো বিচাৰি উলিয়াই লিখা। ( )

## জ্ঞান-সম্প্ৰসাৰণ

১৩। "সাপে নিতৌ এটাকৈ ভেকুলী খোৱাৰ ফলত পুখুৰীটোত এটাও ভেকুলী নাইকিয়া হৈছিল আৰু অৱশেষত ভেকুলী-ৰজাকে খাবলৈ বিচাৰিছিল। সাপৰ কথা শুনি ভেকুলী-ৰজা বিপাঙত পৰি সাপৰপৰা পৰিত্ৰাণৰ উপায় চিন্তা কৰিছিল।" —তোমালোকৰ মতে ভেকুলী-ৰজাই সাপৰপৰা পৰিত্ৰাণ পাব পাৰিলেনে? যদি পাৰিলে, ভেকুলী-ৰজাই বাৰু কি বুদ্ধি কৰিলে ভাবি কোৱা আৰু লিখা।

### জানো আহা—



**টাংছা জনজাতি ঃ** টাংছাসকল অসম আৰু অৰুণাচল প্ৰদেশত বাস কৰা এক বৃহৎ জনজাতি। তেওঁলোকে চাংঘৰ সাজি বসবাস কৰে। সাধাৰণতে এই চাংঘৰবোৰ কাঠ, বাঁহ আৰু বেতেৰে সজা হয়। টাংছাসকলে নিজৰ সাজ-পোছাক ঘৰতে তৈয়াৰ কৰি লয়। মহিলাসকলে সাধাৰণতে ডাঠ নীলা, ৰঙা, ক'লা আৰু বগা ৰঙৰ সূতাৰে দীঘে দীঘে আঁক-বাঁক থকা মেখেলা (খোছা বা খাটছা) পিন্ধে। পুৰুষসকলে বিভিন্ন ৰঙৰ সূতাৰে বোৱা গামোচাৰ নিচিনা বহল বস্ত্ৰ, চোলা আৰু মূৰত পাগুৰি (খুপাপ) মাৰে। অৱশ্যে বিভিন্ন বংশৰ টাংছা লোকসকলৰ সাজপাৰৰ মাজত ভিন্নতা থকা দেখা যায়।

টাংছাসকলৰ প্ৰধান জীৱিকা হ'ল কৃষি। এওঁলোকে ঝুমখেতিৰ জৰিয়তে মূলতঃ শালিধান, কণিধান, গোমধান, কচু আদিৰ খেতি কৰে। টাংছাসকলে পালন কৰা উৎসৱসমূহ মূলতঃ কৃষিভিত্তিক। এই উৎসৱসমূহক কেন্দ্ৰ কৰি তেওঁলোকৰ মাজত বিভিন্ন ধৰণৰ লোকগীত আৰু লোকনৃত্যৰো প্ৰচলন আছে।

**লোক-সাহিত্য ঃ** লোক-সাহিত্য হৈছে লোক-বিশ্বাসৰ প্ৰতিচ্ছবি। লোক-জীৱনৰ পৰম্পৰা, অভিজ্ঞতা আদিয়ে লোক-বিশ্বাস সৃষ্টি কৰে। লোক-বিশ্বাসে যুক্তিৰ সলনি পৰম্পৰাকহে অধিক গুৰুত্ব দিয়ে। সাধুকথাসমূহৰ দৰেই লোক-বিশ্বাসৰ আধাৰত গঢ় লৈ উঠা ভেকুলী বিয়াৰ নামসমূহো লোক-সাহিত্যৰ অন্তৰ্গত। বাস্তৱ অৰ্থত ভেকুলী আৰু বৰষুণৰ কোনো প্ৰত্যক্ষ সম্পৰ্ক নাই। কিন্তু ভেকুলী বিয়া পাতিলে বৰষুণ দিয়ে বুলি লোকসমাজে বিশ্বাস কৰে। সেই লোকবিশ্বাস অনুসৰি খেতিৰ বতৰত বৰকৈ খৰাং হ'লে মানুহে ভেকুলীৰ বিয়া পাতে। এই বিয়াত এহাল ভেকুলী ধৰি আনি দৰা আৰু কইনা হিচাপে মানুহৰ ঘৰত থয়। তাৰ পাছত দৰা আৰু কইনা ঘৰে যথা নিয়মে পানী তুলি, নোৱাই-ধোৱাই, নাম-গুণ গাই বিয়া পাতে। তলত ভেকুলী বিয়াত গোৱা এফাকি বিয়ানাম তুলি দিয়া হ'ল—



"ভেকুলীৰ বিয়ালৈ
আহে ইন্দ্ৰদেৱে
বতাহ বৰষুণত তিতি;
স্বৰ্গৰ অপেচৰী
নামি আহিছে
ভেকুলীৰ বিয়া শুনি।"

**উৎসঃ** ড° লীলা গগৈৰ 'অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা', প্ৰথম প্ৰকাশ, ২০০৭, বনলতা, ডিব্ৰুগড়-১, পৃষ্ঠা— ৯৪

**১৪। তোমাৰ পৰিয়াল তথা সমাজৰ লোকসকলে পৰিধান কৰা সাজ-পোছাকৰ নাম তলত দিয়া তালিকাখনত লিখা।**

| পুৰুষৰ সাজ-পাৰ | মহিলাৰ সাজ-পাৰ |
|---|---|
| | |

১৫। ভেকুলীৰ বিয়া পাতিলে যিদৰে বৰষুণ দিয়ে বুলি লোক-বিশ্বাস আছে; ঠিক তেনে ধৰণৰ কি কি লোক-বিশ্বাস তোমাৰ অঞ্চলত প্ৰচলিত হৈ আছে অভিভাৱক আৰু শিক্ষকৰ লগত আলোচনা কৰি লিখা।

## প্ৰকল্প

১৬। অভিজ্ঞজনৰ লগত কথা পাতি যিকোনো এবিধ লোকগীত (যেনে— বিয়ানাম, আইনাম, টোকাৰী গীত, দেহ-বিচাৰৰ গীত, মহখেদা গীত, বিহুনাম আদি) সংগ্ৰহ কৰা।

১৭। চাৰি-পাঁচজনকৈ সৰু-সৰু গোটত ভাগ হোৱা আৰু সাঁথৰ সংগ্ৰহ কৰা। সেই সাঁথৰসমূহ লিপিবদ্ধ কৰি বিদ্যালয়ত আজৰি পৰত এটা গোটে আন এটা গোটক সোধা।

| অৰ্হতা | উপ- অৰ্হতা | ক্ৰিয়া-কলাপৰ নম্বৰ | নিজাববীয়াকৈ পাৰিছে | শিক্ষকৰ সহায়ত পাৰিছে | নিদানমূলক শিক্ষাৰ পাছত পাৰিছে |
|---|---|---|---|---|---|
| C 1.1 | ■ পাঠৰ মূল বিন্দুসমূহ চিনাক্ত কৰি ক'ব আৰু প্ৰয়োজন সাপেক্ষে বহলাই লিখিব পাৰিব। | ১, ২, ৪, ৫,৬ | | | |
| C-2.3 | ■ বিভিন্ন সামাজিক আৰু সাংস্কৃতিক পৰিৱেশৰ দিশ সম্পৰ্কে ধাৰণা কৰি কথন আৰু লিখনৰ জৰিয়তে প্ৰকাশ কৰিব পাৰিব। | ১২, ১৩, ১৪ | | | |
| C-3.1 | ■ নতুন শব্দবোৰ অৰ্থৰ সৈতে মিলাই লিখিব পাৰিব। | ৩ | | | |
| | ■ ওঁতে- প্ৰত্যয় লগ লগাই শব্দ গঠন কৰি বাক্য সাজিব পাৰিব। | ৭, ৮ | | | |
| | ■ পাঠটোত থকা সৰ্বনাম পদবোৰ বিচাৰি উলিয়াই লিখিব পাৰিব। | ৯ | | | |
| | ■ যোজক অব্যয় ব্যৱহাৰ কৰি বাক্য সম্পূৰ্ণ কৰিব পাৰিব। | ১০ | | | |
| C-4.2 | ■ বিভিন্ন সমলৰপৰা তথ্য সংগ্ৰহ কৰি প্ৰকল্পৰ কাম কৰিব পাৰিব। | ১৫ | | | |
| | ■ বিভিন্ন উৎসৰপৰা সাঁথৰ সংগ্ৰহ কৰি সুধিব আৰু উত্তৰ দিব পাৰিব। | ১৬ | | | |
| C-5.3 | ■ সাঁথৰ ভাঙি ক'ব আৰু লিখিব পাৰিব। | ১১ | | | |

পাঠ ১৪

S4U1N9

# নদী-দ্বীপে ৰিঙিয়ায়

*ভ্ৰমণে মানুহক নজনা কথা জানিবলৈ, নেদেখা ঠাই চাবলৈ সুযোগ দিয়ে। ভ্ৰমণে জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰাৰ লগতে আনন্দ লাভ কৰাতো সহায় কৰে। 'নদী- দ্বীপে ৰিঙিয়ায় পাঠটিৰ জৰিয়তে তোমালোকে মাজুলীৰ প্ৰাকৃতিক সৌন্দৰ্যৰ বিষয়ে জানিব পাৰিবা। পাঠটিয়ে তোমালোকক প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ আন আন ঠাই ভ্ৰমণ কৰিবলৈও অনুপ্ৰাণিত কৰিব।*

ৰংনিহাং মধ্য ইংৰাজী বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মনবোৰ আজি উগুল-থুগুল। হৰেন হাজৰিকা ছাৰৰ নেতৃত্বত সিহঁত মাজুলীলৈ যাব। প্ৰত্যেকেই নিজৰ বয়-বস্তু লৈ পুৱাতেই বিদ্যালয়ৰ চৌহদত উপস্থিত হ'লহি। নিৰ্দিষ্ট সময়ত বাছখন আহি পোৱাত লংকিৰাম ৰংহাং ছাৰ আৰু ৰূপতালি তেৰাংপি বাইদেউৰ লগত সিহঁত মাজুলী অভিমুখে যাত্ৰা কৰিলে। ওৰে বাটটো তেওঁলোকে হাঁহি-স্ফূৰ্তিৰে প্ৰাকৃতিক দৃশ্য উপভোগ কৰি গৈ থাকিল। যথা সময়ত গাড়ী আহি নিমাতীঘাট পালেহি। ঘাটত নামিয়েই তেওঁলোকে সন্মুখেৰে বৈ যোৱা বিশাল ব্ৰহ্মপুত্ৰখন দেখিলে। পাৰাপাৰহীন ব্ৰহ্মপুত্ৰৰ অপৰূপ সৌন্দৰ্য দেখি ছাত্ৰ-ছাত্ৰীসকল অভিভূত হৈ পৰিল। শান্ত-সমাহিতভাৱে বৈ থকা ব্ৰহ্মপুত্ৰৰ পাৰত লানি নিছিগা মানুহৰ সোঁত। সকলোৰে হাতে হাতে বয়-বস্তুবোৰ লৈ ফেৰীত উঠিবলৈ খৰ-খেদা লগালে। মানুহৰ লগতে গাড়ী, বাইক, চাইকেলবোৰো ফেৰীত উঠালে। কোনোৱে আকৌ বাঁহৰ খোং, খৰাহি, পাচি আদি ফেৰীখনৰ এচুকত তুলি থ'লে। দীঘলকৈ উকি এটি মাৰি ব্ৰহ্মপুত্ৰৰ বুকুয়েদি ফেৰীখন লাহে লাহে কমলাবাৰী ঘাট অভিমুখে আগবাঢ়িল। সকলোৱে লাইফ জেকেটবোৰ পিন্ধি লৈছেনে নাই, ৰংহাং ছাৰে এবাৰ চকু ফুৰাই চালে।



সময় তেতিয়া দুপৰীয়া। মধ্যাহ্ন বেলিৰ পোহৰ ব্ৰহ্মপুত্ৰৰ বিশাল জলৰাশিত পৰিছে। এনে লাগিছে যেন চৌপাশে ৰঙীন মুকুতা-মণিবোৰ পানীৰ লহৰত নাচি উঠিছে। ছাত্ৰ-ছাত্ৰীসকলৰ মনত অসীম আনন্দ, দুচকুত অপাৰ বিস্ময়। ৰাচিংজাই একেথৰে বাহিৰলৈ চাই ক'লে, "বাঃ বাঃ! কিযে মনোমোহা দৃশ্য! চকু জুৰ পৰি গৈছে।"— ৰাচিংজাৰ সুৰতে সুৰ মিলাই ৰূপতালি বাইদেৱে ক'লে— "এৰা, এয়া যেন এখনি ঢৌ খেলি থকা সোণালী চাদৰ! তাত যেন কোনোবাই প্ৰাণঢালি ৰূপালী বুটাহে বাছিছে।" ফেৰীখন চাপৰি এটাৰ কাষেৰে পাৰ হৈ যাওঁতে বতাহত হালি-জালি থকা কঁহুৱা ফুলবোৰ দেখি ছাত্ৰ-ছাত্ৰীসকলে ৰ লাগি চালে। ভাবত বিভোৰ হৈ ৰংহাং ছাৰে ক'লে— "চোৱাচোন, চাপৰিটো বাৰু শুকুলা আৱৰণে ঢাকি থোৱাৰ দৰে লগা নাইনে?" তেনেতে চাপৰিটোৰ সিমূৰৰপৰা ৰিণিকি ৰিণিকি ভাঁহি অহা ঐনিতমৰ সুৰ এটিয়ে সকলোৰে হিয়া-মন চুই গ'ল।



কিছু দূৰৈত চৰাই এটিয়ে হঠাৎ চোঁ মাৰি পানীৰপৰা মাছ এটা ঠেঙত লৈ উৰা মাৰিলে। সকলোৱে অবাক হৈ চৰাইটোলৈ চাই ৰ'ল। মিৰলঙে কৌতূহলেৰে হাজৰিকা ছাৰক সুধিলে— "ছাৰ, ইমান ডাঙৰ সেইটো কি চৰাই?" ছাৰে ক'লে— "অ', সৌটো এটা চিলনী।" ক্ষন্তেক ৰৈ তেওঁ পুনৰ আৰম্ভ কৰিলে— "ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ দাঁতি-কাষৰীয়া বিল, জলাশয় আদিৰ আশে-পাশে শামুকভঙা, কণামুচৰি, মাছৰোকা, পানী-কাউৰী, গঙাচিলনী, ডাউক, শৰালি, বালিমাহী আদি অনেক চৰাই থাকে। শীতকালত এই বিল, জলাশয়বোৰলৈ বহু পৰিভ্ৰমী চৰায়ো আহে।" তেনেতে শিহু এটাই পানীত লুকা-ভাকু খেলি থকা দেখি ছাত্ৰ-ছাত্ৰীসকল আনন্দত জঁপিয়াই উঠিল। পানীৰ লহৰে লহৰে আগুৱাই গৈ ফেৰীখন অৱশেষত কমলাবাৰী ঘাট পালেহি। নিমাতী ঘাটৰ দৰে ইয়াতো মানুহৰ একেই ব্যস্ততা। গাড়ী-মটৰৰ শব্দ, মানুহৰ



কথোপকথনত ফেৰী ঘাটটো মুখৰিত হৈ পৰিছে। ঘাটত শাৰী শাৰীকৈ চাহ-ভাতৰ দোকান। ইতিমধ্যে ছাত্ৰ-ছাত্ৰীসকল ভোকে-ভাগৰে অৱশ হৈ পৰিছিল। হাজৰিকা ছাৰে সকলোৰে বাবে তাতে ভাতৰ ব্যৱস্থা কৰিলে। খোৱা-বোৱাৰ অন্তত ছাৰে ক'লে— "আটায়ে গাড়ীত উঠা। এতিয়া আমি নতুন কমলাবাৰী সত্ৰৰ অতিথিশালালৈ যাম আৰু নিশাটো তাতেই কটাম।"

ঘাটৰপৰা কিছু দূৰ আহিয়েই তেওঁলোকে এখন বিশাল পথাৰত লহ্‌পহ্‌কৈ বাঢ়ি অহা সৰিয়হৰ খেতি দেখিলে। সেউজীয়া দলিচা যেন লগা সুবিশাল পথাৰখন দেখি তেওঁলোকৰ দেহ-মন শাঁত পৰি গ'ল। চাংপিয়ে হাজৰিকা ছাৰক সুধিলে—"ছাৰ, ইয়াত এইবোৰ কি খেতি কৰিছে?" ছাৰে ক'লে— "এইবোৰ সৰিয়হৰ খেতি। এমাহ বা দুমাহৰ পাছত সৰিয়হবোৰ ফুলি উঠিব; তেতিয়া এই সেউজীয়া পথাৰখনে বৰণ সলাই হালধীয়া হৈ পৰিব।" হাজৰিকা ছাৰৰ কথা শুনি ৰিমিলীয়ে ক'লে— "তেতিয়া দেখিবলৈ কিমান যে ধুনীয়া লাগিব!" সেই সময়ত পশ্চিমৰ আকাশত ৰঙচুৱা বেলিটি লাহে লাহে ডুব যাবলৈ ধৰিলে। বাটৰ কাষে কাষে গাই-দামুৰিবোৰ লৈ গৰখীয়াবোৰ ঘৰমুৱা হৈছে। চৰাইবোৰো জাক পাতি নিজ নিজ বাহলৈ উভতিছে। চালে চাই থাকিবলৈ মন যোৱা এক নয়নাভিৰাম দৃশ্য! সন্ধিয়া পৰত তেওঁলোক নতুন কমলাবাৰী সত্ৰৰ অতিথি গৃহ পালেহি। সকলোৱে হাত-ভৰি ধুই চাহ-জলপান খালে। কিছু সময় জিৰণি লৈ তেওঁলোক সত্ৰত চলি থকা সন্ধিয়াৰ নাম-প্ৰসংগ চাবলৈ ওলাল। নাম-প্ৰসংগ চোৱাৰ অন্তত ঘূৰি আহি সকলোৱে অতিথি গৃহত নিশাৰ আহাৰ গ্ৰহণ কৰিলে। পিছদিনা পুৱাই সিহঁত উত্তৰ কমলাবাৰী সত্ৰলৈ যাব। সেয়ে ৰূপতালি বাইদেৱে সকলোকে

পুৱা সোনকালে সাজু হৈ থাকিবলৈ পৰামৰ্শ দিলে।

ৰাতিৰ আলোচনামৰ্মে দ্বিতীয়দিনা পুৱাই তেওঁলোক উত্তৰ কমলাবাৰী সত্ৰত উপস্থিত হ'লগৈ। সত্ৰত সোমায়েই তেওঁলোকে দেখিলে যে, সৰু ভকত কেইজনমানে বকুল ফুলৰ মালা গাঁথি আছে। উৰ্মিয়ে সুধিলে— "ছাৰ, তেওঁলোকে ফুলৰ মালাবোৰ কিয় গাঁথিছে?" হাজৰিকা ছাৰে হাঁহি মাৰি উত্তৰ দিলে— "এই বকুল ফুলৰ মালাবোৰ তেওঁলোকে পৰমজনাৰ চৰণত অৰ্পণ কৰিব। অৱশ্যে সত্ৰাধিকাৰসকলে তেওঁলোকৰ পাগুৰিৰ ওপৰতো এই ফুলৰ মালা পৰিধান কৰে।" অলপ দূৰ খোজকাঢ়ি গৈ তেওঁলোকে মুকলি ঠাই এডোখৰত কেইজনমান ভকতে ব্যায়াম কৰি থকা দেখিলে। তেওঁলোকক দেখি মিৰচ'ৱে বাইদেউক সুধিলে— "বাইদেউ এয়া বাৰু তেওঁলোকে কেনেধৰণৰ ব্যায়াম কৰিছে?" বাইদেৱে মৰমেৰে বুজাই ক'লে—"এয়া সত্ৰীয়া নৃত্যৰ এটা প্ৰাথমিক কাৰ্য। ইয়াক 'মাটি আখৰা' বুলি কোৱা হয়।"



উত্তৰ কমলাবাৰী সত্ৰত কিছু সময় কটাই তেওঁলোকে হাজৰিকা ছাৰৰ পুৰণি ঘৰলৈ গ'ল। ছাৰে তাতেই সকলোৰে বাবে দুপৰীয়া খোৱা-লোৱাৰ ব্যৱস্থা কৰালে। অলপ সময় জিৰাই শঁতাই তেওঁলোকে চামগুৰি সত্ৰলৈ বুলি বাট ল'লে। সত্ৰলৈ যোৱাৰ বাটত তেওঁলোক মিচিং গাঁও এখনতো সোমাল। তাত তেওঁলোকে বহুত চাংঘৰ দেখা পালে। চাংঘৰ এটিৰ কাষতে এজনী ছোৱালীয়ে আপোন মনে তাঁত বই আছিল। মিৰচ'ৱে ছোৱালীজনীৰ ওচৰলৈ গৈ ৰং-বিৰঙৰ ফুলবছা কাপোৰখনলৈ একেথৰে চাই ৰ'ল। "তুমি কি বই আছা বাৰু? ইমান ধুনীয়াকৈ ফুল বাছিবলৈ জানা!"



মিৰচ’ৱে তাইলৈ চাই কৌতূহলেৰে কথাবোৰ সুধিলে। তাঁত বই থকাৰপৰা ওপৰলৈ মূৰ তুলি ছোৱালীজনীয়ে মিৰচ’লৈ চালে। মৰমলগা চাৱনিৰে ছোৱালীজনীয়ে মিৰচ’লৈ চাই মিচিকিয়াই হাঁহি এটি মাৰিলে। মিৰচ’ৱে আকৌ এটা কথা সুধিবলৈ লওঁতেই চাংঘৰটোৰ জখলাডালেৰে মহিলা এগৰাকী নামি আহিল। সিহঁতলৈ চাই তেওঁ কওঁ-নকওঁকৈ ক’লে— “তাই জন্মৰেপৰা কথা ক’ব নোৱাৰে অ’; সকলোৱে তাইক মৰমতে কাৰ্পুণ বুলি মাতে।” তেওঁ আকৌ ক’লে— “সৰুৰেপৰা তাই বৰ ধুনীয়াকৈ তাঁতশালত ফুল বাছিবলৈ শিকিছে। স্কুল বন্ধ হ’লেই তাই বিভোৰ হৈ তাঁতশালত এনেদৰে ফুল বাছে।” এইদৰে মিচিং গাঁৱত কিছু সময় কটাই সকলোৱে সত্ৰলৈ বুলি বাট ল’লে।

চামগুৰি সত্ৰত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলৰ মন আনন্দত থৌকিবাথৌ হ’ল। সত্ৰৰ চোতালত বিভিন্ন মুখা প্ৰস্তুত কৰি সজাই থোৱা আছিল। সেই মুখাবোৰলৈ চাই হাজৰিকা ছাৰে ক’লে—“এই মুখা শিল্প আমাৰ ৰাজ্যৰ এক গৌৰৱ। নাট-ভাওনা আদিত যেতিয়া মুখা ব্যৱহাৰ কৰা হয়, মুখাবোৰে এক জীৱন্ত ৰূপ লয়।” ছাৰৰ কথাবোৰ শুনি সিহঁত অভিভূত হৈ পৰিল। সন্ধিয়া পৰত সকলোৱে সত্ৰৰ অতিথিশালাত নিশাটো কটাবলৈ গ’ল। আহাৰ খোৱাৰ আগতে ছাত্ৰ-ছাত্ৰীসকলে দিনটোৰ কথাবোৰ ছাৰ-বাইদেউসকলৰ সৈতে আলোচনা কৰিলে। সেই সময়তে হাজৰিকা ছাৰে সিহঁতক আন কথাৰ লগতে তাত থকা ‘মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়’ৰ বিষয়েও ক’লে। ৰূপতালি বাইদেৱে ছাত্ৰ-ছাত্ৰীসকলক ক্ৰম অনুসৰি কথাবোৰ দিনলেখাত লিখি ৰাখিবলৈ ক’লে।



এইদৰে বিভিন্ন অভিজ্ঞতা সামৰি তৃতীয়দিনা আটায়ে উভতি যাবলৈ ওলাল। ওভতনি যাত্ৰাত অফলামুখ ঘাটেৰে যাওঁতে মাজুলী আৰু যোৰহাট সংযোগী দলংখনৰ নিৰ্মাণ কাৰ্যও তেওঁলোকে দেখা পালে। কিছু দূৰ যোৱাৰ পাছত ঢপংকৈ কিবা এটা পানীত পৰি যোৱাৰ শব্দ সকলোৱে শুনিলে। আটায়ে ঘূৰি চাই বৃহৎ আকাৰৰ মাটি এচপৰা পানীত পৰি জাহ যোৱা দেখিলে। ছাত্ৰ-ছাত্ৰীসকলে অবাক হৈ চালে। “এয়াই গৰাখহনীয়া”—হাজৰিকা ছাৰে হুমুনিয়াহ কাঢ়ি দূৰলৈ চাই ক’লে। চিন্তিত হৈ বাছাপিয়ে সুধিলে— “এনেদৰে মাটি খহি গৈ থাকিলে এই বৃহৎ নদী-দ্বীপটো এদিন সৰু হৈ নাযাবনে ছাৰ?” “এৰা, তুমি ঠিকেই কৈছা!

বানপানী আৰু গৰাখহনীয়াত ইতিমধ্যে মাজুলীৰ বহু মাটি ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। এই খহনীয়াতেই বহু সত্ৰও নিশ্চিহ্ন হৈ গ'ল। এনেদৰে সত্ৰৰ সংখ্যা কমি গৈছে যদিও মাজুলীক আজিও সত্ৰ নগৰী বুলি জনা যায়।" বৈ যোৱা পানীলৈ চাই আটায়ে এৰি অহা ঘাটটোলৈ ঘূৰি চালে। "আমি আকৌ আহিম নহয়নে ছাৰ?"—চাৰলংবীৰে হেঁপাহেৰে সুধিলে। হাজৰিকা ছাৰে মিচিকিয়াই হাঁহি আকৌ আহিম বুলি কথা দিলে। লাহে লাহে ফেৰীখন চলি গৈ থাকিল। চাওঁতে চাওঁতে ফেৰীখন ঘাটৰপৰা বহু দূৰ পালেগৈ। এইদৰে বহু মধুৰ স্মৃতি লৈ সকলোৰে মাজুলীক বিদায় জনাই ঘৰ অভিমুখে ৰাওনা হ'ল।

## ক্ৰিয়া- কলাপ

### পাঠভিত্তিক

১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই সঠিক ○ বৃত্তটো পূৰ কৰা—

- "ছাৰ, ইমান ডাঙৰ সেইটো কি চৰাই?"—কথাষাৰ কোনে সুধিছিল?

(ক) ৰাচিংজাই (গ) মিৰলঙে
(খ) চাংপিয়ে (ঘ) উৰ্মিয়ে

(ক) (খ) (গ) (ঘ)

- পানীৰ লহৰত ৰঙীন মুকুতা-মণিবোৰ কিয় জিলিকি উঠাৰ দৰে লাগিছিল?

(ক) ব্ৰহ্মপুত্ৰ নৈখন বিশাল হোৱাৰ বাবে
(খ) ফেৰীখন নৈৰ পাৰে পাৰে গৈ থকাৰ বাবে
(গ) অস্তগামী বেলিৰ পোহৰ নৈৰ পানীত পৰাৰ বাবে
(ঘ) কহুঁৰা ফুলবোৰ বতাহত হালি-জালি থকাৰ বাবে

(ক) (খ) (গ) (ঘ)

২। তুমি ওপৰৰ দ্বিতীয় প্ৰশ্নৰ উত্তৰটো কিয় শুদ্ধ বুলি বাছি ল'লা? সহপাঠীৰ লগত আলোচনা কৰি কোৱা।

৩। 'নদী-দ্বীপে ৰিঙিয়ায়' পাঠটো পঢ়া আৰু ভ্ৰমণ কাহিনীটো সহপাঠীৰ আগত বৰ্ণনা কৰা।

৪। তলত দিয়া শব্দবোৰৰ অৰ্থ অভিধান চাই লিখা।

অপৰূপ, পৰিভ্ৰমী, দলিচা, থৌকিবাথৌ, অভিভূত, হুমুনিয়াহ

৫। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ কোৱা আৰু লিখা।

(ক) ছাত্ৰ-ছাত্ৰীসকল মাজুলী ভ্ৰমণলৈ কাৰ নেতৃত্বত গৈছিল?
(খ) মাজুলীলৈ যাবলৈ তেওঁলোকে ফেৰীৰে কোনটো ঘাটৰপৰা যাত্ৰা কৰিছিল?
(গ) ব্ৰহ্মপুত্ৰৰ চাপৰিটোৰপৰা ৰিণিকি ৰিণিকি কিহৰ সুৰ ভাঁহি আহিছিল?

(ঘ) মাজুলী আৰু যোৰহাট সংযোগী দলংখনৰ নিৰ্মাণকাৰ্য তেওঁলোকে কোনটো ঘাটেৰে যাওঁতে দেখা পাইছিল?

(ঙ) মাজুলীত থকা বিশ্ববিদ্যালয়খনৰ নাম কি?

**৬। কোনে, কেতিয়া আৰু কিয় কৈছিল লিখা।**

(ক) "ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ দাঁতি-কাষৰীয়া বিল, জলাশয় আদিৰ আশে-পাশে শামুকভঙা, কণামুচৰি, মাছৰোকা, পানী-কাউৰী, গঙাচিলনী, ডাউক, শৰালি, বালিমাহী আদি অনেক চৰাই থাকে। শীতকালত এই বিল, জলাশয়বোৰলৈ বহু পৰিভ্ৰমী চৰায়ো আহে।"

(খ) "নাট-ভাওনা আদিত যেতিয়া মুখা ব্যৱহাৰ কৰা হয়, মুখাবোৰে জীৱন্ত ৰূপ লয়।"

৭। বানপানী আৰু গৰাখহনীয়াই মাজুলীত কেনেধৰণৰ সমস্যাৰ সৃষ্টি কৰিছে পাঠৰ আধাৰত বুজাই লিখা।

৮। পাঠটোত উল্লেখ থকা ৰং কেইবিধৰ নাম লিখা আৰু কোনটো ৰঙৰ প্ৰতিফলন ক'ত ঘটিছে তাৰ এখন তালিকা প্ৰস্তুত কৰা—

**উদাহৰণ—**

| ৰং | প্ৰতিফলন |
|---|---|
| শুকুলা | কঁহুৱা |

## ভাষা-অধ্যয়ন

**৯। বাক্য ৰচনা কৰা —**

হাঁহি-স্ফূৰ্তি : ____________________

হালি-জালি : ____________________

ৰিণিকি-ৰিণিকি : ____________________

গাই-দামুৰি : ____________________

নাট-ভাওনা : ____________________

### জানো আহা—

তলত দিয়া বাক্যটোলৈ মন কৰা—

(ক) এতিয়া আমি নতুন কমলাবাৰী সত্ৰৰ অতিথিশালালৈ যাম আৰু নিশাটো তাতেই কটাম।

ইয়াত দুটা বাক্য সংযোগ হৈ আছে। বাক্য দুটা হ'ল—

- এতিয়া আমি নতুন কমলাবাৰী সত্ৰৰ অতিথিশালালৈ যাম।
- নিশাটো তাতেই কটাম।

'আৰু' শব্দটোৱে বাক্য দুটা সংযোগ কৰিছে। এইবাৰ আন এটি বাক্যলৈ মন কৰা—

(খ) এৰা, এয়া যেন এখনি ঢৌ খেলি থকা সোণালী চাদৰ!

বাক্যটোত 'এৰা' শব্দই সন্মতি বুজাইছে; 'যেন' শব্দটোৱে সাদৃশ্য বুজাইছে। **আৰু, এৰা, যেন** আদি অব্যয় শব্দ। অব্যয় শব্দবোৰ কাৰক, পুৰুষ, বচন, লিংগ অনুসৰি ৰূপ নহয়। অৰ্থাৎ কোনো পৰিৱেশ বা অৱস্থাতে ৰূপৰ পৰিৱৰ্তন নোহোৱা শব্দবোৰেই **অব্যয়**।

**১০। তলত দিয়া বাকচটোত থকা অব্যয় পদসমূহ প্ৰয়োগ কৰি বাক্যবোৰ পুনৰ গঠন কৰা—**

**সেয়ে, কিন্তু, তথাপি, আৰু**

**উদাহৰণ—**

★ ৰাম ঘৰলৈ গ'ল।
★ ৰীতা ঘৰলৈ গ'ল। } = ৰাম আৰু ৰীতা ঘৰলৈ গ'ল।

★ আজি কাতি বিহু।
★ আজি স্কুল বন্ধ। } = ____________________

★ গাইজনী ঘৰলৈ আহিল।
★ দমৰাটো ঘৰলৈ নাহিল। } = ____________________

★ তোমাক ইমানকৈ মাতিলোঁ।
★ তুমি মাত এষাৰো নিদিলা। } = ____________________

## জ্ঞান-সম্প্ৰসাৰণ

### জানো আহা—

**মুখাশিল্প** ঃ অতি প্ৰাচীনকালৰেপৰা অসমত মুখাশিল্পৰ প্ৰচলন হৈ আহিছে। মহাপুৰুষ শংকৰদেৱে ভাওনাত পোনপ্ৰথমে মুখা ব্যৱহাৰ কৰে। তেতিয়াৰেপৰা অসমৰ মুখাশিল্পই নতুন পৰিচয় লাভ কৰে। অসমৰ বহু সত্ৰত এই শিল্পৰ চৰ্চা আছে। বিশেষকৈ মাজুলীৰ শ্ৰীশ্ৰীচামগুৰি সত্ৰ মুখাশিল্পৰ বাবে বিখ্যাত। অসমৰ লগতে দেশ-বিদেশৰ বিভিন্ন পৰ্যটক এই শিল্প চাবলৈ আৰু প্ৰশিক্ষণ ল'বলৈ আহে। মুখাসমূহ প্ৰস্তুত কৰিবলৈ থলুৱা বাঁহ, বেত, কপাহী কাপোৰ, গৰুৰ গোবৰ, কুমাৰ-মাটি, কুঁহিলা, মৰাপাট আদি সামগ্ৰী ব্যৱহাৰ কৰা হয়। মুখাসমূহত ব্যৱহাৰ কৰা ৰঙো প্ৰাকৃতিকভাৱেই প্ৰস্তুত কৰা হয়। গছৰ গুটি,

বাকলি, পাত, বেলৰ আঠা, হেঙুল, হাইতাল, মিঠাতেলৰ চাকিৰ ছাই, নীল গছ আদিৰপৰা এই ৰং প্ৰস্তুত কৰা হয়। এনেদৰে প্ৰস্তুত কৰা মুখাসমূহ বৰ্তমান সময়ত ভাওনাৰ উপৰি উৎসৱ-পাৰ্বণ, সভা-সমিতি, ঘৰ-দুৱাৰ সজোৱা, উপহাৰ হিচাপে দিয়া আদি কামতো ব্যৱহাৰ কৰা হয়।

| | | |
|---|---|---|
|  |  |  |
| বৰমুখা বা ছোঁ মুখা | লোটোকৰী বা চুটি ছোঁ মুখা | মুখ বা মুখা |

১১। তোমাৰ ভাললগা কেইখনমান মুখাৰ নাম উল্লেখ কৰা। সেই মুখাকেইখন তোমাৰ কিয় ভাল লাগে কোৱা আৰু লিখা।

জানো আহা—

**মাটি আখৰা ঃ** মাটি আখৰা সত্ৰীয়া নৃত্যৰ প্ৰাথমিক পাঠ। মাটি আখৰাৰদ্বাৰা সত্ৰীয়া নৃত্যৰ শিক্ষা আৰম্ভ হয়। ইয়াৰ জৰিয়তে ন-শিকাৰু এজনৰ শৰীৰটো সত্ৰীয়া নৃত্যৰ বাবে উপযোগী হোৱাকৈ গঢ় দি লোৱা হয়। ই পেশী, হাড় আদি নমনীয় আৰু মজবুত কৰি সত্ৰীয়া নৃত্যসমূহ নিখুঁতভাৱে পৰিৱেশন কৰিব পৰাকৈ শৰীৰটোক সাজু কৰি তোলে।

মানুহৰ শাৰীৰিক আৰু মানসিক সুস্বাস্থ্যৰ বাবে মাটি আখৰা বৰ উপযোগী। মাটি আখৰাসমূহৰ যোগাসনৰ লগত বহুখিনি মিল আছে। ইয়াৰ লগত খোল, তাল, বাঁহী আদি লোকবাদ্য সংগত কৰা হয়।



১২। মাটি আখৰা আৰু সত্ৰীয়া নৃত্যৰ বিষয়ে ভিন ভিন উৎস (সমল ব্যক্তি, ইণ্টাৰনেট, বাতৰি-কাকত, আলোচনী)ৰপৰা সমল সংগ্ৰহ কৰি লিখা।

## প্ৰকল্প

১৩। বিভিন্ন ঋতুত সৰি থকা ফুল সংগ্ৰহ কৰা। এই ফুলবোৰেৰে এধাৰি মালা গাঁথা আৰু মালাধাৰি কি কৰিবা লিখা।

১৪। পুৰণি কেলেণ্ডাৰ, ডাঠ কাগজ, কাপোৰ আদিৰ সহায়ত ছবিত দেখাৰ দৰে জীৱ-জন্তুৰ মুখা প্ৰস্তুত কৰা —



১৫। তলৰ আৰ্হিত দেখুওৱাৰ দৰে প্ৰতিদিনে কৰা কামবোৰ দিনলেখাত লিপিবদ্ধ কৰিবা।

নাম ঃ ৰাচিংজা ইংতিপী　　　　তাৰিখ ঃ ০৮-১২-২০২৫

স্কুল ঃ ৰংনিহাং মধ্য ইংৰাজী বিদ্যালয়

শ্ৰেণী ঃ ষষ্ঠ

| সময় | প্ৰতিদিনে কৰা কামৰ বিৱৰণ | দিনটোত কৰা এটি বিশেষ ভাল কামৰ বিৱৰণ | মন্তব্য |
|---|---|---|---|
| ৰাতিপুৱা | শুই উঠিয়েই হাত-মুখ ধুই পঢ়া টেবুলত বহিলোঁ। | বিদ্যালয়লৈ গৈ থাকোঁতে বৃদ্ধলোক এজনক আলিবাটটো পাৰ হোৱাত সহায় কৰি দিলোঁ। | আনক সহায় কৰি মনত অপাৰ আনন্দ লাভ কৰিলোঁ। |

| অৰ্হতা | উপ- অৰ্হতা | ক্ৰিয়া-কলাপৰ নম্বৰ | নিজাববীয়াকৈ পাৰিছে | শিক্ষকৰ সহায়ত পাৰিছে | নিদানমূলক শিক্ষাৰ পাছত পাৰিছে |
|---|---|---|---|---|---|
| C 1.1 | ■ পাঠৰ মূল বিন্দুসমূহ চিনাক্ত কৰি ক'ব আৰু প্ৰয়োজন সাপেক্ষে বহলাই লিখিব পাৰিব। | ১, ৩, ৪, ৫,৬ | | | |
| C-1.4 | ■ উপযুক্ত শব্দ আৰু শৈলী ব্যৱহাৰ কৰি দিনলেখা লিখিব পাৰিব। | ১৫ | | | |
| C-1.5 | ■ বিভিন্ন সমলৰে প্ৰকল্পৰ বাবে দৃশ্য সঁজুলি প্ৰস্তুত কৰিব পাৰিব। | ১৪ | | | |
| C-2.3 | ■ বিভিন্ন সামাজিক পৰিবেশৰ দিশ সম্পৰ্কে ধাৰণা কৰি লিখনৰ জৰিয়তে প্ৰকাশ কৰিব পাৰিব। | ৭, ১১ | | | |
| | ■ বিভিন্ন সামাজিক পৰিৱেশ সম্পৰ্ক ধাৰণা কৰি লিখনৰ জৰিয়তে প্ৰকাশ কৰি প্ৰকল্প প্ৰস্তুত কৰিব পাৰিব। | ১৩ | | | |
| C-3.1 | ■ নতুন শব্দবোৰৰ অৰ্থ অভিধান চাই বুজি লিখিব পাৰিব। | ৪ | | | |
| | ■ শব্দৰ অৰ্থ বুজি বাক্য ৰচনা কৰিব পাৰিব। | ৯ | | | |
| | ■ যোজক অব্যয় ব্যৱহাৰ কৰি বাক্য গঠন কৰিব পাৰিব। | | | | |
| | ■ সাঁথৰ ভাঙি ক'ব আৰু লিখিব পাৰিব। | ১০ | | | |
| C-4.2 | ■ বিভিন্ন সমলৰপৰা তথ্য সংগ্ৰহ কৰি প্ৰকল্পৰ কাম কৰিব পাৰিব। | ১২ | | | |

পাঠ ১৫

# মহো-হো গীত

*নামনি অসমৰ জনপ্ৰিয় উৎসৱসমূহৰ ভিতৰত মহো-হো অন্যতম। এই অঞ্চলৰ প্ৰায়বোৰ ঠাইতে মহো-হো উৎসৱৰ প্ৰচলন আছে। কিন্তু ঠাইভেদে মহো-হো গীতবোৰ অলপ বেলেগ বেলেগ হয়। এই গীতবোৰত অসমীয়া ভাষাৰ আঞ্চলিক ৰূপবোৰৰ প্ৰভাৱ পৰা দেখা যায়।*

পঢ়া আৰু গোৱা —

অ' হৰি মহো-হো
মহ খেইদ্‌বা টাকোন লোঁ।
মহে বুলে মোইল্লু দে
টেপোল পুৰা খালু দে।
টেপোলত নহল নুন
চাউল কাঢ়ে দোণ দোণ।
চাউল নেদি দিলাক ক'ড়ি
এনথোৰ ঘৰ ল'ৰি চ'ৰি।
ল'ৰি চ'ৰি যাওঁতে
সোণাৰ নাঙাল বাওঁতে।
সোণাৰ নাঙাল ৰূপৰ ফাল
ঘৰজীয়া বেটাই বাৰে হাল।
হাল দিলোঁ সীৰালে
মৈ দিলোঁ পাটে।
মহোৰ মাকোক পাৰ ক'ইল্লু
বুঢ়াদিয়াৰ ঘাটে।
বাঁহোৰ পাত চকা-মকা,
আমাক লাগে টকা টকা।
বাঁহৰ পাত কাজেলি
আমাক দিব আধেলি।



বাঁহোৰ পাত চিকি মিকি,
আমাক লাগে সিকি সিকি।
ভাল হক,
হক
কুশল হক,
হক।
গোলিৰ গৰু বাঢ়ক,
বাঢ়ক।





ভাখ্ৰীৰ ধান বাঢ়ক,
বাঢ়ক।
ভাল-ভোলকাক দিবাক লাগি
শক্তিমন্ত কৰক,
কৰক।
জয় অ' ৰাম বোলা,
জয় অ' হৰি বোলা।

**উৎস ঃ** নতুন পাঠ (ষষ্ঠ ভাগ), সপ্তম প্ৰকাশ, ২০১০, প্ৰকাশক— অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড, গুৱাহাটী-১৯, পৃষ্ঠা—১৮-১৯

গীতটি প্ৰথমে দলগতভাৱে আৰু পাছত এজন এজনকৈ প্ৰত্যেককে গাবলৈ দিব। শুদ্ধভাৱে গোৱাত ছাত্ৰ-ছাত্ৰীক সহায় কৰিব। প্ৰয়োজনবোধে স্থানীয় শিল্পী বা বৈদ্যুতিন উৎসৰ সহায় ল'ব।

● গীতটোত থকা স্থানীয় উপভাষাৰ শব্দবোৰৰ মান্য অসমীয়াৰ ৰূপবোৰ জানো আহা—

| | | | |
|---|---|---|---|
| খেইদ্‌বা | — খেদিবলৈ | সীৰালে | — সীৰলুৰে |
| টাকোন | — টোকোন/টাঙোন | পাটে | — মৈ দিওঁতে ব্যৱহাৰ কৰা দুফলীয়া বাঁহ |
| লোঁ | — ল | | |
| মোইল্লু | — মৰিলোঁ | মহোৰ | — ম'হৰ |
| টেপোল | — টেপৰ (টেঙা) | মাকোক | — মাকক |
| নুন | — লোণ | ক'ইল্লু | — কৰিলোঁ |
| নেদি | — নিদি | আধেলি | — পঞ্চাশ পইচাৰ মুদ্রা |
| এনথোৰ | — এওঁলোকৰ | সিকি | — পঁচিশ পইচাৰ মুদ্রা |
| ঘৰজীয়া | — ঘৰ জোঁৱাই | গোলিৰ | — গোহালিৰ |
| বেটাই | — পো | ভাখ্ৰীৰ | — ভঁৰালৰ |

## ক্রিয়া- কলাপ

## পাঠভিত্তিক

১। তলত দিয়া প্রশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই সঠিক ○ বৃত্তটো পূৰ কৰা—

● ম'হ খেদিবলৈ ল'ৰাহঁতে হাতে হাতে কি লৈছে?

(ক) সোণৰ নাঙল (গ) বাঁহৰ পাত

(খ) আধেলি (ঘ) টাঙোন

ক খ গ ঘ

● গৃহস্থই ম'হ খেদিবলৈ যোৱা ল'ৰাহঁতক চাউলৰ সলনি কি দিছে?

(ক) ক'ড়ি (গ) সিকি

(খ) লোণ (ঘ) টকা

ক খ গ ঘ

২। তলত দিয়া প্রশ্নবোৰৰ উত্তৰ কোৱা আৰু লিখা।

(ক) "টেপোলত নহল নুন"— ইয়াত টেপোল শব্দৰ অৰ্থ কি?

(খ) মহো-হো গীতটোত উল্লেখ থকা নৈখনৰ নাম কি?

(গ) গীতটোত ভাল হক, কুশল হক বুলি কোনে কাক আশীৰ্বাদ কৰিছে?

(ঘ) গীতটোত কোনটো শব্দই ভঁৰালক বুজাইছে?

৩। মহো-হো গীতটোত কৃষিৰ লগত জড়িত দুবিধ সঁজুলিৰ নাম আছে। সঁজুলি দুবিধ কি কি? সঁজুলি দুবিধৰ ছবি আঁকা।

৪। মহো-হো গীতটোৰ অন্ত্যধ্বনি মিল থকা শব্দবোৰ বাছি উলিয়াই লিখা।

উদাহৰণ— হো - লোঁ — —

— — — —

— — — —

— — — —

## ভাষা-অধ্যয়ন

৫। পাঠটোত তোমালোকে চিকি-মিকি, চকা-মকা আদি যুৰীয়া শব্দ পাইছা। এনেধৰণৰ আৰু পাঁচটা যুৰীয়া শব্দ লিখা।

৬। বাক্য ৰচনা কৰা—

ভঁৰাল ঃ ____________________

মৈ ঃ ____________________

হাল ঃ ____________________

চাউল ঃ ____________________

গোহালি ঃ ____________________

৭। মহো-হো গীতটোত থকা পাঁচটা বিশেষ্য পদ আৰু পাঁচটা ক্রিয়া পদ বাছি উলিয়াই তাৰ মান্যৰূপবোৰ লিখা।

| বিশেষ্য পদ | মান্যৰূপ | ক্রিয়া পদ | মান্যৰূপ |
|---|---|---|---|
| | | | |

৮। তলৰ পদবোৰত কি কি বিভক্তি চিন যোগ হৈছে লিখা।

| পদ | বিভক্তি |
|---|---|
| মাকক | |
| টেপৰত | |
| ঋপৰ | |
| সীৰলুত | |
| সোণৰ | |
| বুঢ়াদিয়াৰ | |
| ঘাটেৰে | |

## জ্ঞান-সম্প্ৰসাৰণ

জানো আহা—

**মহো-হো** হ'ল এটি কৃষিভিত্তিক লোক উৎসৱ। এই উৎসৱৰ মূল উদ্দেশ্য হ'ল বনৰীয়া ম'হ খেদি সমাজৰ কল্যাণ সাধন কৰা। আঘোণ মাহৰ পূৰ্ণিমা তিথিত নিশাৰ ভাগত এই উৎসৱ পালন কৰা হয়। সিদিনা চেমনীয়া আৰু ডেকাবোৰে হাতে হাতে বাঁহৰ টোকোন একোডাল লৈ দল বান্ধি ঘৰে ঘৰে মহোহো গীত গাই গৃহস্থক আশীৰ্বাদ দিয়ে। দলটোৰ এজনে বাঁহৰ শুকান ঢকুৱাৰ খাৰু, বাজু, মুকুট আদি পিন্ধি আৰু কলৰ শুকান পাত গাত মেৰিয়াই ভালুকৰ বেশ ধৰে। লোক-বিশ্বাস মতে, ম'হে ভালুকলৈ ভয় কৰে। আন এজনে বয়-বস্তু লোৱাৰ বাবে কান্ধত এখন জোলোঙা ওলোমাই লয়। বাকীবোৰে টোকোনেৰে মাটিত চেও ধৰি ঠক্ ঠক্ কৰি খুন্দিয়াই তালে তালে ভাল-ভোলকাক আগুৰি মহো-হো গীত গায়।

বিহু হুঁচৰিৰ দল আহিলে গৃহস্থই যেনেকৈ আনন্দ অনুভৱ কৰে, ঠিক তেনেদৰে মহো-হো গাবলৈ আহিলে গৃহস্থই বৰ ভাল পায়। প্ৰতিটো দলকে আদৰ-সাদৰেৰে সাধ্যানুসাৰে মাননি আগবঢ়ায়। তেনে কৰিলে গৃহস্থৰ মংগল হয় বুলি বিশ্বাস কৰে।

৯। 'মহো-হো'ৰ বাহিৰে নিজ নিজ অঞ্চলত পালন কৰা লোক উৎসৱসমূহৰ বিষয়ে এটি টোকা যুগুত কৰা।

### জানো আহা—

মানুহে মনৰ ভাব প্ৰকাশ কৰিবলৈ মুখেৰে কিছুমান ধ্বনি উচ্চাৰণ কৰে। এনেদৰে উচ্চাৰিত অৰ্থৱহ ধ্বনি প্ৰতীককে ভাষা বোলে। ভাষা এটাৰ বিভিন্ন আঞ্চলিক ৰূপ থাকিব পাৰে। অসমীয়া ভাষাৰ উজনি, কামৰূপী, দৰঙী, গোৱালপৰীয়া আদি আঞ্চলিক ৰূপ আছে। নিজৰ মাজত কথা-বতৰা পাতোঁতে বা ভাবৰ আদান-প্ৰদান কৰোঁতে এনে ৰূপৰ ব্যৱহাৰ কৰে। ভাষাৰ এনে আঞ্চলিক ৰূপক উপভাষা বোলে।

সাধাৰণতে ভাষাটোৰ উমৈহতীয়া কাম-কাজ চলাবৰ বাবে উপভাষাবোৰৰ মাজৰপৰা যিকোনো এটা নিৰ্বাচন কৰা হয়। এনেদৰে নিৰ্বাচিত উপভাষাটোক মান্যভাষা বোলে। শিক্ষা-দীক্ষা, আনুষ্ঠানিক কাম-কাজ আদিত মান্যভাষাৰ ব্যৱহাৰ হয়।

অসমীয়া ভাষাৰ মান্যৰূপটো শিৱসাগৰ অঞ্চলৰ কথিত ৰূপক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছিল। ভাষাতত্ত্বৰ বিচাৰত সকলো উপভাষাৰে সমান মৰ্যাদা আছে। আনকি মান্যভাষা সময়ত গৈ উপভাষাত পৰিণত হ'ব পাৰে আৰু কালক্ৰমত উপভাষা এটায়ো মান্যভাষাৰ মৰ্যাদা পাব পাৰে।

আমাৰ লোক উৎসৱৰ লগত জড়িত গীতবোৰ মুখে মুখে চলি আহিছে। ইয়াত ভাষাৰ কথিত ৰূপটো পৰিলক্ষিত হয়।

**১০। তলত দিয়া শব্দবোৰৰ তোমালোকৰ অঞ্চলত ব্যৱহাৰ হোৱা কথিত ৰূপবোৰ লিখা।**

টাঙোন, লোণ, পো, জোঁৱাই, গোহালি, ভঁৰাল

**১১। ম'হ খেদিবলৈ মহো-হো গীত গায়। ঠিক তেনেদৰে পথাৰৰ ধান খাবলৈ অহা বটা চৰাইক হুৰাই দি গায়—**

'হুৰ হুৰ বটা চৰাই<br>
মোৰ ধান নেখাবি<br>
তোক দিম গোটা কৰাই।'

তোমালোকে চৰাই-চিৰিকটি, জীৱ-জন্তু আদিক মাতিবলৈ বা খেদি পঠিয়াবলৈ গোৱা গীত সংগ্ৰহ কৰি লিখা আৰু গোৱা।

১২। ম'হে আমাৰ কি কি উপকাৰ সাধন কৰে লিখা।

## প্ৰকল্প

১৩। তোমালোকে বাস কৰা অঞ্চলৰ লোক-উৎসৱসমূহত গোৱা গীতসমূহ সংগ্ৰহ কৰি লিখা।

১৪। তোমাৰ অঞ্চলত প্ৰচলিত লোক-উৎসৱসমূহত পালন কৰা ৰীতি-নীতি, সাজ-পোছাক আদিৰ বিষয়ে ঘৰৰ বা চুবুৰীৰ ককা-আইতাক সুধি লিখা।

| অৰ্হতা | উপ-অৰ্হতা | ক্ৰিয়া-কলাপৰ নম্বৰ | নিজাববীয়াকৈ পাৰিছে | শিক্ষকৰ সহায়ত পাৰিছে | নিদানমূলক শিক্ষাৰ পাছত পাৰিছে |
|---|---|---|---|---|---|
| **C 1.1** | ■ পাঠৰ মূলবিন্দুসমূহ চিনাক্ত কৰি ক'ব আৰু প্ৰয়োজন সাপেক্ষে বহলাই লিখিব পাৰিব। | ১, ২ | | | |
| **C-1.5** | ■ পাঠত উল্লেখ থকা কৃষি সঁজুলি চিনাক্ত কৰি অংকন কৰিব পাৰিব। | ৩ | | | |
| **C-2.1** | ■ যুৰীয়া শব্দ চিনাক্ত কৰি লিখিব পাৰিব। | ৫ | | | |
| **C-2.2** | ■ অন্ত্যধ্বনি মিল থকা শব্দ লিখিব পাৰিব। | ৪ | | | |
| **C-2.3** | ■ সমাজত প্ৰচলিত বিভিন্ন লোক উৎসৱৰ বিষয়ে ধাৰণা কৰি লিখনৰ জৰিয়তে প্ৰকাশ কৰিব পাৰিব। | ৯ | | | |
| | ■ বিভিন্ন অঞ্চলত ব্যৱহাৰ কৰা ভাষাৰ কথিত ৰূপ জানি লিখনৰ জৰিয়তে প্ৰকাশ কৰিব পাৰিব। | ১০ | | | |
| | ■ বিভিন্ন সামাজিক পৰিৱেশসমূহ ধাৰণা কৰি লিখনৰ জৰিয়তে প্ৰকাশ কৰিব পাৰি। | ১২, ১৪ | | | |
| **C-3.1** | ■ শব্দৰ অৰ্থ বুজি বাক্য ৰচনা কৰিব পাৰিব। | ৬ | | | |
| | ■ পাঠটোত থকা বিশেষ্য আৰু ক্ৰিয়া পদবোৰৰ মান্যৰূপবোৰ লিখিব পাৰিব। | ৭ | | | |
| | ■ পদবোৰত যুক্ত হৈ থকা বিভক্তিবোৰ বাছি উলিয়াই লিখিব পাৰিব। | ৮ | | | |
| **C-4.2** | ■ বিভিন্ন উৎসৱপৰা সমল সংগ্ৰহ কৰি গীত গাব আৰু লিখিব পাৰিব। | | | | |